
# Centre for Studies in Social Sciences, Calcutta

## Documentation of rare Assamese books in collaboration with Assam Sahitya Sabha, Jorhat and the Ford Foundation: microfilmed and digitised in October 2006

| | |
|---|---|
| Record No: 2006/ 165 | Language of work: Assamese |
| Author (s) / Editor (s): Lakhinath Bezbarah | |
| Title: বাঁহী | |
| Transliterated Title: Baanhi | |
| Translated Title: | |
| Place of Publication: Calcutta (Kolkata) | Publisher: Editor |
| Year: 1925 (1847 Sak) | Edition: |
| Size: 22½ cms - 722 pages | Genre: Magazine |
| Volumes: 15 (1, 2, 3, 4, 5, 6, 7, 8, 9, 10, 11, 12, 15th) | Condition of the original: Brittle. |
| Remarks: Illustrated | |
| Holding institute: Assam Sahitya Sabha, Jorhat | Microfilmed and digitised by: Centre for Studies in Social Sciences, Calcutta, 2006. |

| | | |
|---|---|---|
| Microfilm Roll No: | From gate: | To gate: |




পঞ্চদশ বছৰ

৫ম সংখ্যা

১৮৪৭ শক

ভাদ

"ন হি জ্ঞানেন সদৃশং পবিত্ৰমিহ বিদ্যতে ।"

## নৃতত্ত্ব

ভূচৰ, খেচৰ, আৰু জলচৰ আদি সকলো জীৱৰ ভিতৰত যদিও কোনো কোনো বিষয়ত পৰস্পৰ সামঞ্জস্য থকা দেখা যায়, তথাপি ইপিনে তেনেকৈ বহু অসামঞ্জস্যতাও আছে, আৰু জীৱবিলাকৰ ভিতৰত নানা শ্ৰেণীবিভাগ হৈছে। এক শ্ৰেণী জীৱবিলাকৰ ভিতৰতে আকৌ নানা উপশ্ৰেণীও আছে। এই শ্ৰেণীবিভাগৰ জীৱতত্ত্ববিদ্ পণ্ডিত-সকলে এপিনে যেনেকৈ নানা তথ্য আবিষ্কাৰ কৰিবৰ সুবিধা পাইছে, আনপিনে তেনেকৈ বহু সমস্যাতো পৰিছে। আইন জীৱৰ কথা নকওঁৱেই মানৱ শ্ৰেণী জীৱৰ বিষয় আলোচনা কৰিলেই বহুত ভাবিব আৰু শিকিবলগীয়া কথা পোৱা যায়।

মানুহ কেনেকৈ প্ৰথমতে জীৱ-জগতত প্ৰকাশ হল আজিও নিঃসন্দেহে সি পণ্ডিতসকলৰ দ্বাৰা নিৰ্দ্ধাৰিত হোৱা নাই; কেতিয়াবা হব যে তাৰো নিশ্চয়তা কি? বিভিন্ন ধৰ্ম্মৰ সৃষ্টি তত্ত্বপুৰাণত (cosmogony) এই বিষয়ে বিভিন্ন প্ৰকাৰ বৰ্ণনা লিপিবদ্ধ কৰা আছে। সেইবোৰৰ কিন্তু এটিকো বিশ্বাস কৰিব নোৱাৰি। আজিকালি শিক্ষিত লোকসকলে ক্ৰমবিকাশৰ দ্বাৰা নিচেই সৰুৰ পৰা ক্ৰমে ডাঙৰ জীৱ উদ্ভৱ হৈ শেষত বান্দৰৰপৰা মানুহৰ আদিপুৰুষ অভিব্যক্ত হোৱা ডাৰুইন ছাহাবৰ মতটিক সত্য বুলি গ্ৰহণ কৰি আহিছিল। কিন্তু আধুনিক মত অনুসাৰে আকৌ এইটি ঠিৰাং হৈছে যে বান্দৰৰপৰা মানুহ হোৱা নাই, বৰং তয়ো শ্ৰেণী জীৱ (Lemur) লেমুৰ নামে জন্তু বিশেষৰপৰা হে অভিব্যক্তি হৈছে। ই এক প্ৰকাৰ জিনাৰ জাতীয় জীৱ; ইয়াৰ নেজ বৰ দীঘল, ডিঙিটি ধুনীয়া দীঘল দীঘল বগা লোমেৰে (Ladies' fur নিচিনা বেঢ়ি থকা। ঠেং, পিঠি, গাল, চকুৰ চাৰিওফালে বগা নোমেৰে ঢকা; বাকী অংশবোৰ কজলা বৰণৰ। ই দেখিবলৈ বৰ ধুনীয়া, এই জন্তু এতিয়াও আফ্ৰিকাৰ মাডাগাস্কাৰ দ্বীপত হেনো দেখিবলৈ পোৱা যায়। আমাৰ কিন্তু বৰ্ত্তমান মানুহ জাতি বান্দৰৰপৰা উদ্ভৱ হোৱা বোলাটোও ঠিক তেনেকুৱাই লাগে। ই যি নহওক,

তত্ৰাচ মাজে মাজে ডাৰুইনৰ মতৰ অনুকূলে যেনিবা প্ৰমাণ দিবলৈ এতিয়াও ঠায়ে ঠায়ে লুপ্ত লগ্ন-জীৱৰ (missing link) বুলি সন্দেহ কৰা দুই এটি লাওখোলা মাটিৰ তলৰপৰা আবিষ্কাৰ হৈয়েই আছে। হলেও দেশৰ ভূতত্ত্ববিদ্ Dr. Eugene Dubois ছাহাবে জাভা দ্বীপত তেনেকুৱা এটা লাওখোলা আবিষ্কাৰ কৰি বান্দৰ আৰু মানুহৰ মাজৰ লগ্ন-জীৱ শ্ৰেণীৰ মূৰৰ খোলা বুলি স্থিৰ কৰিছিল। কিন্তু বহু পৰীক্ষাৰ পিছত স্থিৰ হল যে এই খোলাটো এটা ডাঙৰ বান্দৰৰ হে, লগ্ন-জীৱৰ নহয়। আকৌ জাৰ্ম্মানীৰ নিয়ণ্ডা ভেলীত যি লাওখোলা ওলাইছিল, সিও লগ্ন-জীৱৰ নহয় বুলি স্থিৰ হৈছে; কাৰণ সেই সময়ত বৰ্ত্তমান সভ্য মানুহ থকাৰ বহুতো প্ৰমাণ পোৱা যায়। এতিয়া সম্প্ৰতি আফ্ৰিকাৰ টংছ্ নামে ঠাইৰ ভূ-গৰ্ভত এটা লাওখোলা পোৱা গৈছে। এইটোকে পণ্ডিতসকলে সম্প্ৰতি লগ্ন-জীৱৰ লাওখোলা বুলি হুলস্থূল লগাইছে। Sir Arthur Keith ছাহাবে প্ৰায় সিদ্ধান্তই কৰিছে যে ই নিশ্চয় লগ্ন-জীৱৰ লাওখোলা। পিছে ইয়াতো এটি সন্দেহৰ ছাঁই ভুমুকি মাৰিছে। লাওখোলাটি অতি কম বয়সীয়া জীৱৰ; লৰা বয়সৰ মানুহৰ আৰু কম বয়সৰ বান্দৰৰ হাড়-মূৰৰ গঠন প্ৰায় একে; কেৱল ডাঙৰ হৈ যোৱাৰ লগে লগেহে বিভিন্ন হৈ যায়। গতিকে এই লাওখোলাটি বান্দৰ পোৱালিৰে নে মনুষ্য শিশুৰে তাক ঠিৰাং কৰিবৰ একো উপায় হোৱা নাই। দেখা গল যে আজি পৰ্য্যন্ত ডাৰুইনৰ মতৰ কোনো বিশ্বাসযোগ্য প্ৰমাণ পোৱা নগল। এই গল লগ্ন-জীৱৰ বিষয় শেষ অনুসন্ধানৰ ফল। এতিয়া আদিম মানুহৰ লগত বৰ্ত্তমান মানুহৰ কি সম্বন্ধ তাৰ বিষয়ে আলোচনা কৰি চোৱা যাওক।

ভূ-গৰ্ভত আদিম মানুহৰ অস্থি আৰু লাওখোলা বহুতো পোৱা গৈছে; কিন্তু সেইবিলাক, বিশেষতঃ লাওখোলাবোৰ, বৰ্ত্তমান সভ্য মানুহৰ লাওখোলাৰ লগত বহুত গুণে অমিল। যেনে, কোনোটিৰ ভ্ৰুৰ হাড় ডাঙৰ আৰু আগবঢ়া, চেলাউৰি দীঘল আৰু বহল, কপালতকৈ মুখ আগবঢ়া। কোনোটিৰ নাকৰ বিন্ধা বান্দৰৰ নিচিনা ডাঙৰ, কাণৰ বিন্ধা গৰিলাৰ সদৃশ, ডিঙিৰ আৰু মূৰৰ জোৰা বান্দৰৰ নিচিনা, ওপৰৰ আৰু তলৰ আগদাঁত মুখে মুখে পৰা। ঠুতৰি, আগদাঁত, নাকৰ হাৰ আৰু কপাল বৰ্ত্তমান সভ্য মানুহৰ নিচিনা একে সমানত নহয়, আৰু একে ৰেখাত নপৰে। এইবোৰ খোলা প্ৰায়ে য়ুৰোপ আৰু আফ্ৰিকা আদি দেশত ওলাইছে। আমাৰ ভাৰতবৰ্ষত এতিয়াও এনেকুৱা কোনো লাওখোলা ওলোৱা নাই। মৃতদেহ অগ্নিসংকাৰ প্ৰথাৰ বাবেও নোলাব পাৰে, নাইবা ভাৰতবৰ্ষ কোনো আদিম অসভ্য জাতিৰ উদ্ভৱঠাই নহবও পাৰে। এতিয়া প্ৰশ্ন হৈছে, বৰ্ত্তমান সভ্য লোকসকল এই লাওখোলা অধিকাৰীসকলৰ বংশধৰ হয় নে নহয়। কোনোৱে কয় হয়, কোনোৱে কয় নহয়। প্ৰাণীতত্ত্ববিদ্ Gustave Schwalbe-এ নহয় বুলি মন্তব্য প্ৰকাশ কৰি কয় যে আগৰ জাতীয় মানুহবোৰ লোপ পাইছে, আৰু বৰ্ত্তমান মানুহ অন্য এক জাতীয়। Collman ছাহাবে কয় যে হয়, বৰ্ত্তমান য়ুৰোপৰ বহুত লোক এই লাওখোলাৰ অধিকাৰীসকলৰ বংশধৰ; কাৰণ বৰ্ত্তমান বহুত য়ুৰোপীয়ৰ মূৰৰ খোলা এইবোৰ খোলাৰ সদৃশ। ইয়াৰপৰা দেখা গল যে পণ্ডিতসকলে ইয়াৰো কোনো স্থিৰ সিদ্ধান্ত কৰিব পৰা নাই। তাৰ পিছত বৰ্ত্তমান মানুহৰ পৰস্পৰৰ ভিতৰত সম্বন্ধৰ বিষয় আলোচনা কৰি চোৱা যক।

কোনো কোনো পণ্ডিতে মানুহশ্ৰেণীক এক বংশোদ্ভৱ (monogenist) বোলে, আৰু কিছুমানে বিভিন্ন বংশোদ্ভৱ (polygenist) বুলি কয়। এই শ্ৰেণীৰ এজন পণ্ডিতে এনেকুৱা যাঠী প্ৰকাৰ বিভিন্ন বংশৰ বোলে গুং পাইছে। প্ৰথম দলে কয় যে নিয়ণ্ডা উপত্যকাত পোৱা লাওখোলা বৰ্ত্তমান অষ্ট্ৰেলীয়াৰ ক'লা মানুহবিলাকৰ লাওখোলাৰ সদৃশ, আৰু এই অষ্ট্ৰেলীয়ানবোৰৰ লগত বৰ্ত্তমান য়ুৰোপীয়সকলৰ হেনো বাহ্যিক বহুতো সাদৃশ্য আছে। গতিকে প্ৰায়বোৰ সভ্য অসভ্য মানুহ এক বংশোদ্ভৱ। কেৱল বিভিন্ন স্থান আৰু বতাহ-পানীৰ (milien) গতিকে আৰু পুৰুষানুক্ৰমে ক্ৰমবিকাশৰ অভিব্যক্তিৰদ্বাৰা মানুহবোৰ বিভিন্ন লক্ষণাক্ৰান্ত হৈছে। নিজ শ্ৰেণীৰ ভিতৰতে বিয়া আদিয়েও ইয়াক সহায় কৰিছে। কোনো কোনো জাতি যে এতিয়াও আদিম অৱস্থাতে আছে, ই কেৱল সিহঁত বাকী মানুহবিলাকৰপৰা বিচ্ছিন্ন থকাৰ কাৰণ; নাইবা বাহ্যপ্ৰকৃতিৰ প্ৰতিকূলতাৰ বাবে বিকাশহীন অৱস্থা সিহঁতৰ স্বাভাৱিক হৈ পৰিছে বুলি।

Polygenist-দলে কয় যে বৰ্ত্তমান য়ুৰোপীয়, কাফ্ৰি, চীনা আদি পৰস্পৰৰ মস্তকৰ গঠন, গাত্ৰৰ বৰণ, মূৰৰ চুলি, অঙ্গ-প্ৰত্যঙ্গৰ লক্ষণ আৰু মুখৰ আকৃতি ইমান পৃথক পৃথক যে এইবোৰ আটায়ে এক পিতাৰ সন্তান হবই নোৱাৰে। গতিকে দেখা গল, ইয়াতো পণ্ডিতসকল একমত হব পৰা নাই।

আমাৰো শেষোক্ত দলৰ মতটিহে ন্যায়সঙ্গত যেন লাগে। Polygenist-সকলে কোৱা মতে কোনো এখন নিৰ্দ্দিষ্ট ঠাইত সকলো মানুহৰে আদি দম্পতি বা দম্পতিসকল উদ্ভৱ হোৱা নাই বুলি আমাৰ বিশ্বাস। পৃথিবীত বৰ্ত্তমান যিবোৰ শাৰীৰিক গঠনত, ভাষাত, আৰু আচৰণত সম্পূৰ্ণ বিভিন্নতা থকা মুখ্য মুখ্য মানৱ শ্ৰেণী জীৱ দেখিবলৈ পোৱা যায়, সেই সকলোবিলাক বিভিন্ন জীৱৰ আদি দম্পতি বা দম্পতিসকলৰ প্ৰকাশ ঠাই যে বিভিন্নতাত কোনো সন্দেহ নাই যেন লাগে; আৰু হয়তো প্ৰকাশ কালো বিভিন্ন আছিল। পৃথিৱীৰ জীৱবিলাক দুই ৰকমে উদ্ভৱ হোৱা বুলি অনুমান কৰিব পাৰি। হয় পৰমেশ্বৰে শূন্যৰপৰা হঠাৎ প্ৰাণী কিছুমান আৱিৰ্ভূত কৰাই দিলে, নাইবা এই পৃথিৱীৰ মাটি আৰু পানীৰ পৰাই ক্ৰমে ক্ৰমে প্ৰাণী উদ্ভৱ হল। ইয়াৰ প্ৰথম অনুমানটি বৰ্ত্তমান বৈজ্ঞানিক যুগত কোনেও বিশ্বাস নকৰে। দ্বিতীয়টিকে একমাত্ৰ সত্য বুলি ধৰি লব লাগিব।

পৃথিৱীখন টোপোৰা (round like a cannon ball or a drop of water) আৰু তাৰ ওপৰভাগ একেৰকম মাটি আৰু পানীৰে তৈয়াৰী। কেৱল সূৰ্য্যৰ তাপৰ কম-বেছি অনুসাৰে পণ্ডিতসকলে ওপৰভাগ ৫টি কাল্পনিক মণ্ডলত (zones) বিভক্ত কৰিছে; ইয়াৰ এটা মণ্ডলৰ বতাহ-পানী পৃথিৱীৰ সকলো ঠাইতে প্ৰায় একে। আৰু একেটা মণ্ডলৰ ভিতৰৰপৰা পৃথিৱীৰ সকলো ঠাইতে একে ৰকমৰ প্ৰাণী আৰু গছ-লতাৰ অস্তিত্ব দেখিবলৈ পোৱা যায়। যেনে, ভালুক বান্দৰ আদি প্ৰাণী; গোমধান আদি উদ্ভিদ এছিয়া, য়ুৰোপ, আমেৰিকা আৰু আফ্ৰিকাৰ একে মণ্ডলত পৰা সকলো ঠাইতে আছে। এতেকে আদিতে পৃথিৱীৰ যি মণ্ডলতে প্ৰাণীৰ উদ্ভৱ হৈছিল সেই মণ্ডলৰ ভিতৰত পৰা পৃথিৱী ব্যাপি সকলো ঠাইতে প্ৰাণী উদ্ভৱৰ অনুকূল নহবৰ একো কাৰণ নাছিল। এনেকুৱা অনুকূল ঠাইৰ মোটে কোনো এভাগতহে প্ৰাণীৰ উদ্ভৱ হৈছিল বোলাটো বৰ অযৌক্তিক কথা হৈ নপৰেনে? আটাইবোৰ ঠাইতে নহলেও অন্ততঃ কেইবাখনো ঠাইত যে প্ৰাণীৰ উদ্ভৱ হৈছিল তাক ডাঠি কব পাৰি। গতিকে মানুহ জীৱও পৃথিৱীৰ কোনো একোটি নিৰ্দ্দিষ্ট ঠাইত উদ্ভৱ নহৈ কেবা ঠাইতো স্বাধীনভাৱে উদ্ভৱ হৈছিল বোলাত একো ভুল নহব পায়।

প্ৰথম মানুহ জীৱ উত্তৰ নাতিশীতোষ্ণ (North Temperate Zone) মণ্ডলত আৰু দক্ষিণভাগ উষ্ণ মণ্ডলত (South Torrid Zone) উদ্ভৱ হৈছিল বুলি অনুমান হয়। উত্তৰ নাতিশীতোষ্ণ মণ্ডলত তিনিখন পৃথক পৃথক ঠাইত যেনে তিব্বত, কাস্পীয়ান, ইৰেণীয়া আৰু স্বুইৎজাৰলেণ্ড; দক্ষিণ উষ্ণ মণ্ডলত তেনেকৈ তিনি ঠাইত আমেৰিকা, আফ্ৰিকা আৰু অষ্ট্ৰেলীয়াৰ সেই মণ্ডলৰ ভিতৰত পৰা ঠাইত প্ৰথম মানুহ শ্ৰেণী জীৱৰ উদ্ভৱ হৈছিল বুলি অনুমান হয়। তিব্বতৰপৰা বঢ়া বৰ্ত্তমান তিব্বতীয় মঙ্গোলীয়, পূৰ্ব্বকচীয়, চীনা, জাপানী, আৰু আসামৰ দাঁতি-কাষৰীয়া জাতিৰ লগতে বৰ্ম্মা, আৰাকাণ আৰু মণিপুৰ আদি দেশৰ সকলো মগ জাতীয় লোক। কাস্পীয়ান ইৰাণৰ পৰা বঢ়া হিন্দু, পাঠান, আৰমেনীয়ান, ইৰাণ, আৰব, তুৰ্কি, মিচৰীয়া আদি। সেইৰকমে স্বুইৎজাৰলেণ্ডৰপৰা বঢ়া প্ৰায় সমস্ত য়ুৰোপীয় আৰু আমেৰিকাৰ যুক্তৰাজ্য কানাডা আদিৰ শ্বেতাঙ্গ লোকসকল। দক্ষিণ উষ্ণ মণ্ডলৰ অষ্ট্ৰেলীয়া কাফ্ৰি আৰু ৰেড্ইণ্ডিয়ানবোৰ যথাক্ৰমে অষ্ট্ৰেলীয়া, আফ্ৰিকা আৰু আমেৰিকাৰ আদিম অধিবাসীবিলাকৰ বংশধৰ। এতিয়া এটা প্ৰশ্ন হব পাৰে যে যদি পৃথিৱীৰ সকলো জাতিৰ

উৎপত্তি মৌলিক, তেন্তে পৌৰাণিক যুগত আৰু বৰ্ত্তমানত কোনো কোনো জাতি সকলোফালে বহু উন্নতি কৰি সভ্য হৈছিল আৰু হৈছে, কিন্তু কোনো কোনো জাতি এতিয়াও কিয় আদিম নাইবা তাৰ ওচৰা-ওচৰি অৱস্থাতে আছে। ইয়াৰ উত্তৰত বহুতে কয়, আৰু বৰ্ত্তমানত ই এটা মত আৰু বিশ্বাস, যে সভ্য মানুহৰ মগজুৰ আয়তন অসভ্য মানুহৰ মগজুৰ আয়তনতকৈ ডাঙৰ, আৰু সেইগুণে সভ্যবোৰ বেছি বুদ্ধিমান আৰু অসভ্যবোৰ তেনে নহয়। অৰ্থাৎ বুদ্ধিৰ ওজন অনুসাৰে সভ্য অসভ্য নিৰ্দ্ধাৰিত হয়, আৰু এই বিশ্বাসতে ভৰ দি য়ুৰোপীয় পণ্ডিতসকলে নানা ভ্ৰান্ত মত প্ৰচাৰ কৰিছে যেন দেখা যায়। উদাহৰণ যথা, তেওঁলোকে কয় যে অষ্ট্ৰেলীয়াৰ অসভ্যবিলাক আৰু য়ুৰোপীয়সকল এক বংশীয়, কাৰণ অষ্ট্ৰেলীয়াৰ অধিবাসীবিলাকৰ বহুতে স্কুল-কলেজত অতি বুদ্ধিমান য়ুৰোপীয়সকলকো বুদ্ধিত চেৰ পেলাইছে। এতেকে ইহঁত কেতিয়াও অসভ্য হব নোৱাৰে: সিহঁত য়ুৰোপৰপৰা কিবা প্ৰকাৰে বিচ্ছিন্ন হৈ যোৱা মানুহৰ বংশ-পৰিয়াল হে। আমি কিন্তু কব খোজো, ই ভুল। সভ্য মানুহৰ মগজুৰ আয়তন অসভ্য মানুহৰ আয়তনতকৈ সকলো সময়তে ডাঙৰ নহয়। ইংৰাজ এজনৰ মগজুৰ আয়তন ১৪৫০ কিউবিক ছেণ্টিমিটাৰ (1450 c. c.) কিন্তু নিয়গুা উপত্যকাত পোৱা বান্দৰৰ লেখীয়া খোলাৰ মগজুৰ আয়তন ১৬০০ ছি, ছি; কোম-চেপেলৰ খোলাৰ মগজুৰ আয়তন ১৪৪০ ছি, ছি। টিলবাৰিত পোৱা মগজুৰ আয়তন ১৫০০ ছি ছি। এইবিলাক আটাইবোৰ মানুহ বৰ্ত্তমান ইংৰাজতকৈ অসভ্য আছিল। এতিয়াও বৰ্ত্তমান বহুত অসভ্য জাতিৰ ভিতৰত পৰীক্ষা কৰিলে বহুতো ডাঙৰ মগজুৰ মানুহ ওলাব পাৰে। এতিয়া প্ৰশ্ন হব পাৰে যে যদি মগজুৰ বিশেষ তাৰতম্য নাই, তেন্তে উন্নতিৰ পথত বিভিন্ন জাতিৰ কিয় ইমান তাৰতম্য দেখা যায়। ইয়াৰ উত্তৰত কব পাৰি যে কেৱল মগজু থাকিলেই নহয়, মগজুৰ পৰিচালনাৰ লগেলগেহে বুদ্ধি উৎকৰ্ষ আৰু স্ফুৰিত হয়। কোনো অসভ্য জাতিয়ে সুবিধা পালে আন কোনো সভ্য জাতিৰ সমকক্ষ হৈ দেখুৱাব পাৰে আৰু ব্যক্তিগতভাৱে বহুত দেখুৱাইছে। ই দেশৰ ৰাজনৈতিক, সামাজিক আৰু প্ৰাকৃতিক অৱস্থাৰ ওপৰত বিশেষকৈ নিৰ্ভৰ কৰে। পুনৰ এটি প্ৰশ্ন উঠে যে সকলো জাতি আদিতে একে সময়তে সভ্যতাৰ বাটত আগবাঢ়িব নোৱাৰিলে কিয়? তাৰ উত্তৰ ওপৰত আংশিকৰূপে দি অহা হৈছে। বাকী উত্তৰ এই যে যদিও সকলোবোৰ মানুহ উত্তৰৰ স্থান সাধাৰণতঃ আৰু মূলতঃ একে অৱস্থাৰ, তথাচ কোনো কোনো স্থান পাৰিপাৰ্শ্বিক অৱস্থা বিশেষে আৰু সময় বিশেষে স্বতঃ-বুদ্ধি বিকাশৰ অনুকূল হৈ পৰে। এইবিলাক স্থানৰ লোকসকল সভ্যতাৰ বাটত আগৰণুৱা হয়। মিচৰ পৰ্য্যন্ত বিস্তৃত আমাৰ এই ভাৰতবৰ্ষই তেনেকুৱা স্থানবিলাকৰ ভিতৰত অগ্ৰগণ্য আছিল বুলি অনুমান হয়। কিয়নো এই ভাৰততে পোনপ্ৰথমতে স্বাধীন-চিন্তাৰ বিকাশ হয়, আৰু ইয়াৰ পৰাই স্বাধীন চিন্তাৰ প্ৰবাহ দেশ-বিদেশলৈ বৈ গৈ সমস্ত এছিয়া য়ুৰোপৰ স্থিতি প্ৰবল সমাজত স্বাধীন ভাৱ আৰু উন্নতিৰ বাঞ্ছা যোগাই দি সেইবোৰ সমাজক উন্নতিৰ পথত আগবঢ়াই দিছিল। দিব্যদৰ্শী ঋষিসকলৰ ঋক্, উপনিষদ, বেদান্তৰ মত মিচৰ, গ্ৰীক, ৰোমত প্ৰচাৰিত হোৱাত সেইবোৰ দেশ সভ্যতাৰ বাটত উধাব পাৰিছিল। বুদ্ধদেৱৰ মহাবাণীৰ অমৃত ধাৰা চীন, তিব্বত, জাপান আদিত বিস্তৃত হৈ সেইবোৰ দেশৰ মগসকলক উন্নত কৰিছিল। সৰশেষত মহাপ্ৰাণ ইচ্ছাই এই ভাৰততে লব্ধ হিন্দু আৰু বৌদ্ধ জ্ঞানৰ বন্তিৰে সমস্ত য়ুৰোপ পোহৰাই দিলে, যি পোহৰত আজি পৃথিবীৰ নানান অসভ্য জাতিয়েও অজ্ঞান আন্ধাৰৰপৰা মুক্ত হৈ সভ্যতাৰ বাটত দোপক দোপে আগবাঢ়িছে। হে ভাৰতবৰিষ, হে প্ৰথম জ্ঞান-বিকাশৰ পবিত্ৰ ভূমি, হে বেদজ্ঞান দ্ৰষ্টা ঋষিসকলৰ জন্মদাতৃ, "দেৱৰো বাঞ্চিত ভাৰত বৰিষ", তোমাৰ অক্ষয় জ্ঞান-বন্তিৰ পোহৰৰপৰা যেন জগতক কেতিয়াও বঞ্চিত নকৰা।

শ্ৰীহৰিনাথ পাঠক চৌধাৰী

---

# মহাৰাজ ৰাজেশ্বৰ সিংহ স্বৰ্গদেৱ

## ৬ষ্ঠ অধ্যায়

### লতাকটা বণ

মণিপুৰৰ ৰজা জয়সিংহ স্বৰ্গদেৱৰ আজ্ঞাৰ কাৰণে নিজ ৰাহৰত বাট চাই আছে। কছাৰী ৰজা আৰু মণিপুৰৰ ৰজাৰ মন ভাল লগাবলৈ "ৰাৱণবধ ভাৱনা" পতা হৈছিল, কীৰ্ত্তিচন্দ্ৰৰ পুতেক নকৈ হোৱা ডেকাবৰবৰুৱা এই ভাৱনাৰ ওস্তাজ হৈছিল; আৰু, ভুশ মানুহে এই ভাৱনাত ভাও দিছিল। এই ভাৱনাৰপৰা কীৰ্ত্তিমন্ত কীৰ্ত্তিচন্দ্ৰ বৰবৰুৱাই চ'ৰাৰ ফকামৰ খুটাত বহিবলৈ পালে, আৰু বৰফুকনক মুখ্য কৰি ফুকনসকল ভাৱনাঘৰত বহিছিল। অসমীয়া ভাৱৰীয়াই কৰা "ৰাৱণবধ নাট"ৰ অভিনয় দেখি দুয়ো ৰজাই বৰ বিস্ময় পালে।

এনেতে বৰবৰুৱাই স্বৰ্গদেৱলৈ জনাই পঠিয়ালে,—"এই মণিপুৰীয়া ৰজা ব্ৰহ্মা ৰজাৰ খেদাত আহি স্বৰ্গদেৱত শৰণাপন্ন হৈছেহি। শৰণাগতক এৰিব নাপায় বুলি শাস্ত্ৰেও কৈছে, এতেকে সেই মণিপুৰ দেশত ৰজাক সংস্থাপন কৰি থলে স্বৰ্গদেৱৰ যশ ধৰ্ম্ম দুয়ো হয়।"

স্বৰ্গদেৱে ইয়াকে শুনি সমিধান দিলে,—"ভাল, বৰুৱাই যে জনাইছে, তিনিজনা ডাঙৰীয়াকো অনাওক, ডাঙৰীয়াবোৰতো সোধা হওক।" স্বৰ্গদেৱে তিনিজনা ডাঙৰীয়া আৰু বৰবৰুৱাক চাঙলৈ নি পৰামৰ্শ কৰিবলৈ ধৰিলে।

স্বৰ্গদেৱে কলে,—"এই মণিপুৰীয়া ৰজাই ব্ৰহ্মাৰ খেদাত আহি কছাৰীত আছেহি, তাৰেপৰা আমাৰ বৰুৱাৰদ্বাৰা শৰণাপন্ন হৈছেহি; এতেকে মণিপুৰীয়া ৰজাক স্বদেশত সংস্থাপন কৰিবলৈ কাৰ মনে কি ছোৱে?"

ডাঙৰীয়াসকলে কলে,—"মণিপুৰীয়া ৰজাক স্বদেশত সংস্থাপন কৰিলে স্বৰ্গদেৱৰ যশ ধৰ্ম্ম কীৰ্ত্তি দেশদেশান্তৰে খ্যাতি হব।"

স্বৰ্গদেৱে কলে,—"বৰবৰুৱাই মানুহ, আহলা-পাতি, খাৰ-বাৰুদ গুৱাহটীয়া, গড়গঞাসকলৰো দোৱান মানুহ তুলিবলৈ আজ্ঞা কৰক।"

বৰবৰুৱাই কলে,—"স্বৰ্গদেৱে যি আজ্ঞা কৰিছে, স্বৰ্গদেৱৰ পুণ্য প্ৰতাপৰ বলেহে সকলো হয়, আমি বন্দী-বেটাৰপৰা কোনখান হব?"

এই কথা শুনি স্বৰ্গদেৱে ডাঙৰীয়াসকলক তামোল-পানৰ বটা দিব দিলে, বৰবৰুৱাকো তামোল-পান দিলে। বৰবৰুৱাই মুৰৰ চাছটি পাতি তাক গ্ৰহণ কৰিলে, আৰু স্বৰ্গদেৱক সেৱা কৰিলে। এইৰূপে ডাঙৰীয়া তিনিজনা আৰু বৰবৰুৱা ৰজাৰ চাঙৰপৰা ওলাই আহিল।

বৰবৰুৱাই স্বৰ্গদেৱৰ আজ্ঞাৰে মানুহ-দুনুহ আহিলা-পাতি খাৰ-বাৰুদ, অস্ত্ৰ-শস্ত্ৰ সকলো তিয়াৰ কৰিলে, আৰু গড়গঞা গুৱাহটীয়া সকলোকে কাতি মাহত দোৱাল মানুহ তুলিবলৈ আজ্ঞা কৰিলে। বৰবৰুৱাৰ দিহামতে আহিলা-পাতি সকলো তিয়াৰ হল। আঘোণত স্বৰ্গদেৱে এদাবৰীয়া বাহৰ সন্দিকৈৰ ডেকাফুকন, আৰু নাহৰৰ বাহৰ ভিতৰুৱাল ফুকনৰ সেনাপতি হবলৈ আদেশ কৰিলে। ডেকাফুকন নৰীয়া পৰাত তেওঁক ভাঙি স্বৰ্গদেৱে গজপুৰীয়া হাতীবৰুৱাৰ বাহৰ এজনক ডেকাফুকন পাতিলে। ভিতৰুৱাল ফুকনেও পেটবলে যাব নোৱৰা হোৱাত তেওঁক ভাঙি ৰজাদেৱে দুৱৰাৰ ঘৰৰ বৰফুকনৰ দুলীয়া ফুকনক সুনীয়া হেংদান এখন খিলাট দি সকলোৰে ওপৰত সেনাপতি ফুকন পাতিলে। এওঁৰ নাম হৰনাথ ভিতৰুৱাল ফুকন, আৰু এওঁ মান অনা খিণাই বদনচন্দ্ৰ বৰফুকনৰ পিতৃদেৱ। হৰনাথ ফুকনে পাছলৈ মোৱামৰীয়া যুদ্ধত কেবাবাৰো লিপ্ত থাকি অপৰিসীম বীৰত্বৰ পৰিচয় দিছিল, অৱশেষত এওঁ ভাটীৰ বৰফুকন হয়গৈ। বৰফুকন হৈ থাকোতে তেওঁ গৌৰীনাথ সিংহ ৰজাৰ দিনত দেশত উৎপাত অমঙ্গল শাম কাটিবলৈ তাহানি সুবৰ্ণ ৰজাৰ দৰে কামাখ্যাত স্বদেশৰ হিতাৰ্থে লক্ষবলিৰ ব্যৱস্থা কৰিছিল। সেনাপতি ফুকন বুলিলে বহুত দিনলৈকে অসমত হৰনাথ সেনাপতি ফুকনকহে বুজাইছিল।

সেনাপতি ফুকনৰ লগত বিস্তৰ সৈন্য যোৱাৰ বন্দবস্ত হল, প্ৰায় দুকুৰি হেজাৰ অসমীয়া সৈন্য লৈ হৰনাথ সেনাপতি ফুকনে মণিপুৰীয়া ৰজা জয়সিংহক স্বদেশত সংস্থাপন কৰিবলৈ যাত্ৰা কৰিলে। ডাগিয়ে ডাগিয়ে এই বিস্তৰ সৈন্যক ভাগ কৰা হল, আৰু ভাগে ভাগে দুৱলীয়া ফুকন ৰাজখোৱাক পালী সেনাপতি পতা হল।

## জয়সিংহ বিদায়

ৰাজেশ্বৰসিংহ স্বৰ্গদেৱে সোণাই নৈৰ বাহৰত বৰ-চৰাত থাকি এই বিপুল সৈন্যবাহিনী আৰু মণিপুৰীয়া ৰজাক নিজে বিদায় দিবৰ অভিপ্ৰায় কৰিলে। বৰবৰুৱা তিনিজনা ডাঙৰীয়া আদি পাত্ৰ-মন্ত্ৰীসকল এই বাহৰলৈ আহিল।

সোণাই নৈৰ বাহৰৰপৰা মণিপুৰীয়া ৰজা আৰু অসমীয়া সৈন্য-সামন্তক বিদায় দিবৰ আয়োজন হল। বিদায় কালত মণিপুৰীয়া ৰজাক উপদেশ দিবলৈ স্বৰ্গদেৱে ডাঙৰীয়াসকলক আদেশ কৰিলে।

ৰজাৰ আদেশমতে লেচেঙ্গিয়াল বৰপাত্ৰ গোহাঁই ডাঙৰীয়াই কবলৈ ধৰিলে,—"মণিপুৰীয়া ৰজা, তোমাৰ দেশৰাজ্য ব্ৰহ্মাই লৈছেহি, তুমি সি দেশত ৰক্ষা নাপাই কছাৰী ৰাজ্যত বলাহি, তাৰেপৰা বৰুৱাৰদ্বাৰা স্বৰ্গদেৱলৈ জনালা, পৰে স্বৰ্গদেৱক পঠাই খাচম্পুৰৰপৰা তোমাক অনালে, তুমিও স্বৰ্গদেৱৰ শৰণাপন্ন হলাহি। স্বৰ্গদেৱে তোমাক ডাঙৰৰূপে অনুগ্ৰহ কৰি স্বদেশত সংস্থাপন কৰিবৰ নিমিত্তে অনেক সৈন্য-সেনা বন্দী-বেটী দিছে। তুমিও আপোনাৰ দেশ পাই পুৰাতন মন্ত্ৰীসকলক চপাই লবা। যদি কোনো মনুষ্যৰপৰা অপকাৰ পাইছা, তাকো কাৰ্য্যত অৱলম্বন কৰি ক্ষমা দি চপাই লবা। আৰু স্বৰ্গদেৱে বিশেষ আজ্ঞা কৰিছে, তোমাক ঈশ্বৰ-ঈশ্বৰীয়ে অনুগ্ৰহ কৰিব, দেশকো পাবা, কিন্তু দেশ পাই স্বৰ্গদেৱলৈ বিস্মৰণ নহবা। স্বৰ্গদেৱলৈ বৰবৰুৱাক ভাৰ কৰি উকীল পত্ৰ পঠাই কুশল-মঙ্গল আদি বাৰ্ত্তা বুজিবা।"

বৰপাত্ৰ গোহাঁই ডাঙৰীয়াৰ পাছত অন্যান্য ডাঙৰীয়া বৰুৱা ফুকনে তাৰতম্যৰূপে মণিপুৰীয়া ৰজাক উপদেশ দিলে। তাৰ উত্তৰত জয়সিংহ কৰ্ত্তা মহাৰাজে কলে,—"আমাত যি কৈছে উত্তম কৈছে, আমাৰ ৰাজ্য নাশ, বনবাস, এই কথা আমাতে মিলিছে। আৰু কোনো গৃহস্থে আম্ৰবৃক্ষ ৰোপন কৰে, তাকেই জলক্ষেপন কৰে, বৃদ্ধিৰ কাৰণে যদি দৈৱাৎ ফল নধৰে, সেই বৃক্ষক আনি গৃহস্থে কোনো কাৰ্য্যত নিয়োজন কৰে, এতেকে মোৰপৰা কোন কাৰ্য্য হব? তথাপি বৰুৱা মোৰ পিতা হৈছে, স্বৰ্গদেৱ মোৰ সম্বন্ধি ঈশ্বৰপ্ৰায় হৈছে। মোক সংস্থাপন কৰিলে স্বৰ্গদেৱৰ যশধৰ্ম্ম, চন্দ্ৰসূৰ্য্য যেনেৰূপে প্ৰকাশ কৰিছে, সেইৰূপে ভূমণ্ডলত প্ৰকাশ থাকিব।"

জয়সিংহ ৰজাৰ বিনয়পূৰ্ণ উত্তৰ শুনি স্বৰ্গদেৱৰ পাত্ৰ-মন্ত্ৰীসকলোৱে পৰম সন্তোষ পালে। তাৰ পাছত বৰপাত্ৰ গোহাঁই ডাঙৰীয়াই দুৱৰাৰ ঘৰৰ পুৰনাথ সেনাপতি ফুকনক কলে,—"ফুকন, তুমি দুৱৰাৰ ঘৰৰ লৰা, প্ৰাচীন, এদিনীয়া নোহোৱা; এতেকে তোমাক স্বৰ্গদেৱে এই মণিপুৰীয়া ৰজাক মণিপুৰ ৰাজ্যত সংস্থাপন কৰিবৰ নিমিত্তে বিশেষ আজ্ঞা কৰিছে, আৰু স্বৰ্গদেৱৰ অনেক বন্দী-বেটী দিছে, আহিলা-পাতিও দিছে; এতেকে তুমিও এই সৈন্য-সেনা সমন্বিতে পথে-প্ৰবাসে দুখ নোপোৱাকৈ, হানি নোহোৱাকৈ যাবা; মণিপুৰ দেশ পাই তুমি উপায়-মন্ত্ৰণাৰে যুদ্ধেৰে বা যিৰূপে হক এই মণিপুৰীয়া ৰজাক স্বদেশত সংস্থাপন কৰিব পাৰিবা, তাকে প্ৰাণপৰিশ্ৰমে চিন্তিবা।"

তাৰ পাছত স্বৰ্গদেৱৰ আজ্ঞা অনুসাৰে বৰবৰুৱাই সেনাপতি ফুকনক যথাৰীতি উপদেশ-মন্ত্ৰণা দিলে। তাৰ উত্তৰত সেনাপতি ফুকনে কলে,—"স্বৰ্গদেৱে যিৰূপে আজ্ঞা কৰিছে, ডাঙৰীয়াসকলে যিৰূপে শিকাইছে, আৰু বৰবৰুৱা ককায়ে যি শিকাইছে, যুক্তিৰে শিকাইছে তথাপি মোৰপৰা কোন কাৰ্য্য হব? ঈশ্বৰ-ঈশ্বৰীৰ অনুগ্ৰহত স্বৰ্গদেৱৰ পুণ্যপ্ৰতাপৰ বলে যি হয় সেয়েহে হব। এতেকে মই কি প্ৰাৰ্থনা কৰিম? স্বৰ্গদেৱে আশীৰ্ব্বাদ কৰিব, দেওবোৰকেও আশীৰ্ব্বাদ কৰিব, তেহে সকলো কাৰ্য্য সিদ্ধি হব।"



## আপদীয়া মণিপুৰ যাত্ৰা

আগৰ দিনত আমাৰ অসমৰ মানুহে ৰঙাচকিৰপৰা কছাৰী ৰাজ্যত সোমাই মগলু ৰাজ্যলৈ সাধাৰণতঃ অহা-যোৱা কৰিছিল। উজনীৰপৰা এই বাটেদি মণিপুৰলৈ ভালেমান দিন লাগিছিল; কিন্তু "সু-বাট দূৰ-গমন" এই কথাষাৰ মনত ৰাখি এই বাটকে অসমীয়া মানুহে বেছিভাগ অৱলম্বন কৰিছিল। অতি-সোণকালে মণিপুৰ পাবলৈ হলে মৰঙ্গীয়েদি সোমাই ধনশিৰী-দৈয়াঙ্গ নদীৰ কাষে কাষে নগাপাহাৰৰ মাজে মাজে হাবি-বননি কাটি মণিপুৰলৈ যোৱা এটা বাট উলিয়াবৰ সম্ভাৱনা আছিল। জয়সিংহ ৰজাই প্ৰায় দুবছৰ কাল অসমত প্ৰবাস খাটিছিল, ইতিমধ্যে তেওঁৰ ৰাজ্যত কিবা বিভ্ৰাট ঘটিছে বুলি শঙ্কা কৰি অতি শীঘ্ৰে মণিপুৰ পাবৰ কাৰণে এই দুৰ্গম বাটেদি নিজ ৰাজ্যলৈ অসমীয়া সৈন্য পঠাবৰ কাৰণে আমাৰ স্বৰ্গদেৱক খাটিলে। এই বাটেদি গলে ইমান বিস্তৰ অসমীয়া সৈন্যৰ অমঙ্গল হব পাৰে বুলি স্বৰ্গদেৱে স্বাভাৱিকতে আশঙ্কা কৰিছিল। সেই সময়ত জপৰজানৰ বাহৰ বৰছেটীয়া মৰঙ্গীখোৱা গোহাঁই আছিল। স্বৰ্গদেৱে মৰঙ্গীখোৱা গোহাঁইক মৰঙ্গীয়েদি মণিপুৰলৈ যোৱা এই দুৰ্গম বাটৰ কথা সোধাত গোহাঁয়ে একো সমিধান দিব নোৱৰাত স্বৰ্গদেৱে তেওঁক বিষয়ৰ পৰা ভাঙ্গিলে।

কিন্তু জয়সিংহ মণিপুৰীয়া ৰজাই স্বৰ্গদেৱক ডাঠি কলে যে তেওঁ এই জয়াৰ হাবিয়লীয়া বাটৰ উৰাদিহ উলিয়াই দিব পাৰিব। তেওঁৰ কথাত ভিৰ দি স্বৰ্গদেৱে হৰনাথ সেনাপতি ফুকনক এই বাটেদি মণিপুৰলৈ সেনা নিবলৈ আদেশ দিলে। এই অভিযানত আমাৰ অসংখ্য অসমীয়া সেনা আৰু সেনাপতিৰ কুশল-মঙ্গল নিৰ্ভৰ কৰিছিল। সেইদেখি তেওঁলোকক বিদায় দিবলৈ স্বৰ্গদেৱে পাত্ৰমন্ত্ৰীৰে সৈতে সোণাই নৈৰ বাহৰলৈকে আগবাঢ়ি আহিল।

হৰনাথ সেনাপতি ফুকনে ধনশিৰী দৈয়াং এই দুই নদীৰ মুখে সোমাই যাবলৈ ধৰিলে। বাট দুৰ্গম, সেই বাটেদি আমাৰ মানুহৰ চলাচল নাই; আমাৰ সেনাই হাবি-বননি, গছ-লতা, কাঁইট-বিৰিণা ধ্বংস কৰি বাট মোকোলাই যাব লগাত পৰিল। কিন্তু এইদৰে কুষজেলেকুৱাৰ নিচিনাকৈ কইনা খোজত বিস্তৰ অসমীয়া সেনাই কিমান আগবাঢ়িব পাৰে? বাটত সৈন্যক পকৰাই পালে, দিহ-মোহ হৈ সৈন্যই বাট বিচাৰি হাবি-অৰণ্য চলাথ কৰি ফুৰিবলৈ ধৰিলে। সৈন্যৰ মাজত মহা বিভ্ৰাট উপস্থিত হল; ঘূৰিপকি সৈন্য আহি আকৌ একে ঠাইতে পৰেহি, অকণো আগবাঢ়িব নোৱাৰে। বাট-পথ হেৰুৱাই আমাৰ সৈন্য-সেনা মহা বিপাঙ্গত পৰিল।

আমাৰ সেনাক যিবোৰ ৰছদ পাতি খোৱা-লোৱাৰ আহিলা-সম্বল যোগোৱাৰ বন্দবস্ত আছিল, সেই চাউল-সমলীয়াবোৰেও বাট চিনি নেপাই সেনাবোৰক খোৱাক দিব নোৱাৰিলে। ওচৰ-চুবুৰীয়া পৰ্ব্বতীয়া নগাৰপৰা যি চাউল কিনা হল, তাৰো দাম জুই-ছাই!—টেমীমুৰৰ জোখৰ চাউলৰ দাম ৰূপ এটকা হল। নগাই পথ-ভেটি আমাৰ মানুহক কাটিবলৈ ধৰিলে। বিশেষতঃ সিহঁতে চাউল-যোগোৱা মানুহক কাটি চাউল লুৰি লৈ যোৱাত আমাৰ সেনাবোৰ মহা অৰণ্যৰ মাজত অনাহাৰে থাকি এটি এটিকৈ মৰিবলৈ ধৰিলে। যিবিলাক জীয়াই থাকিল, খাবলৈ নেপাই ভোক-লঘোনত সিহঁতৰ আঁঠুৰ মূৰ ডাঙৰ হল, পানীৰ অভাৱত আমাৰ মানুহে বনকলৰ ৰসকে পানী বুলি খাইছিল। অনেক মানুহ জ্বৰ-গ্ৰহণীত পৰি খাস্তাং হল, সাপ-খকৱাই খাই আমাৰ বিস্তৰ মানুহ মৰিলে; এইদৰে আমাৰ অসংখ্য সেনাৰ ভিতৰত অতি কম পৰিমাণ হে জীয়াই থাকিল।

জয়সিংহ ৰজাই সাহ দি এই দুৰ্গম বাটেদি আমাৰ সৈন্যক লৈ গৈছিল, কিন্তু হাবিত সোমাই তেওঁকো মূৰকত মোৰে পালে, বাটৰ ভু হেৰাই আমাৰ সেনাক সমূলি সহায় কৰিব নোৱাৰিলে। হৰনাথ ফুকনে দেখিলে, এইদৰে অৰণ্য মহতিয়াই মণিপুৰলৈ নতুন বাট উলিয়াই যাবলৈ হলে এযুগ কাল লাগিব। তেওঁ লগত যোৱা জয়সিংহ ৰজা আৰু পালী সেনাপতিসকলৰে সৈতে পৰামৰ্শ কৰি স্বৰ্গদেৱক জনাবৰ কাৰণে বৰবৰুৱা গৈ মানুহৰ মুখে সকলো বৃত্তান্ত কৈ পঠিয়ালে, বোলে,—

"আমাৰ সৈন্যৰ বিলৈ নোহোৱা হল, নগাই ধৰি ভালেমান মানুহ কাটিলে, অন্নবো বিকল হৈছে, জ্বৰ-গ্ৰহণীত পৰি বিস্তৰ মানুহ মৰিল।"

বৰবৰুৱাই এই কথা শুনি তুৰন্তে স্বৰ্গদেৱলৈ জনালে। স্বৰ্গদেৱে আজ্ঞা দিলে, আমাৰ মানুহ যি বাচিছে সিহঁতক তুৰন্তে ঘূঁৰি অনা হওক। কিন্তু বৰবৰুৱাই স্বৰ্গদেৱৰ আজ্ঞা লুকুৱাই ৰাখি সেনাপতি ফুকনলৈ কৈ পঠিয়ালে, বোলে হাবি-বননি কাটি যি পাৰে আগৰ দৰে আগবাঢ়ক। এইদৰে ছমাহ কাল গল। আমাৰ সেনা হাবিৰ মাজতে এটি-এটিকৈ মৰিবলৈ ধৰিলে। সিহঁতৰ অমঙ্গলৰ কথা আকৌ স্বৰ্গদেৱৰ কাণত পৰিল। আগৰ আজ্ঞা পালন নকৰাৰ নিমিত্তে বৰবৰুৱাৰ ওপৰত স্বৰ্গদেৱ বিষম কষ্ট হল, আৰু এইবাৰ ডাঠি আদেশ দিলে, বোলে, আমাৰ মানুহবোৰ যেনে আছে তেনে দেশলৈ উভটি আহিব লাগে।

স্বৰ্গদেৱৰ আজ্ঞা শুনি হৰনাথে সেনাপতি ফুকনে তেওঁৰ অৱশিষ্ট সৈন্য লৈ দেশলৈ যাত্ৰা কৰিলে। কুৰুৰি হেজাৰ সৈন্যৰ ভিতৰত মাথোন তিনি ভাগৰ এভাগ অৰ্থাৎ তেৰ কি চৈধ্য হেজাৰমান হে আসামলৈ উভটি যাত্ৰা কৰিব পাৰিলে। তেতিয়া আহাঢ় মাহ। আহিবৰ সময়ত সেনাপতি ফুকনে বাৰকা নদীত দূৰ বান্ধি মণিপুৰীয়া ৰজাক পাৰ কৈ থৈ আহিল।

নানান বিপৰ্য্যয় সহি হৰনাথ ফুকনে তেওঁৰ বিপুল সৈন্যবাহিনীৰ জীৰ্ণ অৱশিষ্ট লৈ উজনীৰ ৰাজধানী পালেহি। এই অমঙ্গলীয়া মণিপুৰ যাত্ৰাকে অসম বুৰঞ্জীত লতাকটা ৰণ বোলা হয়। স্বৰ্গদেৱ ৰুদ্ৰসিংহৰ দিনতো এক বাহিনী অসমীয়া সৈন্য মণিপুৰ দিগ্বিজয় কৰিবলৈ মণিপুৰ যাত্ৰা কৰিছিল, তেওঁলোকেও লতা হাবি কাটি আগবাঢ়িব লগাত পৰিছিল, তাক বুৰঞ্জীমতে প্ৰথম লতাকটা ৰণ বুলিব পাৰি। কিন্তু লতাকটা ৰণ বুলিলে খাইকৈ ৰাজেশ্বৰ সিংহৰ দিনৰ হৰনাথ সেনাপতি ফুকনৰ সেনাপতিত্বৰ তলে হোৱা এই আপদীয়া মণিপুৰ অভিযানকে বুজায়। প্ৰকৃত প্ৰস্তাৱে এই দ্বিতীয় লতাকটা ৰণত অসম আৰু মানৰ একো ৰণ হোৱা নাছিল, কিন্তু মানৰ লগত ৰণৰ উদ্দেশ্যে এই সৈন্য মণিপুৰলৈ পঠোৱা হৈছিল, আৰু একোখন ৰণত যিমান সৈন্য হানি হয়, তাতোকৈ সৰহ সৈন্য এই আপদীয়া মণিপুৰ যাত্ৰাত নষ্ট হৈছিল, আৰু হাবি বন লতা কাটি আমাৰ সৈন্য অৰণ্যৰ বাটেদি আগবাঢ়িব লগাত পৰিছিল, সেই দেখি এই অভিযানক যথাৰ্থতে লতাকটা ৰণ বোলা হয়।

এই লতাকটা ৰণৰপৰা এইটো সুফল হল যে অসমৰ পৰাক্ৰমী সৈন্য-সামন্ত যোৱা বুলি শুনি মানে মণিপুৰ এৰি সম্প্ৰতিকলৈ নিজ দেশলৈ গুচি গল।

## হৰনাথ সেনাপতি ফুকন

এই লতাকটা ৰণত ইমান প্ৰজা হানি হোৱা দেখি স্বৰ্গদেৱে ৰংপুৰত বৰত্ৰাবৰ মুখত চাঁতীশালত সেনাপতি ফুকনক থাকিব দিলে। তাৰ পিছত দায় ধৰি স্বৰ্গদেৱে ফুকনক সুধিলে,—"মোৰ এতেখিনি মানুহ আহিলা-পাতি কিয় হানি কৰিলাগৈ? আৰু নগা কেইটাক মাৰি-কাটি বাট মোকোলাই যাব নোৱাৰিলা কিয়? অহ, জানিলো, মোৰ কাৰ্য্যত তুমি হেলা কৰিলা।"

হৰনাথ ফুকনে ইয়াৰ উত্তৰত স্বৰ্গদেৱক জনালে,—"স্বৰ্গদেৱে মই বন্দীক দায় ধৰিছে, মই বন্দী দায়ৰ ভিতৰ। স্বৰ্গদেৱৰ বুঢ়া বন্দী পিতৃ-পিতামহসকলেও দায় সাৰি যাব পৰা নাই, এতেকে মই কেনেকৈ এৰাওঁ? তথাপি পূৰ্ব্বে মণিপুৰীয়া ৰজাই বাট দেখাই নিম বুলিলে এতেকে আমিও গলো। পিছে, হাবি সোমাই একোৰূপে বাট পথ নেপালো, তাতে অনেক মানুহ জ্বৰ-গ্ৰহণী ধৰি মৰিল, আৰু চাউলবো বিকল হল, সমলাও নাই, আৰু নগায়ো বাট এৰি নিদিয়ে, পৰ্ব্বতৰ পৰা শিল বগৰাই মাৰে। এমাহৰ পথ হাবি কাটি গলো, তথাপি বাট-পথৰ একো উদ্দিশ নেপালো। এতেকেহে মই বন্দী দায়ত পৰিছো। যদি বাট দেখাই নিওঁতা হলহেতেন, আৰু মই নগৈ স্বৰ্গদেৱৰ কাৰ্য্যত হেলা কৰিলোহেতেন তেতিয়াহে বন্দী দায়ৰ ভিতৰ। আৰু যদি চাউল-পাত যোগাওঁতা হলহেতেন তেও



মানুহ এইমান হানি নহয়। তথাপি স্বৰ্গদেৱৰ দায়-অপৰাধৰ হাত কিৰূপে এৰাম? মই বন্দী দণ্ডৰ ভিতৰ।"

স্বৰ্গদেৱ ৰাজেশ্বৰ সিংহই মানুহ চিনিছিল। স্বৰ্গদেৱে জানিছিল যে এই হৰনাথ সেনাপতি ফুকন নিজ কৰ্ত্তব্য অৱহেলা কৰা বিধৰ মানুহ নাছিল, জয়সিংহ ৰজাৰ ভুল বুজনি আৰু আশ্বাসত নিজৰ অনিচ্ছাস্বত্ত্বে অৰণ্যত সোমাই বাট-পথ হেৰুৱাই তেওঁ বিপদত পৰিছিল, সেইদেখিহে মণিপুৰ ৰাজ্য পাবগৈ নোৱাৰিছিল। স্বৰ্গদেৱে সেনাপতি ফুকনক ক্ষমা কৰি বন্দীশালৰপৰা মোকোলাই নিজ ঘৰলৈ যাব দিলে। পৰ মতে ভিতৰুৱাল ফুকনে স্বৰ্গদেৱৰ নগৰৰ দুৱাৰত পহৰা দিবৰ নিবন্ধ আছিল, স্বৰ্গদেৱে হৰনাথ ফুকনৰ সেই বাৰো ওলোটাই দিলে।

লক্ষ্মীসিংহ ৰজাৰ দিনত মোৱামৰীয়াৰ লগত যুদ্ধত এইজনা সেনাপতি ফুকনে অসীম সাহ দেখুৱাইছিল। মোহনমালা গোঁহাইদেৱক সেনাপতি পাতি, ৰাজেশ্বৰসিংহৰ দুই পুতেক মাজিউজনা গোঁহাই আৰু সৰুজনা গোঁহাইকে হাত কৰি আৰু এই তিনিওকে হাঁতীত তুলি মৰাণে আহি হৰনাথ সেনাপতি ফুকনৰ কোঠ বেৰি ধৰিলে। বাটঘৰীয়া মোহনমালা গোঁহাইদেৱে ফুকনক কলে,—"ফুকন, তই দুৱৰাৰ ঘৰৰ, এদিনীয়া নহয়, তোৰ সপ্তম পুৰুষে আমাক সেৱা কৰি গৈছে, মিত্ৰ সম্বন্ধও আছে। সম্প্ৰতি মই হে ৰজা। আৰু বৰুতিয়ালৰ বৰবৰুৱাই কূটমন্ত্ৰণা কৰি স্বৰ্গদেৱত লগাই আমাক নামৰূপলৈ খেদালে, এতেকে বৰুতিয়ালৰ ঘৰক মাৰিবৰ নিমিত্তে আলচি ৰণ কৰিছো। ডাঙৰীয়া কেইঘৰবো, আহোম কেইঘৰবো যাৰ যি বিষয় মৰ্য্যাদা সেইৰূপে থাকিব, আৰু সামান্য পাইকান মানুহকো একো নকৰো, কাকো কটামৰাও নকৰো।"

সেইসময়ত সেনাপতি ফুকনৰ সৈন্যৰ অৱস্থা তাহানি লতাকটা ৰণত হোৱা অৱস্থাৰ দৰে শোচনীয় হৈছিল। ডিবৰুৰ দলং কাটি দিয়াত সেনাপতি ফুকন আৰু তেওঁৰ সেনাবোৰে আগবাঢ়িব নোৱৰা হল। চাউলসমলীয়াবোৰেও বছন পাতি যোগাব নোৱৰাত সৈন্যবোৰে খাবলৈ নাপাই এটাএটাকৈ মৰিবলৈ ধৰিলে, জ্বৰ-গ্ৰহণী হল; ও-টেঙা ঢেকিয়া, কচু, কাকগাজ খাই সেনাই প্ৰাণ প্ৰবৰ্ত্তাবলৈ বাধ্য হল। তথাপি হৰনাথ সেনাপতি ফুকনে মোহনমালা গোঁহাইদেৱক নিৰ্ভীক চিত্তেৰে উত্তৰ দিলে,—"তোমালোক খেদিখোৱা গোঁহাই, আমি কেনেকৈ ৰজা লম? সম্প্ৰতি স্বৰ্গদেৱ ৰাজপাটত আছে, আমি তোমালোকক ৰজা লব নোৱাৰো।"

ইয়াৰ পিছত মৰাণে সেনাপতিফুকনৰ কোঠ ভাঙি ফুকনক বন্দী কৰি নিলগৰ ঘৰত ৰখীয়া দি থলে। তাৰ পাছত মৰাণে লক্ষ্মীসিংহ স্বৰ্গদেৱক খেদি নিজে ৰাজ্য শাসন কৰাৰ সময়ত হৰনাথ ফুকনক লগত লৈ আহিল। তাৰ পিছত হৰনাথ ফুকন মৰাণৰপৰা পলাই গৈ বঙ্গদেশৰ এলেকাৰ চিলমাৰিত আছিল। মৰাণৰ ৰাজত্ব অন্ত পৰাত হৰনাথ ফুকন অসমলৈ উলটি আহে। গোৰীনাথ সিংহ ৰজাৰ দিনত তেওঁ গুৱাহাটীত বৰফুকনৰ বাৰ পায়। এই হৰনাথ ফুকন এজন প্ৰধান যুজাৰু আৰু ৰাজনীতিত সুনিপুণ প্ৰভুভক্ত বিষয়া আছিল। বৰ শোকলগা কথা যে এই হেন দেশ-প্ৰেমিক বীৰৰ সন্তান ঘিণাই বদনচন্দ্ৰ বৰফুকনে নিজ দেশলৈ মান সৈন্য নিমন্ত্ৰণ কৰি সোণৰ সঁফুৰা অসমভূমিৰ সুখ-সৌভাগ্য চাৰখাৰ কৰি পেলালে। যি হৰনাথ ফুকনে সুদূৰ মণিপুৰ দেশৰপৰা মানক খেদাই পৰৰ দেশ সুস্থিৰ কৰি মণিপুৰীয়া ৰজাক স্বদেশত সংস্থাপন কৰিবলৈ ইমান অপায়-অমঙ্গল নেওচা দি মণিপুৰলৈ দুৰ্গম বাটেদি যাত্ৰা কৰিছিল, তেওঁৰে পুতেক বদনচন্দ্ৰ ফুকনে নিজ দেশলৈ সেই অত্যাচাৰী মানক আনি মেলি দি স্বদেশত অশান্তি-উপদ্ৰৱৰ কণিবিহৰ গুটি সিঁচিলে; কালৰ কি কুটিলা গতি!

## মণিপুৰত জয়সিংহৰ সংস্থাপন

আমি আগেয়ে কৈছো, অসমৰ বিস্তৰ ফৌজ মানক খেদিবলৈ মণিপুৰলৈ যোৱা শুনি মান মণিপুৰ এৰি পলাল। কিন্তু সিহঁতে যেতিয়া শুনিলে যে অসমীয়া সৈন্য পুনৰ অসমলৈ উলটি গৈছে, সিহঁতে আকৌ মণিপুৰ আক্ৰমণ কৰিলে। জয়সিংহ আহি পুনৰ স্বৰ্গদেৱৰ শৰণাপন্ন হলহি।

১৬৯০ শকৰ আঘোণ মাহৰ ৰাজেশ্বৰসিংহ স্বৰ্গদেৱে স্বয়ং কীৰ্ত্তিচন্দ্ৰ ৰবৰব্ৰাক দেড়কুৰি হেজাৰ সৈন্য দি ৰহাৰ বাটেদি কছাৰী ৰাজ্যৰ মাজে মণিপুৰলৈ গৈ জয়সিংহক স্বদেশত সংস্থাপন কৰিবলৈ পঠালে। ৰবৰকৰা গৈ ৰহা পালেগৈ, তাতে কুৰি হেজাৰ সৈন্যৰে কোঠ দি কিছুদিন থাকিল। অসমীয়া সৈন্য যোৱা শুনি মান সৈন্য পুনৰ মণিপুৰ এৰি গুচি গল। কিন্তু ৰবৰকৰা ইয়াতে ক্ষান্ত নহল। তেওঁ জয়সিংহৰ লগত বাকী দহ হেজাৰ সৈন্য দি মিৰাপ নৈৰ দাতিলৈকে পঠালে, আৰু যেতিয়ালৈকে জয়সিংহই নগা আৰু মণিপুৰীয়া সৈন্য সংগ্ৰহ কৰি মণিপুৰৰ নপতাৰজা কেলেম্বাক খেদাই নিজৰ সিংহাসন লাভ কৰিব নোৱাৰে তেতিয়ালৈকে সেই দহ হেজাৰ অসমীয়া সৈন্যক মিৰাপ নৈৰ কোঠতে থাকিব দিলে।

জয়সিংহই কিছুমান নগা আৰু মণিপুৰীয়া সৈন্য লৈ নিজ ৰাজ্যৰ ফালে গল। পোনতে তেওঁ ভেশছন্ ধৰি কিছুদিন মণিপুৰত ফুৰি প্ৰজাৰ মৰম-বেথা আৰু সহানুভূতিৰ পৰিমাণ তেওঁলৈ কিমান তাকে নিভৃতে চাই ফুৰিছিল। তেওঁ যেতিয়া ভালকৈ বুজিলে যে মণিপুৰীয়া প্ৰজাই তেওঁলোকৰ অতিপ্ৰিয় কৰ্ত্তা মহাৰাজকেহে ৰজা বিচাৰে, তেতিয়াই জয়সিংহই নিজৰ ছদ্মবেশ এৰি মন্ত্ৰীসকলৰ সহায়েৰে সিংহাসনত বহে, আৰু মানে পতা মণিপুৰৰ ৰজাক মণিপুৰৰ পৰা খেদাই ৰাজ কৰি দিয়ে। ইতিমধ্যে কীৰ্ত্তিচন্দ্ৰ ৰবৰুৱাই ৰংপুৰলৈ উভটি আহি স্বৰ্গদেৱৰ আগত সবিশেষ বৃত্তান্ত জনায়।

মণিপুৰৰ ৰজা স্বদেশত সংস্থাপিত হল সঁচা, কিন্তু তথাপি তেওঁ মানৰ আক্ৰমণৰ পৰা একেবাৰে অব্যাহতি নেপালে। ১৬৯২ আৰু ১৬৯৫ শকত তেওঁৰ ৰাজ্য পুনৰ মানে আক্ৰমণ কৰে, কিন্তু জয়সিংহই নানান কৌশলেৰে সিহঁতক খেদাই নিজৰ সিংহাসনত গজ্‌গজীয়া হৈ বহে। ইতিমধ্যে তেওঁৰ দুই পুতেক মধুচন্দ্ৰ যুৱৰাজ আৰু লাবণ্যচন্দ্ৰক তেওঁ মানৰ হাতৰ পৰা উদ্ধাৰ কৰি আনে।

শ্ৰীসূৰ্য্যকুমাৰ ভূঞা

---

# ঠেংতোলা বৰা

"গোটেই থলতে আছে থলবজা,
পোতা-পুখুৰীত বাক,"
এদিন গধূলি গহীনাই কলো,—
"শুনিছানে লৰামাক!
মানিলেই ধান, নহলে পতান;
বুঢ়াৰ বচন, শাস্ত্ৰৰ বিধান—
সেইদেখি আমি মানি লওঁ বোলো
ছুয়ো এই থৰথন
সেই মহাৰাণী ৰাজ্যখন বুলি—
ৰাণীৰ নো কেনে মন?"

•

"থাকা থাকা, মোক জোকাই নলবা,
ওলাব মইনা-মাত;
—কেঞাৰ গোলাত কৰবাত আজি
ভাওৰ মাৰিছে চাট!
নেদেখিছা কিনো গধীনাই ৰাতে,
মোক হেনো কিবা মহাৰাণী পাতে!—
আউলু-আপচু দিবলই বহি!
এনে দেখা শুনা নাই;
—মহাৰাণী পাতি বহুৱাই থব,
তাবো চিন আছো পাই!"

*

"মোৰে মূৰ-খোৱা! হেৰা লৰামাক,
মেমেলিবা আৰু ভিঙি;—
মই কৈছো বোলো— ধৰিলেই শ'ল,
নধৰিলে হয় শিঙি;
ৰাণী হলেই নো কি বহি খাবা,
কাম কৰি জানো ৰাণী ভাগি যাবা!—
পথালি-চকুৱা নৰ-মনিষৰ
এই সকলোটি ভ্ৰম;
কই যাম কথা, তুমি শুনি যাবা;
তেতিয়াহে পাবা গম।

•

"মনেই সৰগ, মনেই নৰক,—
বুজিছানে মোৰ সোণ?
—সুবুজিবা কিয়! এৰা এতিয়াহে!
লৰাৰ মাক নে কোন!!
পিছে বাৰু চোৱাঁ—আমাৰ যোৰৰ
এই 'মুলুক'ত আছে কেই ঘৰ!"
ৰজাৰ দিনীয়া ঠেংতোলা বৰা,
গাওঁবুঢ়া এতিয়াও;
ঠেং তুলি তুলি ইংৰাজ ৰজাৰ
বিষ্ নে বিষয় খাওঁ!"

•

গাওঁবুঢ়ানীৰ গা'ই নসহিল
এনে গঢ়-গতি দেখি,
চিপিয়াই থাকি বুলিলে এবাৰ—
"হেৰা মোৰ প্ৰিয়সখি!
নকলে নোৱাৰো, মোৰ ফটা মুখ,
কলেও লাগিব ভকতৰ দুখ;
তেও বাৰু কওঁ— মোৰে-এ শপত,
কেই বাৰ কুৰি পোৱা,
তালকে নিতউ ঘৰ-বাৰী এৰি
খাটি ফুৰিবলৈ যোৱা?"

*

"পালো বা নেপালো ৰজাৰ খাটনি—
সেয়ে মোৰ লাখ টকা;
বনৰজা আহি হাত ফুৰালেও
তাকো বোলে ৰাষ্টকা!



তিৰিয়ে পুৰুষে হবা একেমতি
তেতিয়া সিজিব হৰিত ভকতি,—
সেইদেখি এৰা ইবোৰ সিবোৰ,
খাই কথাটোলৈ যাওঁ;—
বছৰত ধন বাৰ টকা, মাক,
পূৰা বাৰ টকা পাওঁ!"

•

চুৱা-চক যেন মুখৰ বৰণ—
তাত বিৰিঙিল হাঁহি;
দেখি ভোল গলো 'মাক'ৰ মুখত
বিজুলীৰ ফুলপাহি।
পিছত বুজিলো,—মইহে অকৰা;
লৰামাকে মোক কৰে মচ্‌কৰা!
মই আৰু বোলো টকা পোৱা শুনি
ৰঙত হাঁহিছে চাগে';
উস্ কটা! মই কথাযাৰ কিয়
সুবুজিলো আগে-ভাগে!

•

যি হক, পুনৰ কথাৰ লেজুত
দিওঁ বোলোতেই হাত,
গেলাতে টেঙা দি আমাৰ 'সিহঁ'তে'
দিলে থেহেৰাই মাত:—
"কোৱাঁ বেগেতাই কি কৰিব লাগে,
নহলে ইপিনে ভিকাচন ভাগে!
ময়ে নষতালে ভাত এমুঠিও
পুৱালৈ নোলাব পাছে;
ঘৰত ইপিনে নিগনিয়ে পৰি
দেওপাল পাৰি আছে!"

•

ভাল কথা হল! গৈলা-গপ মোৰ
সোপাই ওলাই পৰে;
ঘৈণীৰ মুৰত ভাতমুঠি খাওঁ,
তাকো মুখতেই ধৰে!—

"ঘৰৰ যইনি, লৰাহঁত' মাক !
তোমাকে খুখুজি খুজিম নো কাক ?
তাকে আক' তুমি ঘৰকৈ নকৰা !—
পিছে, এয়ে হল ঠিৰ ;
পুত্ৰাৰ পৰাই তুমি হবা ৰাণী,
মই মহাৰজা বীৰ !"

•

পিছ দিনা আহি অতি সুমঙ্গলে
ৰজনী প্ৰভাত ভৈল ;
মহাৰাণী উঠি মহা আগ্ৰহেৰে
চোতাল সাৰিবে লৈল ।
বেৰ-জলঙাই চাই পঠিয়াওঁ,
আজি মোৰ উঠা বেলি যেন পাওঁ !
ৰাণীৰ চকুত নপৰাকৈ উঠি
কেনেকৈ থাকোগৈ বহি !
—টান পালো কথা, ৰজা বুলিও যে
ৰাণীয়ে থাকিব সহি ।

•

উঠি আহি চালো ৰাণীৰ মুখত
নাই খঙ-অভিমান,
তামুলী পীৰাত ঠেং তুলি বহি
ভাবিলো, লভিলো ত্ৰাণ ।
দুটি লৰা মাৰ্থো এটি যেন্ তেন্,
ইটিৰ মুখুচে নিতে খেন্ খেন্ ;
বাৰটা মাহৰ তেৰটা ৰোগত
জলাকলা কৰি মাৰে ;
গাত হাত দিলে কোনোৰে ৰঙতে,
সি আক মৰিব পাৰে ।

•

গোচৰ দিলেহি কান্দি-কাটি আহি,
"খাধোন পিথাই খা !
সউটোৰে আক' মোক কই থাকে—
তই ভেহেলই যা !"

ৰজা হওঁতেই গোচৰ আহিল,
—বুঢ়াৰ হাতত 'চেঙেলি পৰিল—
ভাবিলো, এতিয়া এই গোচৰৰ
শোধ কৰি দিওঁ 'ৰায়',—
বাহি-বন কৰি মহাৰাণীয়েও
থাকক বিচাৰ চাই ।

•

"হয় নে নালিয়া ! খহবাক তই
কৰিছিলি অপমান ?—
লই আহ তোৰ সঁচা মিছা যদি
আছে সাক্ষী-পৰমাণ ।"
বিচাৰত মহা হল হুলস্থুল,
ৰাণী পোনতেই হল প্ৰতিকূল,—
"লৰাৰ লগত কিনো বুঢ়াটোৰে
হাই কৰিবলৈ লয় ?"
"নহয় হেঁ ৰাণি ! ৰজাৰ ঘৰত
ইদৰেই শোধ হয় !"

•

বিচাৰৰ 'ৰায়' দিয়ে উকৰাই
অবাইটং নালিয়াই,—
ঠিৰ হল পিছে— সমদোষী দুয়ো,
শাস্তি সমানেই পায় ।
সেইদেখি শেষ কৰিলো গোচৰ,
"দুইও দুইৰো কাণকে মোচৰ"—
যেতিয়াই কলো, দুইতাৰে মহা
দৰৰা-দৰৰি হল ;
চিয়ঁৰ-বাথৰ কান্দোনত ঘৰ
তোলপাৰ লাগি গল ।

•

"দুপৰীয়াখন চাওঁ কিহে পায়"—
টিকুচি-বিকুচি উঠি
মহাৰাণী দেখো আহে চোঁচা লই
দুই হাত মাৰি মুঠি !

"সৰ্ব্বনাশ হয়, সৰ্ব্বনাশ হয় !
প্ৰভু' নেৰাখিলে কোনে নো ৰাখয় ?"—
এই বুলি অ:ক পাছলৈ নেচাই
ভিৰাই ধৰিলো লৰ ;—
"ভিৰিৰ হাতত অপমান হয়,
কোন আছ ৰক্ষা কৰ !"

•

ভালেমান গই উলটি চাইছে
দেহলৈ আহিছে জীৱ,—
"ভৰ দুপৰীয়া— ভাল কথা আজি
কৰিছিলা সদাশিৱ !
"হৰমোহন"'ত তোমাৰ বিলাই—
ওলোটাটোৰেহে মোক আজি পায় !
এই দুপৰীয়া ভাত-পানী নাই,
কি কৰো, কলই যাওঁ !
—ক'ক বা মেলক, 'সিহঁতে' নিদিলে
ক'ত ভাতমুঠি পাওঁ ?

•

আকউ ভাবিলো— "নহল নে বাক
মনত এফেৰি দয়া ?—
লৰাকে কি জানি ভাবুকি দেখাই
কৰিছিলে তেনেকুৱা ?
নহয়, নহয়,—তিৰি মিৰি কোবা,
ই তিনি চাৰিৰ আসই নোপোৱা ;
লাগে, নেখায়েই মৰো, তেও আৰু
যৈণীত নেপাতো হাত—"
এইদৰে ভাতে টোপনি আহিল
একোপা গছৰ ছাঁত ।

•

শুই উঠি চাওঁ— বেলি পৰো পৰো,
পেটতো লাগিল ভোক ;

ঘৰলৈকো আক উলটি যাবলৈ
মনত লাগিছে শোক ।
"ঘৰত খঙ বা কমিলেনে নাই,
গলেই জানোচা খেদি পঠিয়ায় !—
নহয়, নহয় ! নঙলা-মুৰতে
লৰাটোক লম সুধি ;
মাকৰ মনটো তেতিয়া বুজিম,—
এয়ে হব ভাল বুধি !"

•

"পিথাই, পিথাই ! অথনি তইনো
কেলেই গৈছিলি লৰি ?
আয়ে আমাকহে মাৰিবলৈ বুলি
আহিছিলে খেদা মাৰি !
দিনটো কোনেও ভাত খোৱা নাই.
কান্দি-কাটি আছে এতিয়াও আই ;"—
এনেতেই আহি মাকে দেখো মোৰ
ভৰিত দীঘলে পৰি,
হুকুহুকুকৰে কান্দি চকুলোৰে
তিয়ালে দুইটা ভৰি !

•

কলো,—"উঠা তুমি ঘৰৰ লখিমি !—
মোৰেই সকলো দায় ;
যৈণীৰ মুৰত খোৱা সকলোৰে
ইদৰে এসেকা পায় ।
নেখাওঁ নেখাওঁ তাই' হাতে ভাত,
ঘূৰি ঘূৰি পাতো তাইতেহে হাত ;
পৰৰ মুৰত খোৱা সকলোৰে
জীৱটো কুকুৰ-ধূলি ;—
এতিয়াৰে পৰা নিজে আজি খাম,
ঠেঙত ঠেঙটো তুলি ।"

শ্ৰীডিম্বেশ্বৰ নেওগ

# দীন-দুখী

বা

লে মিজৰাবল

১২শ অধ্যায় (ক)

জনদ্ৰেটৰ আৰু মেৰিয়াছৰ ঘৰৰ মাজত এখন বাঁহৰ ওপৰত মাটিৰে লেপা বেৰ মাথোন আঁৰ। বেৰৰ য'ত য'ত মাটি খহিছে তাত চকু থলেই ইখৰে সিখৰৰ ভিতৰখন তেনেই চাব পাৰে। মেৰিয়াছে ইমান ওচৰতে থাকিও ইমানদিনে জনদ্ৰেটৰ কোনো ভুকে লোৱা নাছিল। আজি জনদ্ৰেটৰ অৱস্থাৰ বুজ লবলৈ জানো কিয় তেওঁৰ উচ্ পিচনি লাগিল, মেৰিয়াছে বেৰৰ জলঙাইদি জুমি জনদ্ৰেটৰ ঘৰলৈ চাই পঠিয়ালে। মেৰিয়াছো দুখীয়া, কিন্তু জনদ্ৰেটৰ ঘৰটোত দৰিদ্ৰতা আৰু কদৰ্য্যতাই সিহঁতৰ শেষ সীমা পাইছিলগৈ। গৰু-গোহালিও সিমান অপৰিস্কাৰ নেথাকে। ছাই-আবৰ এজাৰ এলান্ধুৰে ভৰা। বতাহ সোমাবৰ সন্ধি নাই। বিছনা-পাটীও একে পচৰে। বেৰত এখন নেপলিয়ান বোনাপাৰ্টৰ ছবি ওলোমাই থোৱা আছে। ছবিখনৰ তলতে বেৰত লগাই পতা এখন মেজ। মেজৰ কাষতে তিনিকুৰিমান বয়সীয়া এটা শেঁতা, খীণ ছুটি-চাপৰ মানুহে বহি বহি চিঠি লেখিছে। তাৰ গাত এটা মাইকী মানুহৰ 'ছেমিজ'। মানুহটো দেখিলেই নিঠুৰ আৰু কঠুৱা যেন লাগে। মানুহটোক লেখি থকা দেখি মেৰিয়াছৰ মনত খেলালে—"কালি পোৱা চিঠি কেখনৰ নিচিনাই আৰু চিঠি লেখিছে।" মানুহটোৰ মুখত এটা চুৰতৰ পাইপ। ঘৰত এটুকুৰা কটি নাই অথচ চুৰতৰ খতিখন নাই। অলপ আঁতৰত এজনী চল্লিশ বছৰমান বয়সীয়া মানুহে চিমনীৰ কাষত বহি জুই পুৱাইছে। এৱেঁই জনদ্ৰেট-পত্নী। দুৱাৰ মুখৰফালে বিছনা এখনৰ ওপৰত এজনী ছোৱালী বহি আছে। তাইৰ চেহেৰালৈ মন কৰিলে বেমাৰী বেমাৰী যেন লাগে। এইজনী জনদ্ৰেটৰ দ্বিতীয় কন্যা। তাইৰ বয়স চৈধ্যৰ কম নহয়। মেৰিয়াছে ইহঁতৰ এই অসহনীয় দৃশ্যৰ পৰা চকু ঘূৰাই আনিব খুজিছে, এনেতে জনদ্ৰেটৰ প্ৰথম কন্যা খোপাই-খোপাই ঘৰৰ ভিতৰ সোমাই কবলৈ ধৰিলে—"তেওঁ আহিছে!"

বাপেকে সুধিলে—"কোন? সেই গীৰ্জ্জা ঘৰৰ বুঢ়া?"

"হয়। পায়হিহে লাগে, সেয়া শুনা গাড়ীৰ ঘৰঘৰণি, পালেহিয়েই।"

জনদ্ৰেটে লৰালৰিকৈ উঠি মাত লগালে, "শুনিছা। তুমি জুইকুৰা নুমাই দি বিছনাত শুই পৰা। বেগতে! বুঢ়া আহিছে। জনদ্ৰেট-পত্নীয়ে অৰ্থ বুজিব নোৱাৰি থৰ হৈ বল। জনদ্ৰেটে পানী একলহ আনি চিমনীত ঢালি দিলে। জুই নুমাই গলত বৰ জীয়েকক কলে, "চকিখনৰ বেতৰ গোঠনিবোৰ একৱাট পেলা। বেলি নকৰিবি।" জীয়েকেও বাপেকৰ কথাৰ অৰ্থ বুজিব নোৱাৰি মুখলৈ চাই থকা দেখি নিজেই ভৰিৰে গোৰ মাৰি চকিখনৰ বেতৰ গোঁঠনিবোৰ ছিঙি পেলালে। তাৰ পিছত মুখ ঘূৰাই সৰুজনী জীয়েকৰ ফালে চাই পেঙেৰি দি উঠিল, "দুঠিলিনে পাটিৰপৰা, দোদ! খিৰিকিৰ আইনা এখন ভাঙ।" ছোৱালীজনীয়ে ভয়ত একে জাপেই বিছনাৰপৰা উঠি খিৰিকিৰ কাষ চাপি গল। বাপেকে মাত দিলে "ভাঙ, ভাঙ।" ছোৱালীজনীয়ে ভুকুমাৰি আইনা এখন ভাঙি পেলালে। কেউফালে ঘূৰি-পকি চাই বাপেকে কলে, "বেছ।"

এনেতে দুৱাৰত শব্দ উঠিল। জনদ্ৰেটে লৰালৰিকৈ দুৱাৰ মেলি দিলে, এজন বুঢ়া ভদ্ৰমানুহ আৰু এজনী গাভৰু ছোৱালী হাতত ধৰাধৰিকৈ ঘৰৰ ভিতৰ সোমাই আহিল।

মেৰিয়াছ? মেৰিয়াছে তেতিয়াও আগৰ ঠাইতে ঠিয় হৈ বেৰ জুমি চাই আছিল। মেৰিয়াছৰ ভাব-ৰাজ্য তেতিয়া মানৱ ভাষাৰ দুৰ্গম পথত।



বুঢ়াৰ লগত অহা এৱেঁই তেওঁৰ সেই সাধনাৰ ধন। যি এবাৰ ভাল পাইছিল তেওঁহে বুজিব পাৰিব, 'তেওঁ'ৰ ভিতৰত কিমানখিনি দুবুজি বুজা মানে সোমাই আছে। এই মইনা চৰাইটিয়েই মেৰিয়াছৰ চকুৰ আগৰ পৰা উৰি লৰ মাৰিছিল, এই তৰাটিৰ ফাললৈকে ছমাহ দিন ধৰি মেৰিয়াছে চাই আহিছে; এইখনি মুখৰ অবিহনতে মেৰিয়াছৰ দিন ৰাতি একাকাৰ হৈ পৰিছে। আজি মেৰিয়াছৰ চন্দ্ৰগ্ৰহণ ভাগিল। আকাশী জোনায়ে নিজে আহি দুখীয়াৰ পজাত ধৰা দিছেহি। মেৰিয়াছ শিয়ঁৰি উঠিল।

বুঢ়াই ভিতৰ সোমায়ে তেওঁৰ চিৰলগৰীয়া গম্ভীৰ অথচ মৃদু মিচিকিয়া হাঁহিটিৰে জনদ্ৰেটক সম্বোধন কৰি কলে, "এই টোপোলাটো নিয়ক, ইয়াত কাপোৰ-কানি আছে।"

জনদ্ৰেটে কলে "আপুনি দেৱদূত!" এইবুলি জনদ্ৰেটে ভদ্ৰ মানুহজনৰ ফালে মূৰ দোঁওৱাৰ চলতে ওচৰতে ঠিয় হৈ থকা বৰজনী জীয়েকক কাণে কাণে সুধিলে, "বুঢ়াৰ ওচৰত মোৰ নাম কি বুলি কৈছিলি?" জীয়েকে ফুচ্ ফুচাই উত্তৰ দিলে "ফেবাণ্টো!" ভাগ্যক্ৰমে ঠিক সময়তে জনদ্ৰেটে কথাষাৰ সুধি লৈছিল। কাৰণ সেই মুহূৰ্ত্ততে বুঢ়াই মাত লগালে, "সঁচাকৈয়ে আপোনাৰ অৱস্থা বৰ দুখ লগা, মছিঅ'ৰ—" জনদ্ৰেটে খপৰাই মাত দিলে "ফেবাণ্টো।" বুঢ়াই কলে, "হয়, মছিঅ'ৰ ফেবাণ্টো— মোৰ মনত পৰিছে।"

জনদ্ৰেটে সুবিধা বুজি কবলৈ ধৰিলে, "মই এসময়ত এজন নামজলা ভাৱৰীয়া আছিলো। মই 'টেলমা'ৰ ছাত্ৰ। ভাগ্যলক্ষ্মীও সেই সময়ত মোৰ ওপৰত বৰ সুপ্ৰসন্না আছিল। এতিয়াহে বিৰূপ হৈছে। চক, মোৰ ঘৰত আজি এটুকুৰা কটি নাই, জুইৰ ফিৰিঙতি এটা নাই। ছোৱালী দুজনী জাৰত কঁপিছে। এখন মাত্ৰ চকি, সিও ভগা। খিৰিকিত আইনা নাই, তাতে এই মহামাৰী জাৰৰ দিন। মাকৰ নৰীয়া—উঠিব নোৱাৰে, এই ঠেটুৱাই ধৰা জাৰৰ দিনত মই ছোৱালীহঁতৰ মাকৰ এই ফটা ছেমিজটোৰে দিন কটাব লগাত পৰিছো। ছোৱালী কেজনীৰ অৱস্থা দেখিলে মোৰ হিয়া ফাটি যায়, তাৰ উপৰি কাইলৈ ৪ ফেব্ৰুৱাৰী। কাইলৈ ঘৰৰ ভেৰোণ শোধাব নোৱাৰিলে মোৰ এই এধামৰা মানুহজনী লৈ জাৰে বৰষুণে ক'তনো বাঁহতলে গছতলে ফুৰিম! এই বছৰৰ ঘৰৰ ভেৰোণ শোধোৱা নাই। ৬০ ফ্ৰাঁ। কি হব!"

বুঢ়াই তেওঁৰ জেপৰপৰা ৫ ফ্ৰাঁ মোহৰ উলিয়াই মেজৰ ওপৰত থৈ সুধিলে, "এতিয়া মোৰ হাতত আৰু একো নাই। আজি ৰাতিকৈ ঘৰৰ ভেৰোণ দিলেও হব নহয়?" এইবুলি বুঢ়াই তেওঁৰ উমলগা "অভাৰ কোটটো" সোলোকাই চকিখনৰ ওপৰতে পেলাই থলে। জনদ্ৰেটে উত্তৰ কৰিলে "হয়, আঠ বজাৰ আগতে দিলেই হব।"

"মই ছয় বজাৰ সময়তে দি যামহি।"

"ঈশ্বৰে মঙ্গল কৰক।"

বুঢ়াই জীয়েকৰ হাত ধৰি যাবলৈ ওলাল। জনদ্ৰেটৰ ফালে চাই কলে, "গধূলিকৈ কোনোৰকমে বাট চক।" এইবুলি বুঢ়া ঘৰৰ বাহিৰ হল। এনেতে জনদ্ৰেটৰ বৰজনী জীয়েকে মাত লগালে, "ডাঙৰীয়া, অভাৰকোটটো এৰি গল।" জনদ্ৰেটে টিপতে জীয়েকক কথাষাৰ কৈ দিয়াৰ বাবে বৰ খোকোটা এটা মাৰিলে। বুঢ়াই বাহিৰৰ পৰা মাত লগালে, "মই এৰি অহা নাই, তোমাৰ পিতাৰৰে কাৰণে থৈ আহিছো।"

মেৰিয়াছে বেৰ জুমি আদ্যোপান্ত ঘটনা দেখি আছিল যদিও, প্ৰকৃতপক্ষতে তেওঁ একো নেদেখিলে। তেওঁৰ চকু আছিল প্ৰণয়-প্ৰতিমাৰ ওপৰত, মন আছিল প্ৰণয়-প্ৰতিমাৰ চিন্তাত। ভাত যিমান পৰ ছোৱালীজনী আছিল সিমান পৰ মেৰিয়াছ বাহ্যজ্ঞানশূন্য হৈ যোগত পৰি আছিল। বুঢ়াই কথা পাতি থাকোতে ছোৱালীজনীয়ে জনদ্ৰেটৰ পত্নী আৰু কন্যাক মাজে মাজে দুষাৰ চাৰিষাৰ কথা সুধিছিল। মেৰিয়াছে তেওঁৰ ডাঙৰ কলা চকুহালি চিনে, বহল কপালখনি আৰু সেই লাহি এমুঠিমান ককালটিও দেখিছে, নয়নাসে কৰা খোজকিটিও মনত আছে, কিন্তু ইমান দিনে তেওঁৰ মুখৰ কথা এষাৰিও শুনিবলৈ পোৱা নাছিল। বৰ হেপাহেৰে শুনিবলৈ পাও বুলি মেৰিয়াছে কাণ উনাই আছিল, কিন্তু তেওঁ কথা

কোবা স্বত্বেও জনদ্রেটৰ ডগাডোলৰ আগত মেৰিয়াছে একো শুনিবলৈ নেপালে।

বুঢ়া আৰু ছোৱালীজনী ওলাই যোৱাৰ লগে লগেই মেৰিয়াছৰো ধ্যান ভঙ্গ হল। মেৰিয়াছে লৰালৰিকৈ ঘৰৰ বাহিৰ ওলাই দেখিলে বুঢ়াই গাৰীত উঠি গাৰী এৰি দিছে। মেৰিয়াছৰ ভাবিবৰ সময় নাছিল। যি অৱস্থাতে ঘৰৰ ভিতৰত আছিল, সেই অৱস্থাতেই বাহিৰ হৈ পৰিল। গাত এটা পুৰণা কোট। তাতো বুটাম নাই। এখন খালি গাৰী দেখি হাত জোকাৰি গাৰীখন ৰখাই গাৰোৱানক সুধিলে, "এঘণ্টাৰ ভাৰা কিমান?" গাৰোৱানে উত্তৰ কৰিলে, "৪০ ছু।" মেৰিয়াছে হাত ভৰাই দেখিলে তেওঁৰ জেপত মুঠেই ১৬ ছুহে আছে। গাৰোৱানক কলে, "ঘূৰি আহি দিম।" গাৰোৱানে মেৰিয়াছৰ কাপোৰ-কানিৰ অৱস্থা দেখি আৰু একো নেমাত্তি গাড়ী চলাই গুচি গল। মেৰিয়াছে নিৰুপায় হৈ কিছুমান পৰ হা-হুতাশভাৱে ঠিয় হৈ থাকি ঘৰলৈ উভটি আহিল।

মেৰিয়াছ ঘৰলৈ আহি ভিতৰ সোমাইছে মাত্ৰ, এনেতে জনদ্রেটৰ বৰ জীয়েক মেৰিয়াছৰ ঘৰৰ ভিতৰলৈ সোমাই আহিল। তাইৰ মুখ গম্ভীৰ, খোজ-কাটল চুচুক্-চামাক। মেৰিয়াছে বৰ বিৰক্ত হৈ মাত দিলে, "কি লাগে তোমাক?"

"মঁছিঅ'ৰ মেৰিয়াছ! আপোনাক বৰ বেজাৰমুৱা দেখিছো, কি হৈছে আপোনাৰ?"

"একো হোৱা নাই। মোক এতিয়া আহুকাল নকৰিবা।"

"বৰ, আপুনি চহকী নহলেও পুৱা আমাক সহায় কৰিছে। আপোনাৰ কি হৈছে মোক কক। আপোনাৰ মনত দুখ লাগিলে তৎক্ষণাতে ধৰিব পাৰি। মোক ঘটনাবোৰ কব নেলাগে, কিন্তু মই কামত আহিব পাৰো। মই পিতাক যেনেকৈ সহায় কৰো, আপোনাকো কৰিব পাৰো।"

গছ ভাগি পৰিব খোজা মানুহলৈ ঠাল-ঠেঙুলিও বৰ উপকাৰী হৈ পৰে। মেৰিয়াছে ছোৱালীজনীৰ কাষ চাপি কলে, "তুমি পুৱা যে বুঢ়া আৰু তেওঁৰ জীয়েকক লৈ আহিছিলা তেওঁবিলাক কত থাকে?"

"নেজানো।"

"মোক বিচাৰি দিয়া।"

ছোৱালীজনীৰ নীৰস চকু দুটা হঠাৎ উজ্জ্বল হৈ উঠি আকৌ গধুৰ হৈ পৰিল। তাই ক্ষন্তেক নিতাল মাৰি থাকি "সেই ধুনীয়া গাভৰুটাৰ ঠিকনা লাগে' বুলি তললৈ মূৰ কৰি ওলাই গুচি গল। মেৰিয়াছে চকি এখন টানি লৈ বহি পৰিল। এনেতে জনদ্রেটক কোৱা শুনিলে, "মই তাক চিন ধৰিছো কোনো ভুল নাই।"

মেৰিয়াছে কথাষাৰ শুনিয়ে চক্ খাই উঠিল। জনদ্রেটে কাৰ কথা কৈছে? ছোৱালীজনীৰ বাপেকৰ কথা নেকি? মেৰিয়াছে লাহেকৈ উঠি বেৰৰ কাষলৈ গৈ বেৰৰ জলডাই জুমিবলৈ ধৰিলে। একাষে ছোৱালী দুজনী বহি আছে। বাপেকৰ মুখলৈ চাই মাকে মূৰে-কপালে হাত দি বহি বহি সুধিছে—"সঁচানে?"

"সঁচা, আঠ বছৰৰ হে কথা তেও। তুমি চিনি নেপালা? কাপোৰ-কানিখিনি যেনিবা অলপ বাকটৈক পিন্ধিছে। ক'ত সাৰিব!" এই বুলি বুঢ়াই জীয়েকহঁতৰ ফালে চাই মাত দিলে "তহঁত যা। গধূলি পাচ বজাৰ সময়ত তহঁতক মই লগ পাব লাগিব।"

ছোৱালী দুজনী ওলাই গলত জনদ্রেটে কলে—"এই ছোৱালীজনীক চিনি নেপালা? সেইজনী ছোৱালীয়েই! এতিয়া আমাৰ ভাল দিন আহিছে। বুঢ়া যেতিয়া গধূলিলৈ ৬০ ক্ৰাঁ ধন লৈ আহিব, তেতিয়া আমাৰ এই চুবুৰীয়া ঘৰত নেথাকে। তেওঁৰ লিগিৰীও ঘৰলৈ যাবগৈ। আমাৰ ছোৱালীহঁতে বাটত মানুহ চাব। মই এতিয়া মানুহ-দুনুহৰ যোগাৰ কৰো। বুঢ়াক ভিতৰ সুমুৱাই লৈ কাম ৰফা কৰি পেলাম। কয়লা অলপমানো আনি পৰা। মই বাহিৰৰপৰা আহো।" এই বুলি জনদ্রেট ঘৰৰপৰা বাহিৰ হৈ পৰিল।

জনদ্রেট-দম্পতীৰ কথা শুনি মেৰিয়াছৰ পেটতে হাত ভৰি লুকাল। এটা ভীষণ হত্যাকাণ্ডৰ আয়োজন



দেখি মেৰিয়াছে কাপোৰ-কানি পিন্ধি তৎক্ষণাৎ থানাৰ ফালে ঢাপলি মেলিলে।

মেৰিয়াছৰ কথা শুনি পুলিছ ইন্সপেক্টৰে দুটা পিস্তল আনি মেৰিয়াছৰ হাতত দি কলে, "এই দুটা আপুনি লৈ যক। এতিয়াই মনে মনে গৈ ঘৰৰ ভিতৰ সোমাই বেৰ জুমি চাই থাককগৈ। দুইটা পিস্তলতে খাৰ ভৰোৱা আছে। সিহঁতে ভাবিব, আপুনি ঘৰত নাই : যেই সিহঁতে কামত লাগিব খুজিব, আপুনি পিস্তলৰ শব্দ কৰি দিব। বাকী মই যি কৰিব লাগে কৰিম।"

মেৰিয়াছ পিস্তল লৈ যাবলৈ ওলাল। এনেতে ইন্স্পেক্টৰে কলে, "এতিয়া আঢ়ৈ বাজিছে। আৰু তিনি ঘণ্টা বাকী। যদি ইয়াৰ ভিতৰতে মোক দৰকাৰ হয়, ইয়ালৈ আহি ইন্সপেক্টৰ জাভেয়াৰৰ খবৰ কৰিব।"

ঘৰলৈ উভটি আহি মেৰিয়াছ মনে মনে তাৰ কোঠাৰ ভিতৰ সোমাল। কোনেও গমকে নেপালে।

ছয় বাজিবলৈ আধাঘণ্টা থাকোতেই মেৰিয়াছ বেৰৰ কাষত গৈ সাজু হল। জনদ্রেটৰ ঘৰৰ চিমনীত দপ্দপকৰে জুই জ্বলিছে। জুইত বহুতো লোহাৰ চেপেনা-টেপেনা তপত কৰা আছে। একাষে জৰী এমুৰা ফটা কাপোৰ এখন দি ঢাকি থোৱা আছে। ঘৰটো ধোঁৱাৰ তাপত নৰকতকৈয়ো কমাৰৰ ঘৰ যেন হে লাগিছিল। কিন্তু জনদ্রেটক তেতিয়া কমাৰ শালৰ কমাৰ যেন নেদেখি নৰকৰ পিশাচ যেন হে দেখা গৈছিল।

দূৰৰ 'ছেণ্ট মেডাৰ্ড' গীৰ্জ্জাত ঢং ঢং কৰি ছটাৰ কোব পৰিল। মেৰিয়াছে একেবাৰে উশাহ-নিশাহ বন্ধ কৰি চাবলৈ ধৰিলে। অলপ পৰৰ ভিতৰতে বুঢ়া আহি ঘৰৰ ভিতৰ সোমাল। জনদ্রেটে অভিবাদন কৰাৰ লগে লগেই বুঢ়াই এটা লুই মোহৰ উলিয়াই মেজৰ ওপৰত থৈ মাত দিলে—"মঁছিঅ'ৰ ফেবাণ্টো! এই লক। ঘৰৰ ভেৰোণ দি যি অলপ থাকিব তাৰে বৰ্ত্তমান চলাওক। পাছে-পৰে আৰু দেখা যাব।"

জনদ্রেটে বৰ নম্ৰভাৱে কলে—"উদাৰ দানশীল পুৰুষ! ঈশ্বৰে আপোনাক প্ৰতিদান দিয়ক।"

এনেতে এটা মানুহ আহি ভিতৰ সোমাই বহি গল। মানুহটোৰ গাত এটা ফটা নীলা চোলা—ডিঙি আৰু হাত ছিগা। মুখখন দেখিলেই ভয় লাগি যায়। বুঢ়া মানুহটো দেখি অলপ আচৰিত হৈ পৰিল। বুঢ়াই সুধিলে,—"এখেত কোন?"

"আমাৰে এজন ওচৰ-চুবুৰীয়া।"

বুঢ়াই সৰলভাৱে কলে—"মঁছিঅ'ৰ ফেবাণ্টো! মই তেখেতক চিনি নেপাইহে সুধিলো, ক্ষমা কৰিব।"

জনদ্রেটৰ মুখৰ ভাব পৰিবৰ্ত্তন হৈ আহিল। বুঢ়াক খোপাকৈ ধৰি মাত দিলে, "উপকাৰী বন্ধু! অৱস্থাই আমাক সকলো বয়-বস্তু বেচালে, মাত্ৰ এই ছবিখন বাকী।"

এনেতে আৰু এটা মানুহ আহি এচুকত বহি পৰিল। জনদ্রেটে কলে—"ওচৰ-চুবুৰীয়া মানুহ। অঁ, সেই ছবিখনৰ কথা কৈছিলো। বহুমূলীয়া ছবি ডাঙৰীয়া! মোৰ জীৱনৰ বহুতদিনীয়া পুৰণা লগৰীয়া—এই ছবিখন। এতিয়া দুখত পৰি বেচিবলৈ ওলাগো।"

বুঢ়াই ছবিখন চাই থকাৰ ভিতৰতে কোঠাৰ ভিতৰত একে বিধৰ ৪ টা মানুহ আহি গোটখালেহি। বুঢ়াই অলপ সন্দেহ কৰি সিহঁতৰ ফালে চোৱা দেখি জনদ্রেটে কলে—"সিহঁতৰ ফালে মন নকৰিব, মোৰ ওচৰ-চুবুৰীয়া মানুহ। সিহঁতে চিমনী চফা কৰি ফুৰে দেখি সিহঁতৰ মুখত ছাই লাগি আছে। যি হওক, আপোনাৰ নোটবুকখন আনিছেনে? মোক ছবিখনৰ দাম এহেজাৰ ক্ৰাউন লাগিব।" বুঢ়াই উত্তৰ কৰিলে, "ছবি-খন ৩ ক্ৰাঁৰো লায়েক নহয়।" এই বুলি লাহেকৈ উঠি বেৰৰ ফালে পিঠি দি ঘৰটোৰ কেউফালে চকু ফুৰাই চাই ললে। জনদ্রেটে কলে—"উপকাৰী বন্ধু, যদি আপুনি এই ছবিখন নিকিনে, তেন্তে মই পানীত পৰি মৰাৰ বাহিৰে আন উপায় নাই।" কথাষাৰ কোৱাৰ লগে লগেই জনদ্রেটৰ মুখৰ চেহেৰা হঠাৎ ভীষণ হৈ উঠিল। বুঢ়াৰ কাষ চাপি আহি কঁপি কঁপি কবলৈ ধৰিলে, "কথা সেইটো নহয়। তই মোক চিনি পাইছনে?" বুঢ়াই তাৰ মুখৰ ফালে চাই উত্তৰ দিলে—"নাই পোৱা।" জন-

ড্ৰেটে মেজৰ ওপৰত থকা মমবাতি ডালৰ কাষত মুখখন পে কলে, "মোৰ নাম ফেবাণ্টো নহয়, জনড্ৰেটও নহয়, মোৰ নাম টেনাৰ্ডিয়ে। মফেৰ্মাৰ মেলৰ হোটেলৰ গৰাকী টেনাৰ্ডিয়েৰ। চিনি পাইছ ?"

বুঢ়াৰ গা চিৰিঙ্ কৰি উঠিল, কিন্তু অবিচলিতভাৱেই উত্তৰ দিলে, "নাই পোৱা !"

বুঢ়াই কি উত্তৰ দিলে মেৰিয়াছে শুনিবলৈ নেপালে। জনড্ৰেটে "মোৰ নাম টেনাৰ্ডিয়ে" বোলা মাত্ৰকে মেৰিয়াছ অস্থিৰ হৈ পৰিল। মূৰ ঘূৰি গল। পুলিছক ইঙ্গিত কৰিবলৈ দণ্ডা পিস্তল দণ্ডা ভাগেই থাকিল। এই নামেই মেৰিয়াছৰ ওচৰত তীৰ্থৰ জ্যোতি—পুণ্যময় স্মৃতি। কিন্তু ই কি! পিতাকৰ জীৱনদান দিওঁতা এটা নৰঘাতক পাষণ্ড! কি কৰিব ? পিতৃৰ আদেশ—তাক উপকাৰ কৰিব লাগিব। কিন্তু এটা যে মানুহ হত্যা হয়। মেৰিয়াছ বলিয়াৰ দৰে হল।

টেনাৰ্ডিয়েৰে উত্তৰ দিলে—"মোৰ দানী বন্ধু! ফটা-চোলা পিন্ধা কুবেৰৰ ভৰালি! মোক পাহৰি পেলালা ? আঠ বছৰৰ আগতে ১৮২৩ খৃষ্টাব্দৰ খ্ৰীষ্টমাছৰ ৰাতি তুমিয়েই মোৰ ম'ফেৰ্মাৰ মেলৰ হোটেলত আলহী হোৱাহি নাইনে ? তুমিয়েই মোক ছলকৰি ফঁটিনৰ জীয়েক লাৰ্কক মোৰ ঘৰৰপৰা লৈ যোৱা নাইনে ? ১৫০০ ফ্ৰা দি ছোৱালীজনী লৈ গলি। আৰু পালোহেতেন। তোৰ হাতৰ টোকোনৰ ভয়ত হাবিৰ মাজত একো নকৰিলো। মনৰ খণ্ড মনতে মাৰ নিয়াই গুচি আহিলো। আজি ক'ত সাৰিবি ?"

বুঢ়াই আগৰদৰেই অবিচলিতভাৱে উত্তৰ কৰিলে—"আপুনি কি কৈছে, মই একো বুজিব পৰা নাই। মই দুখীয়া মানুহ। কাক কুবেৰ পাতিছে আপুনি ? মোক আন কোনোবা বুলি ভুল কৰিছে।"

"টেঙৰালি নেথাটে! তই মোক চিনি পোৱা নাই ?"

"ক্ষমা কৰিব! মই চিনি পাইছো—আপুনি এটা দস্যু।"

"তোৰদৰে মই লোকৰ ছোৱালী চুৰ কৰি ফুৰা নাই। মই ফৰাছী সেনা! ৱাটাৰলুত যুদ্ধ কৰি আহিছো। পণ্টমাৰচি ছেন বেৰণৰ জীৱন ৰক্ষা কৰিছো। বেছি কথাৰ আৱশ্যক নাই। দিয় যদি দে মোক কিছুমান ধন—নহলে মৰিলি।"

বুঢ়াই একো নেমাতিলে। জনড্ৰেটে কথা কৈ থাকোতে ঘৰটোৰ চাৰিওকাষ বুঢ়াই ভালকৈ চাই লৈছিল। জনড্ৰেটে কথা কৈ এটাই যেতিয়া খঙত বলিয়া হৈ ঘৰটোৰ ভিতৰতে ইফালৰ পৰা সিফালে অহাযোৱা কৰি আছিল, বুঢ়াই একে জাপেই খিৰিকিৰ ওপৰত উঠি বাহিৰলৈ জপিয়াবলৈ হাত ভৰি মেলি দিলে। গাটোৰ আধা বাহিৰ নৌ-হওঁতেই টেনাৰ্ডিয়েৰ পত্নী আৰু মানুহ চাৰিটাই বুঢ়াক থাপ মাৰি ধৰি ভিতৰলৈ টানি আনিলে। তুমুল সংগ্ৰাম চলিল। বুঢ়াৰ গোৰ, লাঠি, ভুকু চকাত এটাইবোৰ চিংপাই চিৎখাই পৰিল, কিন্তু বুঢ়াই অকলে কি কৰিব ? বুঢ়া ভাগৰি পৰিল। বুঢ়াক এটাইজাকে নি বিছনা এখনৰ ওপৰত হেচা মাৰি ধৰি বাগৰা-বাগৰি লগালে। মেৰিয়াছ আৰু থিৰেৰে থাকিব নোৱৰাত পৰিল। তেওঁ পিস্তল দাঙি ওপৰলৈ চাই মনে মনে কবলৈ ধৰিলে—"পিতা, মোক ক্ষমা কৰিবা।" এইবুলি সি পিস্তলৰ ঘোঁৰা টিপিব খোজোতেই জনড্ৰেটে মাত দিলে, "সাৱধান! বুঢ়াক দুখ নিদিবা।"

মানুহকেটাই বুঢ়াক বিছনাখনৰ খুটা এটাত বান্ধি পেলালে। বন্ধা হলত জনড্ৰেটে কলে—"জেপত কি কি আছে বিচাৰা।"

মানুহকেটাই বুঢ়াৰ জেপত হাত ভৰালে। বুঢ়াই কাতি-কুটা একোকে নকৰিলে। জেপৰ ভিতৰত ধন ছয় ফ্ৰাঁ আৰু কমালখনৰ বাহিৰে একো নেপালে।

টেনাৰ্ডিয়েৰ ওৰফে জনড্ৰেটে ধনখিনি আৰু কমালখন জেপত ভৰাই চকি এখনৰ ওপৰত বহি পৰিল। বুঢ়াৰ ফালে কিছুমান পৰ একেৰাহে চাই থাকি মাত লগালে, "তুমি খিৰিকিয়েদি জাপ মাৰি কিয় হাত-ভৰি ভাঙিব খুজিছিলা ? তুমি অতপৰে চিঞৰ-বাখৰ কৰি মানুহ গোটাব পাৰিলাহেতেন। তুমি এটা বিভো মৰা নাই। তাৰ মানে তুমি পুলিছ মাতিব নোখোজা। ইও এক সন্দেহৰ বিষয়। তুমি পুলিছৰ পৰা আঁতৰি



থাকিব খোজা, অৰ্থাৎ তোমাৰ গাত অলপ চেকা আছে। বেছ কথা। আমিও পুলিছৰ হাতত পৰিব নোখোজো। তেন্তে আমি আপেছাতে এটা মীমাংসা কৰি পেলাওঁ। মোক ধন লাগে। তুমিও উদং হব নেলাগে। তোমাৰো হক, মোৰো হক। মোক বেছি নেলাগে, ২০০০ ফ্ৰাঁ দিয়া।"

বুঢ়াই হা না একোকে নকলে। টেনাৰ্ডিয়েৰে কৈ গল, "তোমাৰ হাতত এতিয়া ধন নাই, মই জানো। কিন্তু তুমি এটা কাম কৰা, মই তোমাক কৈ যাওঁ, তুমি লিখি যোৱা।" এই বুলি টেনাৰ্ডিয়েৰে কাগজ কলম চিয়াঁহিৰে মেজ এখন বুঢ়াৰ ফালে আগবঢ়াই দি কলে, "লিখা।"

বন্দীৰ মুখত মাত ওলাল—"কেনেকৈ লিখো। হাত দুয়োখন বন্ধা।"

টেনাৰ্ডিয়েৰৰ ইঙ্গিতত মানুহকেটাই বন্দীৰ হাত মুকলি কৰি দিলে। বন্দীয়ে হাতত কলম লৈ লিখিবলৈ ওলাল। টেনাৰ্ডিয়েৰে কবলৈ ধৰিলে—

"কল্যাণীয়া,

চিঠি পোৱা মাত্ৰে আহিবা। বিশেষ দৰকাৰ। পত্ৰবাহকক তোমাক আনিবলৈ পঠালো। মই বৈ আছো। কোনো আশঙ্কা নকৰিবা।"

বন্দীয়ে লিখি গল। লিখা শেষ হলত টেনাৰ্ডিয়েৰে মাত দিলে, "তোমাৰ নাম চহী কৰা। তোমাৰ কমালত লেখা আছে U. F.। U. F. বুলিয়েই লিখা। ঠিকনা দিয়া। জীয়েৰৰ নাম লিখা, মেডমজেল ফেবাৰ। ১৭নং ছেণ্ট ডমিনিক।"

টেনাৰ্ডিয়েৰে চিঠিখন লৈ ঘৈণীয়েক আৰু মানুহ এটাক তৎক্ষণাৎ পত্ৰ-গ্ৰাহকৰ কাষলৈ পঠিয়াই দিলে। মেৰিয়াছে মন্ত্ৰমুগ্ধ প্ৰায় থৰ হৈ একে ঠাইতে ঠিয় দি ৰৈ থাকিল। বন্দী, টেনাৰ্ডিয়েৰ, আৰু মানুহকেটা কাঠৰ পুতলাৰ দৰে চুকে চুকে বহি ৰল।

কিছুমান পৰ তলকা মাৰি থকাৰ পাছত টেনাৰ্ডিয়েৰে মাত লগালে, "তোমাৰ জীয়েৰে চিঠিখন পায়ে পত্ৰবাহকৰ লগত গুচি আহিব। সিহঁতে তাইক নি পলুৱাই থবগৈ। তুমি যেতিয়া মোৰ হাতত ধন দিবাহি তেতিয়াহে তাইক এৰি দিম। এতিয়া সিহঁত আহি পালেহিয়েই তোমাৰ মুক্তি। তোমাৰ যলৈকে ইচ্ছা যাব পাৰিবা, কিন্তু পুলিছক খবৰ দিলে তোমাৰ ছোৱালীৰ পিনে আৰু আশা নেৰাখিবা।" মেৰিয়াছৰ আকাশে জীৱ গল। মেৰিয়াছে ভাবিলে, পিস্তলৰ শব্দ কৰি পুলিছ মাতি আনে। কিন্তু ইফালে টেনাৰ্ডিয়েৰে কৈছে, "ছোৱালীজনীৰ আশা নেথাকিব।" মেৰিয়াছৰ মূৰত স্বৰগ পৰিল। কি কৰিব কি নকৰিব একো ঠিক কৰিব নোৱাৰি দুই নাও দুই ভৰি হৈ ৰল। এনেতে ছোৱালীজনী আনিবলৈ যোৱা মানুহবোৰ উভটি আহি ঘৰৰ ভিতৰ সোমাল। টেনাৰ্ডিয়েৰে কিবা সুধিবলৈ মুখ কৰোঁতেই মাডাম টেনাৰ্ডিয়েৰ খঙত টিঙিৰি তুলা যেন হৈ কঁপি-জপি কবলৈ ধৰিলে—"একেবাৰে ফাঁকি কথা। এনে নাম তাত কোনেও শুনাই নাই।"

টেনাৰ্ডিয়েৰে বন্দীৰ ফালে চাই হতাশ গম্ভীৰভাৱে মাত লগালে—"মিছা ঠিকনা দিছিলি ? কিহৰ আশাত ?"

বজ্ৰ গম্ভীৰস্বৰে নিৰ্ভীক বন্দীয়ে উত্তৰ কৰিলে, "সময়ৰ আশাত। এতিয়া বহুতো সময় পালো।" এই বুলি খপহকৰে হাত মেলি চিমনীত তপতাই থোৱা ৰঙা লোহা এডাল তুলি লৈ ডাঙৰ ডাঙৰকৈ কবলৈ ধৰিলে "পাষণ্ডহঁত! মোৰ জীৱনত কোনো মমতা নাই। তহঁতে ভাবিছ, এই লোহা পুৰি মোৰ গাত লগাই মোৰ পৰা কথা উলিয়াব পাৰিবি। আশা নাই; আশা নাই। এই চা।" কথাষাৰ শেষ হোৱাৰ লগে লগে চোলাৰ হাত কোচাই লৈ, তপত লোহাডাল হাতত লগাই দিলে। তপত লোহাত লাগি হাতখন ফৰ্ ফৰ্ কৰে পুৰি গল। মানুহ পোৰাৰ গোন্ধত ঘৰটো অৎকাৰ হৈ উঠিল। মেৰিয়াছৰ গা জৰ ঘমাদি ঘামিবলৈ ধৰিলে। টেনাৰ্ডিয়ে আৰু তাৰ লগৰীয়াহঁত ভয়ত পাছহুঁহকি পৰিল। কিন্তু বন্দীৰ মুখত তিলমানো কষ্টৰ চিন নোলাল। ধীৰ স্থিৰ দৃষ্টিৰে টেনাৰ্ডিয়েৰ ফালে চাই বিজয়-দৃপ্তস্বৰে মাত দিলে, "কৰ, কি ইচ্ছা।" এই দৃষ্টিত ঘৃণা নাছিল, কষ্ট নাছিল। সি এক প্ৰশান্ত, স্নিগ্ধ, সুন্দৰ দৃষ্টি।

টেনাডিয়েৰ পত্নীয়ে মাত দিলে—'ইয়াক কাটি পেলাওঁ।" টেনাডিয়েই কথাষাৰ শুনা মাত্ৰকে এখন কটাৰী উলিয়াই আনিলে। ধাৰ দিয়া কটাৰী। ৰাতিৰ এন্ধাৰ পোহৰৰ দোমোজাত চিক্‌মিকাই উঠিছিল। মেৰিয়াছে হাতত পিস্তল লৈ থৰ্‌থৰ্‌কৈ কঁপিবলৈ ধৰিলে। এনেতে এচাটি জোনৰ পোহৰ আহি মেৰিয়াছৰ ঘৰৰ ভিতৰখন পোহৰ কৰি পেলালে। মেৰিয়াছৰ চকু তাৰ মেজৰ ওপৰলৈ যোৱা মাত্ৰকে টেনাডিয়েৰ বৰ জীয়েকে পুৰা "পুলিচ আহিছে" বুলি লিখি থোৱা কাগজখন তাৰ চকুত পৰিল। কাগজখনত চকুপৰা মাত্ৰকে বিজুলী চমকৰ দৰে হঠাৎ মেৰিয়াছৰ মনত এটা বুদ্ধিয়ে ভুমুকি মাৰিলে। বিপন্নও ৰক্ষা হব, পিতৃ-আজ্ঞাও পালন কৰিব। কাগজখন বুটলি লৈ, টোপোলা এটা কৰি বেৰৰ জল-ঙাই দি টেনাডিয়েৰ ঘৰলৈ দলিয়াই দিলে।

ঠিক সময়তে টেনাডিয়েৰ আদেশত তাৰ সহকাৰী মানুহ কেইটাই বন্দীক হাতে-ভৰিয়ে জপতিয়াই ধৰি থৈ আছিল। টেনাডিয়েই হাতত কটাৰী লৈ নৰহত্যাৰ সকলো ভয়-কুণ্ঠা আঁতৰাই বন্দীৰ ফালে আগবাঢ়িছে। এনেতে টেনাডিয়েৰ পত্নীয়ে মাত দিলে "ৰবাচোন, কিবা এটা পৰাৰ শব্দ শুনিছো। এয়া এইটো কি?" এইবুলি তাই কাগজৰ টোপোলাটো বুটলি লৈ আচৰিত হৈ গিৰিয়েকৰ হাতত দিলে। গিৰিয়েকে ভয়ে-বিস্ময়ে কাগজৰ টোপো-লাটো লৈ মেলিবলৈ ধৰিলে। টোপোলাটোৰ ভিতৰত জীয়েকৰ হাতৰ আখৰ আৰু কথাখিনি দেখি উত্তাৰল-ভাৱে চিয়ঁৰি উঠিল—"পলাওঁ, পলাওঁ, জখলা লগা, খিৰি-কিয়েদি নেসাৰিলে উপায় নাই।" কথাষাৰ কোৱা মাত্ৰে এটাইখনৰে হুৰামুৰা লাগিল। মানুহকেইটাই বন্দীক এৰি দি জখলা লগাবলৈ ধৰিলে।

জখলা লগোৱা শেষ নৌ হওঁতেই পুলিচ ইন্সপেক্টৰ জাভেয়াৰ দলে-বলে আহি ঘৰৰ ভিতৰ সোমাই মাত দিলে "খবৰদাৰ! কোনো নপলাবি।" জাভেয়াৰক দেখিয়েই আটাইখনৰ আকাশে জীৰ গল। বুকু ঢপ্-ঢপাবলৈ ধৰিলে। যতে আছিল ততে থৰ হৈ ৰৈ গল। জাভেয়াৰ সিইতৰ চিৰপৰিচিত মানুহ।

ঘৰটোৰ ভিতৰত মম-বাতি এডাল ঢিমিক-ঢামাককৈ জ্বলি আছিল। জাভেয়াৰৰ মানুহ আহি মম-বাতিৰ পোহৰ ঢাকি পেলালে। জাভেয়াৰে তেওঁৰ সহকাৰীবোৰক আদেশ কৰিলে, "ইইঁতক হাত কেৰেয়া দে, বন্দীৰ বান্ধ মোকোলা।" এইবুলি তেওঁ জেপৰপৰা কাগজ, পেন্‌ছিল উলিয়াই ঘট-নাৰ বিৱৰণ লিখিবলৈ ধৰিলে। লিখা শেষ হলত সহকাৰী একজনক কলে, "মানুহজনক মোৰ আগলৈ আন।"

মানুহজন নাই। দুৱাৰমুখ মানুহে আগুৰি আছিল। মানুহ নাছিল মাথোন খিৰিকিৰ কাষত। পুলিচৰ মানুহে তেওঁৰ বান্ধ খুলি দিয়াত মানুহৰ ওপৰা-ওপৰি, মমবাতিৰ ঢিমিক-ঢ'মাক পোহৰ আৰু মেলা খিৰিকিৰ সুবিধা পাই জাভেয়াৰে লিখি থাকোতে বন্দী কেতিয়াবা পলাই গুচি গল।

জাভেয়াৰে দাঁত কৰচি কৰচি মাত লগালে—"সেই পাষণ্ডহে কিজানি গোটেই ঝাকৰ ভিতৰত বেছি গভা-ইত।"

পাছদিনা সন্ধিয়া লাগি ভগাৰ পিছত এটা ভিকহু হাৰছাল ওলোৱা লৰাই বাটে বাটে চিঞৰি চিঞৰি গান গাই গাই ঘৰটোৰ দুৱাৰমুখত ঠিয় দিলেহি। তাৰ গাত কাপোৰ-কানি বুলিবলৈ কেইডোখৰমান ফটাকানি মাথোন। তথাপি ফেব্ৰুৱাৰী মাহৰ মহামাৰী জাৰলৈ সি কেৰেপকে কৰা নাছিল। ঘৰটোৰ দুৱাৰখন জপোৱা পাই তাৰ সক সক ভৰি কেটাত পিন্ধি অহা নাও যেন কোনো জোৰেৰে সি দুৱাৰত গুৰিয়াবলৈ ধৰিলে। দুৱাৰত গুৰি-য়াৰ শব্দ শুনি ঘৰৰ বুঢ়ী গিৰিহঁতনীয়ে হাত-পাত জোকাৰি মুখৰ ৰাৰ-বুৰি ভাওতি-ভঙিতা কৰি দুৱাৰ মেলি ওলাই আহিল। মুখত "ইতচিৰী তোৱা, জহনীত যোৱা" তো লাগিয়ে আছে। দুৱাৰ মেলি ওলায়ে এই লৰাটোক দেখি আৰু একোৰ চিঁৰি উঠিল। লৰাক বুঢ়ীয়ে ভাল-কৈয়ে চিনি পায়। বুঢ়ীয়ে দুৱাৰেদি মুখখন উলিয়াই মাত দিলে—"চদকা খোৱা, দুৱাৰখন গুৰিয়াই ভাঙিবলৈ তোক কিহে পাইছে? জহনীত যাব খুইছনে কি? যা যা, ইয়াত কোনো নাই। নহলে বুঢ়ীমাৰে শুদাই নেৰো।"



"পিতা কলৈ গল।"

"ফাটেককৈ।"

"ধাঃ। আই একা?"

"পগলা গাৰাদত।"

"বাইদেওহঁত?"

"ভানো কলৈ গল!"

"কেনে মজা!"

"ভালে ভালে যা ইয়াৰপৰা।" এই বুলি বুঢ়ী দুৱাৰ মাৰি ভিতৰ সোমাল। লৰাটোৱে বুঢ়ীয়ে দিয়া খবৰটো মোকোচা বান্ধি যি বাটেদি আহিছিল আকৌ সেই বাটেই খোজ ললে। কন্তেকৰ পাছতে লৰাটোৰ শিশুকণ্ঠৰ সুমধুৰ সুৰ আহি বুঢ়ীৰ কাণত পৰিল। সন্ধিয়াৰ জুৰ বতাহত উৰি অহা সেই শপাই গীতটি বহুত দূৰলৈকে শুনা গৈছিল। সি আপোন-পাহৰা হৈ বাটে বাটে গাই গৈছিল—

"ভৰিতে ফানটি হাতত কৰেফাই
কাউৰী মাৰিবৰ চেও;
স্বৰ্গদেও ওলালে চিকাৰ কৰিবলৈ
ঘোঁৰায়ো মেলিলে দেও।
দলঙৰ ওপৰত স্বৰ্গদেও জিৰালে
ঘোঁৰাৰ ওপৰত উঠি—
বাটৰ ঘাটকৰা দলি মাৰি যোৱা
হাঁচটিৰ একোটি কড়ি।"

আগলৈ

শ্ৰীধানেশ্বৰ হাজৰিকা

---

# অসমীয়া শব্দ-সংগ্ৰহ

অসমীয়া অভিধান যুগুত হব ধৰিছে। এই সময়ত যেয়ে যেনেকৈ পাৰে এই জাতীয় কাৰ্য্যত সহায় কৰা উচিত। আন প্ৰকাৰে নহলেও কোনো পুৰণি পুথি পঢ়োতে যিবিলাক নতুন শব্দ পোৱা যায়, সেইবিলাক কোনো কাকত-পত্ৰত প্ৰকাশ কৰিলেও এই কামত সহায় কৰা হব। সকলোৱে যদি এইদৰে প্ৰকাশ কৰে তাৰপৰা অভিধানত ঠাইপাবলগীয়া বহুত শব্দ যে সংগৃহীত হব তাত সন্দেহ নাই। আজি কেই বছৰমান আগেয়ে কেইজন মান সাহিত্যিকে "আসাম বান্ধব" আৰু "আলোচনী"ত এইদৰে পুৰণি পুথিৰপৰা শব্দ প্ৰকাশ কৰিছিল; আৰু তেওঁলোকৰ অগ্ৰণী আছিল শ্ৰীযুত ভাৰত চন্দ্ৰ দাস ই, এ, ছি, মহাশয়। তেখেতে খাইকৈ অসমীয়া কন্দলি ৰামায়ণৰপৰা বহুত শব্দ প্ৰকাশ কৰিছিল। তেখেতৰ হাতত অপ্ৰকাশিত আৰু বহুত শব্দ আছে বুলি আমি জানিব পাৰিছো।

এতিয়া আমি শ্ৰদ্ধাস্পদ শ্ৰীযুত দুৰ্গাধৰ বৰকটকী ডাঙৰীয়াৰ দ্বাৰা সংগৃহীত আৰু প্ৰকাশিত বিৰাট-পৰ্ব্বৰপৰা কিছুমান শব্দ সংগ্ৰহ কৰি তলত তুলি দিলো। আশাকৰো আন আন পুথিৰপৰা আৰু বহুতে এইদৰে শব্দ প্ৰকাশ কৰিব। শঙ্কৰী যুগৰ সাহিত্যই শদিয়াৰপৰা কৰতোয়া পৰ্য্যন্ত সকলোকে আনন্দ দিব পাৰিছিল। আজিৰ বৰ্ত্তমান অসমীয়া সাহিত্যই সেইটো কৰোকছাৰি ব্ৰহ্মপুত্ৰ উপত্যকাৰ ছখন জিলাবাসীকে সমানে আনন্দ দিব পৰা নাই। তাৰ কাৰণ, বৰ্ত্তমান অসমীয়া সাহিত্যত সঙ্কীৰ্ণতা দোষ ঘটিছে। অথচ শঙ্কৰী যুগৰ সাহিত্য এতিয়াও সকলোৱে পঢ়ে আৰু আনন্দ পায়! এতেকে পুৰণি সাহিত্যৰপৰা বাচি বাচি ভাল ভাল শব্দবিলাক অসমীয়া অভিধানত ঠাই দি বৰ্ত্তমান অসমীয়া ভাষাক উদাৰ আৰু সতেজ কৰি তোলা উচিত। দ্বিতীয়তে, আমি আজিকালি সাহিত্য ৰচনা কৰোতে গোৱালপাৰাবাসী অসমীয়া ভাইসকলৰ প্ৰতি লক্ষ্য ৰাখিব লাগে। সেয়ে হলে আমাৰ সাহিত্যও উদাৰ হব; লগতে গোৱালপাৰা বাসীও চিৰকালে আমাৰ নিজৰ ভাই-ককাই হৈ থাকিব, নহলে গোৱালপাৰাবাসী খাইকৈ অকল এইটি দোষৰ

নিমিত্তেই যে আজি নহয় কাইলৈ বঙ্গভাষী হব, ই প্ৰায় ধ্ৰুব কথা; আৰু তেনে কৰিবলৈ যে এদলে সদায় চেষ্টা কৰি আছে, তাকো সকলোৱে জানে।

১। ভিৰি—বেগাই; সোঁতাই। যেনে—

"আৰ্ত্তনাদ কৰি ভিৰি মাৰন্ত লৱৰ।" ৪০৪

২। থুকি থুকি- ৰৰকৈ; অস্থিৰ হৈ। যেনে—

"থুকি থুকি হাসি হাসি পৰে সিংহাসনে।" ৪০৫

৩। লাগি—লৈ।

"মোহোৰ ঘৰক লাগি আইলে একেদিনে।" ৪১৩

৪। লাগি—নিমিত্তে। যেনে—

"তুইকো লাগি তুইবো আছয় মহাৰাগ।" ৪১৪

৫। গদ গদ—মনৰ তুখৰ কাৰণে ধীৰ কিন্তু স্পষ্ট। যেনে—

"গদ গদ কৰি পাছে বুলিলন্ত বাক।" ৪১৯

৬। তেনয়, তেহ্নয়—তেনেকুৱা। যেনে—

"তোমাকো তেহ্নয় দেখোঁ। স্বামী নাই সঙ্গে।" ৪৬

৭। এনয়—এনেকুৱা। যেনে—

"এনয় বচন কেন মুখত ওলাই।" ৪৬৮

৮। চল্লাল—কম বয়সৰ লৰা। যেনে—

"অধম চল্লাল যেন থাকে নদীকোলে।" ৪৮১

৯। গহ—ক্ষমতা। লজ্যা—বশ বা অধীন কৰা। যেনে—

"বাপেৰবো গহ নাই মোক লজ্যিবাক।" ৪৮৫

১০। তভো—তথাপি। যেনে—

"কাকুতি কৰিলো তভো নাযায় মোৰ থান।" ৪৮৭

১১। পাৰোৱাল—পাৰ হব খোজা জন। যেনে—

"যেন পাৰোৱালে নৌকা পায়া ৰঙ্গ ভৈলা।" ৫১৬

১২। বিচাইবা—পাৰিবা।

১৩। হংস তুলি—যি তুলিত পাখি মেলি থকা ৰাজহাঁহ সূতাৰে আঁকি দিয়া হৈছে। যেনে—

"ৰত্নময় খাটত বিচাইবা হংসতুলি।" ৫২০

১৪। প্ৰাণক টাঙ্কিয়া—প্ৰাণটাকি; প্ৰাণে বিমান সয় তিমান।

১৫। চোট—শৰীৰৰ তুখ বা বেদনা।

যেনে—"প্ৰাণক টাঙ্কিয়া পাছে আস্ফোলেক দিল।
চোট্ পায়া তুৰাচাৰে হাতক এৰিলা॥" ৫২৬

১৬। নিৰ্ঘাত—ভয়ঙ্কৰ আঘাত; বজ্ৰপাত। যেনে—

"তুহানো মুণ্ডত যেন পৰিল নিৰ্ঘাত।" ৫২৯

১৭। গুণে—নিমিত্তে। যেনে—

"সিগুণে পাপীক নমাৰিলা বৃকোদৰে।" ৫৩২

১৮। ভিতি—ফালে; পিনে। যেনে—

"একদিনা গৈলা সিটো মহাদৈৰ ভিতি।" ৫৬৯

১৯। মহাদৈ—মাদৈ; মহাৰাণী।

২০। যুৱাৰ, যুৱাৰী—পাশাখেলাত পটু আৰু প্ৰিয় জন। যেনে—

"তযু ভাই যুধিষ্ঠিৰ সাকল যুৱাৰ।" ৫৭০

২১। সুৱাৰ, সুপকাৰ—ৰান্ধনি।

২২। সজকাৰ—প্ৰস্তুত। "যাৰ সুপকাৰ শালে লক্ষেক সুৱাৰ।

"ৰাত্ৰিয়ে দিবসে অন্নপান সজকাৰ॥" ৫৭২

২৩। উপালন্ত—তুচ্ছজ্ঞান কৰা। যেনে—

"উপালন্ত স্বামীক নকৰো ভীমসেন।" ৬০১

২৪। অমুৰ্য্যম—লাজ। যেনে—

"এড়ি মোক বোলৈ প্ৰিয়ভাৰে।" ৬০৫

২৫। শিথান—মূৰ পোৱা ঠাই। যেনে—

"উকত শিথান দিয়া কান্দন্ত গোসাঁনী।" ৬১৩

২৬। ধ্বন্ধা—উগুল-থুগুল ভাব। যেনে—

"আজিসে মনৰ ধ্বন্ধা গুচিল আমাৰ।" ৬৫৮

২৭। ওৱাৰি—হাউলি; হুৱাৰ। যেনে—

"পুনৰপি আসৈ তাই তোমাৰ ওৱাৰি।" ৬৯৭

২৮। নিস্থল—দুষ্ট; পাষণ্ড। যেনে

"গন্ধৰ্ব্বৰো নাৰীক যে জোস্তাৰে নিস্থলে।" ৭৩২

২৯। খতি—ভেটি; পুৰস্কাৰ। যেনে—

"পাণ্ডৱৰ খতি খাই মিছা কথা কহে।" ৭৫৩

৩০। টেটন-টামন—দুষ্ট; ঠগ। যেনে—

"টেটন-টামন লোক স্তুতিৰে ৰাজ্যত।" ৭৬৬

৩১। চপ্ কৰে, চপ্ কৰি—ততালিকে; বেগাই। যেনে—

"তুমি আমি আসা আজি চপ্ কৰে যাওঁ।" ৭৭৯

৩২। অলাগত—অলাগতিয়াল। যেনে—

"অলাগত চিন্তা ৰাজা এৰিওক আৰু।" ৯৮৪

আৰু আছে

শ্ৰীজলভিৰাম লহকৰ

---

# শিলঘাটৰ লিপি

"চেতনা"ৰ বৰ্ত্তমান ১৮৪৬ শকৰ আষোনৰ সংখ্যাত, শ্ৰীযুত সৰ্ব্বেশ্বৰ কটকী মহাশয়ে শিলঘাটৰ কামাখ্যা দেৱীৰ মন্দিৰ নিৰ্ম্মাণ বিষয়ক এখন শিলৰ ফলিৰ আৰু এটা 'ৰৰতোপৰ' গাত খোদিত লিপিৰো প্ৰতিলিপি অসমীয়া স্থূলাৰ্থৰ সহিত প্ৰকাশিত কৰি সকলোৰে ধন্যবাদৰ পাত্ৰ হৈছে। কিন্তু প্ৰকাশিত এই দুযোখন প্ৰতিলিপিতে কিছুমান ভুল আছে। ইয়াৰ কেইটামান সম্ভৱতঃ মুদ্ৰাকৰ প্ৰমাদ, অৱশিষ্টবোৰ মূললিপি বা পাঠোদ্ধাৰতে ব্যতিক্ৰম বুলি প্ৰতীতি হয়। যথাসম্ভৱ বিশুদ্ধপাঠ আৰু তাৰ লগত সম্পূৰ্ণ অসমীয়া অনুবাদও থকা প্ৰয়োজন, এই কাৰণে কেৱল প্ৰকাশিত প্ৰতিলিপি চাই যথাসাধ্য শুদ্ধিসাধন কৰি অসমীয়া অনুবাদৰ সহিত উক্ত প্ৰতিলিপি দুখন পুনৰ আপোনালোকৰ আগত ধৰিলো, আশাকৰো এনে কৰাত শ্ৰীযুত কটকী মহাশয়ৰ বা আন কাৰো অসন্তুষ্টিভাজন নহম।

## শোধিত প্ৰতিলিপি

স্বস্তি কৰকশিত কঠোৰ কোদণ্ড খণ্ড ক্ষিপ্ত কাণ্ড বিদীৰ্ণ বিপক্ষ পক্ষ বক্ষঃ প্ৰকট কপাট প্ৰেষিত ৰুধিৰ ধাৰা দিগ্ধ ভূভাগ গৰ্ভ ভদ্ৰকালী চৰণ সমৰ্চ্চনৈধিত তেজঃ পুণ্যকীৰ্ত্তি নীতিবিদগ্ধ ধৈৰ্য্যসাৰ মাৰ মনোৰম মূৰ্ত্তি নিখিল ক্ষমাপাল কিৰীট কোটি জুষ্ট পাদপীঠ বিবিধ বিত্ত বিশ্ৰাণন ক্ষিতিদেব দ্ৰুম শ্ৰীশ্ৰীস্বৰ্গদেব প্ৰমত্তসিংহ সৌমাৰ পীঠ পুৰন্দৰা নামাদেশ তন্তু ৰণ নলিনপৰাগৰাশি স্বৰ্গাবিতাৰাবধি (স্বৰ্গাবতাৰাবধি) স্বৰ্গনৰেন্দ্ৰচৰণ সেৱা ৰুচিৰ চিৰতুৰবান্বয় কমল তৰণি তৰুণ শ্ৰীযুত গদাধৰ বৃহৎফুকনেন শ্ৰী শ্ৰীকামাখ্যা মহাদেব্যাঃ পাষাণাদিময় মঠোয়ম্ নিৰমায়ি গিৰিৰসতৰ্ক সুধাংশু শাকে ১৬৬৭।

অনুবাদঃ—

যাৰ আদেশক্ৰমে এই মন্দিৰ নিৰ্ম্মিত তেওঁৰ, নিৰ্ম্মাণকাৰীসকলৰ আৰু জনসমূহৰ মঙ্গল হওক, (স্বৰ্গদেৱ প্ৰমত্ত সিংহ মহাৰাজে) নিজ হস্ত গৃহীত সুদৃঢ় ধনুঃখণ্ডৰপৰা বাণসমূহদ্বাৰা শত্ৰুপক্ষীয়সকলৰ কপাটৰ তুল্য বহল, উন্মুক্ত বা দৃশ্য বক্ষঃস্থলক বিদীৰ্ণ কৰি তাৰপৰা ৰুধিৰ ধাৰা প্ৰেষিত (স্ৰাবিত) কৰে আৰু এই ৰক্তধাৰা দ্বাৰা যি ভূভাগ গৰ্ভ (মাটিৰ তলত যি স্থান অৰ্থাৎ কালীমন্দিৰৰ যি ভূগৰ্ভস্থ প্ৰকোষ্ঠ) আৰ্দ্ৰ হয়, সেই ভূগৰ্ভগত কালী দেৱীৰ চৰণক অৰ্চ্চনা কৰি এওঁ (স্বৰ্গদেৱে) তেজপুণ্য আৰু কীৰ্ত্তি বৰ্দ্ধিত কৰে। নীতিকুশল অত্যন্ত ধৈৰ্য্যশালী এই স্বৰ্গদেৱৰ কলেৱৰ কামদেৱৰ তুল্য মনোৰম, ভূপতিসকলৰ কিৰীটৰ অগ্ৰভাগদ্বাৰা এওঁৰ পাদপীঠ সেৱিত আৰু শোভিত। বহুবিধ ধনদানদ্বাৰা মহামণ্ডলসমাগত দেৱক্ৰম (কল্পবৃক্ষ) স্বৰূপ, সৌমাৰ পীঠৰ পুৰন্দৰ (শত্ৰু নগৰ ধ্বংসকাৰী ইন্দ্ৰ বা ৰাজা) শ্ৰীশ্ৰীপ্ৰমত্তসিংহ মহামান্য স্বৰ্গদেৱৰ আদেশক্ৰমে—যাৰ (গদাধৰ বৰফুকনৰ) ৰণস্বৰূপ পদ্মৰ পৰাগৰাশি (বিজয়লব্ধ যশোৰাশি) স্বৰ্গ, সূৰ্য্য, তাৰালোক ব্যাপি স্থিতিশীল (অৰ্থাৎ ভুবনব্যাপী আৰু স্থায়ী) ইন্দ্ৰ বংশীয় নৰেন্দ্ৰসকলৰ চিৰকাল চৰণ-সেৱাদ্বাৰা যাৰ (ফুকণৰ) তুৰবা বংশ শোভিত হৈছে—সেই তুৰবাকুল-কমলৰ তৰণি (সূৰ্য্য—প্ৰকাশক) তৰুণ শ্ৰীযুক্ত গদাধৰ বৰফুকণে পাষাণাদিদ্বাৰা শ্ৰীশ্ৰীকামাখ্যা মহাদেৱীৰ এই মন্দিৰ গিৰি (৭) ৰস (৬) তৰ্ক (৬) সুধাংশু (১) শাকে (১৬৬৭) নিৰ্ম্মাণ কৰালে॥

কটকী মহাশয়ৰ প্ৰতিলিপিত 'প্ৰোশত' আছে, কিন্তু এই ঠাইত 'প্ৰোশত'ৰ সঙ্গত অৰ্থ নহয়। 'প্ৰেষিত' পাঠ হোৱা হে উচিত।

পূৰ্ব্ব প্ৰতিলিপিত 'ভৰ্গ' আছে, কিন্তু সেই প্ৰতিলিপিতে "শ্ৰীযুত গদাধৰ"ৰ ঠাইত যেনেকৈ "শ্ৰীতযু গদাধৰ" হৈ পৰিছে তেনেকৈ 'গৰ্ভ'ৰ ঠাইতে 'ভৰ্গ' হোৱা যেন প্ৰতীতি হয়। অতএৱ যদি 'গৰ্ভ'কে মূলগত পাঠ বুলি ধৰা যায় তেনেহলে স্বৰ্গদেৱ প্ৰমত্তসিংহই ভূগৰ্ভস্থ কোনো কালী মন্দিৰত স্থাপিত কালী দেৱীৰ অৰ্চ্চনা কৰিছিল আৰু সময়ে সময়ে তাত ৰণবন্দীকৃত শত্ৰুক বলি দিয়া হৈছিল বুলি

জানিব পাৰি। কিন্তু 'ভৰ্গ' পাঠহে যদি মূলত যথাৰ্থতঃ আছে তেনেহলে "ভৰ্গভদ্ৰকালী"ৰ অৰ্থ "তেজঃপূৰ্ণা ব্ৰহ্মময়ী দুৰ্গা" বা কালীদেবী—এনেকুৱা অৰ্থ কৰিব পাৰি।

মাৰ—কামদেৱ, ধৈৰ্য্য-সাৰ নহয়, কিন্তু প্ৰমত্তসিংহ মাৰ-মনোৰম হলেও "ধৈৰ্য্যসাৰ" আৰু এয়েই কামদেৱৰ অপেক্ষায় তেওঁৰ বৈশিষ্ট্য। পূৰ্ব্বপ্ৰতিলিপিৰ "স্বৰ্গাৰিতাৰাবধি' এই পাঠৰ পৰিবৰ্ত্তে 'স্বৰ্গাৰিতাৰাবাধি' পাঠ ধৰা হৈছে, কিন্তু 'স্বৰ্গাৰত্তাৰাবধি' পাঠহে উদ্দিষ্ট মূলগত পাঠ বুলি সমধিক প্ৰতীতি হয়। আৰু এয়ে যদি প্ৰকৃত পাঠ হয়, তেনেহলে তাৰ "স্বৰ্গৰপৰা অৱতৰণৰ সময়ৰপৰাই" অৰ্থাৎ ইন্দ্ৰবংশীয় প্ৰথম ৰজাৰ সময়ৰপৰাই, এই অৰ্থ হব।

## বৰতোপৰ গাত খোদিতলিপিৰ শোধিত প্ৰতিলিপি

শ্ৰীশ্ৰীস্বৰ্গনাৰায়ণ দেৱ মহাৰাজাধিৰাজ চক্ৰধ্বজ সিংহেন জয়োলব্ধস্ত (জয়লব্ধস্ত) সংগ্ৰামে যবনক্ষয়ে পুনঃ প্ৰাপ্ত মস্ত্ৰমিদম্ ভূপযশো বিহণনম্ ধ্ৰুবম্ শাকে ১৫৮৯।

অনুবাদঃ—১৫৮৯ শকাব্দত শ্ৰীশ্ৰীস্বৰ্গনাৰায়ণ দেৱ পৰনামা চক্ৰধ্বজসিংহ মহাৰাজাধিৰাজে সংগ্ৰামত যবন ক্ষয় কৰি জয়লাভ কৰে আৰু এই অস্ত্ৰ পুনঃ প্ৰাপ্ত হয়; এই অস্ত্ৰ নিশ্চিতেই ভূপ যশৰ অৰিহনন অৰ্থাৎ ভূপতি চক্ৰধ্বজৰ অজেয়ত্বাদি ৰূপ যশঃ বা কীৰ্ত্তিৰ অৰি বা প্ৰতিদ্বন্দ্বীবিলাকৰ হনন (নাশক)।

শ্ৰীশ্ৰীস্বৰ্গনাৰায়ণদেৱৰ অন্য নাম চক্ৰধ্বজসিংহ বুলি লিপিৰপৰা বুজিব পাৰি।

কটকী মহাশয়ৰ প্ৰতিলিপিত আছে, "জয়ালব্ধস্ত," কিন্তু শুদ্ধ পাঠ হব (১) জয়োলব্ধস্ত" বা (২) জয়লব্ধস্ত।' প্ৰথমটোৰ অৰ্থ চক্ৰধ্বজসিংহই জয় পাইছিল। দ্বিতীয়টোৰ অৰ্থ জয়ত লব্ধ অস্ত্ৰ (গতিকে 'জয়লব্ধং পদ অস্ত্ৰৰ বিশেষণ)।

লিপিত লিখিত 'পুনঃ' পদটো 'প্ৰাপ্তম্' এই কৃদন্ত ক্ৰিয়াৰ হে বিশেষণ, 'যবনক্ষয়'ৰ সহিত অন্বয় সুসঙ্গত নহয়। গতিকে ইয়াৰপৰা বুজিব পাৰি যে যৱনসকলে পূৰ্ব্বে পৰাজিত হলেও চক্ৰধ্বজ মহাৰাজৰ এই বৰতোপটো এবাৰ লৈ যাব পাৰিছিল। পিছত পৰবৰ্ত্তী যুদ্ধত চক্ৰধ্বজ মহাৰাজে এই অগ্ন্যস্ত্ৰক পুনশ্চ অধিকাৰ কৰে।

কাকাক্ষিগোলকন্যায় অৱলম্বন কৰি কোনোৰকমে 'পুনঃ' পদটোক 'যৱনক্ষয়ৰ' বিশেষণ যদি কৰাও যায় তথাপি 'প্ৰাপ্তম্' পদৰ বিশেষণও অৱশ্যে কৰিব লাগিব; অতএব, এই পক্ষেও অস্ত্ৰটো যে পূৰ্ব্বে স্বৰ্গনাৰায়ণৰে আছিল আৰু তাক যৱনৰপৰা পুনশ্চ পালে এনেকুৱা অৰ্থৰ পক্ষে কোনো বাধা নাই।

যদি 'ভূপযশোবিহননম্' এয়ে প্ৰকৃত পাঠ হয় তেন্তে 'ভূপতি চক্ৰধ্বজৰ অজেয়ত্বাদি কীৰ্ত্তিনাশক' এনে অৰ্থ হয়; অৰ্থাৎ চক্ৰধ্বজ মহাৰাজৰ এই বৃহন্নালিকাস্ত্ৰ পূৰ্ব্বে যৱন দ্বাৰা নীত হোৱাত তদীয় অজেয়ত্বাদিৰূপযশঃ নাশ প্ৰাপ্ত হৈছিল এই ফলিতাৰ্থ (এই অস্ত্ৰ তেওঁ এতিয়া পুনশ্চ পালে)।

'ধ্ৰুবম্' পদ 'শাকে'ৰ লগতো অন্বিত হয়।

ছুয়োপন প্ৰতিলিপিতে অন্য অশুদ্ধি সহজে বোধগম্য হয়, অধিকন্তু এই প্ৰতিলিপিত সংশোধিত পাঠ দিয়া হৈছে, অতএব পাদটীকাত সেইবোৰৰ পুনৰুল্লেখ নিষ্প্ৰয়োজন। *

শ্ৰীলক্ষ্মীকান্ত মিশ্ৰ ভাগৱতী

* তেজপুৰ সাৰস্বত সভাত পঠিত।

# পৰশুৰাম কুণ্ড দৰ্শন

আসাম যে পৰশুৰাম কুণ্ড কামাখ্যা বশিষ্ঠাশ্ৰম আৰু উমানন্দ আদি তীৰ্থৰ নিমিত্তে গোটেই ভাৰতবৰ্ষত প্ৰসিদ্ধ তাক কোনেও অস্বীকাৰ কৰিব নোৱাৰে। প্ৰত্যেক বছৰে ভাৰতৰ নানা প্ৰদেশৰ পৰা যাত্ৰী আসামলৈ তীৰ্থ কৰিবলৈ আহে। যাৰ নিমিত্তে আজি আসাম পবিত্ৰ আৰু অসমীয়া গৌৰৱান্বিত তেনেকুৱা পৰশুৰাম কুণ্ড যে প্ৰত্যেক অসমীয়াই দৰ্শন কৰিব লাগে তাক কোৱা বাহুল্য মাথোন।

পৰশুৰাম কুণ্ডলৈ যাবৰ ভালেমানৰ ইচ্ছা থকা স্বত্বেও পথ-কষ্টৰ ভয়ত যাবলৈ সকলোৱে সাহস নকৰে। কিন্তু প্ৰকৃততে এই শঙ্কা বহুত পৰিমাণে অমূলক।

ডিব্ৰু-শুদিয়া ৰেলেদি গলে চৌখোৱা ঘাটৰ পৰা শদিয়ালৈ প্ৰায় পাঁচ মাইল। বাৰিষা চৌখোৱা ঘাটৰ পৰা শদিয়ালৈ নাৱেৰে উজাই যাওঁতে প্ৰায় ৫ ঘণ্টামান লাগে, আৰু ভটীয়াই আহোঁতে প্ৰায় ৪৫ মিনিটমান লাগে। খৰালি হলে ব্ৰহ্মপুত্ৰৰ পানী শুকাই যায়। ৰেলৰ ষ্টেশ্যনৰপৰা ঘাটলৈ প্ৰায় ২॥ মাইলমান বালিত খোজ কাঢ়ি যাব লাগে। নাৱৰ ঘাটলৈ যাবৰ কাৰণে গৰুৰ গাৰী পোৱা যায়। ভেৰোণ প্ৰায় দুটকামান লয়।

শদিয়াৰ ওচৰতে কুণ্ডিল নৈ ব্ৰহ্মপুত্ৰৰ লগত লগ লাগিছে। শদিয়াত কেঞাবিলাকে সজোৱা এটা ধৰ্ম্মশালা আছে। যিবিলাক যাত্ৰীৰ কোনো চিনা জনা মানুহ নাই সিবিলাকে ধৰ্ম্মশালাতে থাকে।

শদিয়া নগৰখন যদিও সৰু, প্ৰকৃততে ই বৰ মনোৰম; বিশেষকৈ ইয়াৰ জল-বায়ু বৰ স্বাস্থ্যকৰ। শদিয়া যদিও non-regulated তথাপি ইয়াৰ শাসন-প্ৰণালী এক পক্ষে ভাল। তাত আমাৰ সাধাৰণ বজাৰৰ নিচিনা কোনেও গেলা-পচা মাছ বা তেনে আন বস্তু বেচিব নোৱাৰে। ইয়াত প্ৰায় এহেজাৰমান বৃটিশ সৈন্য থাকে। ইয়াৰ অধিবাসী অধিকাংশই নেপালী; বিদেশী মানুহে ইয়াক নেপালী-ৰাজ্য হে বুলিব। পৰ্ব্বতীয়া জাতিবোৰৰ ই এটা প্ৰধান আড্ডা। আবৰ মিচিমি আদি পৰ্ব্বতীয়া জাতিবোৰ আহি ইয়াত বেপাৰ কৰে। মিচিমিবিলাকে ইয়াত প্ৰচুৰ পৰিমাণে মিচিমি-তিতা বেচিবলৈ আনে। সিহঁতে নিজে তিতাবোৰ নেবেচে; গৱৰ্ণমেণ্টৰ এজন কেৰেণীয়ে বেচি দিয়ে, আৰু চৰকাৰে শতকৰা ১৫৲ টকাকৈ কমিশ্যন লয়। মিচিমিবোৰ আবৰবোৰতকৈ বেছি সভ্য আৰু ধুনীয়া। ইহঁতে ভীষ্মক ৰজাৰ বংশধৰ বুলি নিজক চিনাকী দিয়ে।

পৰশুৰাম কুণ্ডলৈ যোৱা প্ৰত্যেক যাত্ৰীয়ে একোখন 'পাছ' লব লাগে। একোখন পাছৰ দাম বাৰ অনা। 'পাছ' লোৱাৰ এই উদ্দেশ্য যে যদি কোনো মানুহৰ বাটত কোনো প্ৰকাৰে মৃত্যু হয় তেনেহলে গৱৰ্ণমেণ্টে তাৰ অনুসন্ধান কৰে; আৰু তাৰ যদি কোনো মাল-বস্তু থাকে, তাৰ ঘৰলৈ পঠিয়াই দিয়ায়। প্ৰত্যেক 'পাছ'তে যাত্ৰীৰ নিজৰ নাম আৰু ঠিকনা লিখা হয়। পৰশুৰাম কুণ্ডৰ পৰা ঘূৰি আহোঁতে প্ৰত্যেকৰে 'পাছ' ঘূৰাই দিব লাগে। 'পাছ' লওঁতে কোনো কষ্ট নাই।

শদিয়াৰপৰা পৰশুৰাম কুণ্ডলৈ প্ৰায় ৫৫ মাইল। এই ৫৫ মাইল খোজকাঢ়িও যাব পাৰি, আৰু তাৰে ৫০ মাইল গৰুৰ গাৰীতো যাব পাৰি, কুণ্ডৰ ওচৰত ৫ মাইল খোজকাঢ়ি যাবই লাগিব; এই পাঁচ মাইলত কোনো বাহন নচলে। যাত্ৰী বেছি হলে একোখন গাৰীৰ ভাৰা ২৫।৩০৲ টকাও লয়। শদিয়াৰপৰা ৰাতিতে গাৰী এৰে; বাটত গাৰী দিন ৰাতি সমানে চলে। শদিয়াৰপৰা ১৫ মাইল গলে চুণপোৰা-মুখ পায়;— ই এটা আড্ডা। যাত্ৰীবিলাকে ইয়াত ইচ্ছা হলে সুবিধামতে জিৰণি লয়। ইয়াত এজন ছব্-অভাৰছিয়াৰ আৰু এটা টেলিফোন্ অফিচ আছে; আৰু শদিয়াৰ পৰা ৯০ মাইল দূৰত থকা এটা আপ্‌পোষ্টৰ লগত টেলিফোন্ সংযোগ আছে। বাট বেয়া নহয়। গৰুৰ গাৰী অনায়াসে চলিব পাৰে। বাইছাইকলো যাব পাৰে।

বাটৰ দুয়োকাষে ঘোৰ অৰণ্য; কিন্তু বাটত ভয়ৰ

কোনো কাৰণ নাই। আজিলৈকে কোনো যাত্ৰীয়ে বাঘ বা আন হিংস্ৰক জন্তুৰপৰা ভয় পোৱা নাই। বাটৰ দুয়োকাষে অতি মনোৰম দৃশ্য; নানা তৰহৰ গছ-লতাই প্ৰকৃতি দেৱীক সজাই থৈছে। বাটৰ দুয়োকাষে কল-গছবোৰ এনে শাৰী শাৰীকৈ গজি আছে দেখিলে বোধহয় যেন কোনোবাই শাৰী-শাৰীকৈ পুতি কুশলতাৰে সজাইহে ৰাখিছে। পুৱা যেতিয়া সোণৰ ফলিৰ নিচিনাকৈ আকাশত অৰুণোদয় হয়, তেতিয়া যে বননিত কি অপূৰ্ব্ব জেউতি দেখা যায়!—সকলো প্ৰাকৃতিক দৃশ্য তেজলীয়া ৰঙেৰে ৰঞ্জিত হয়।

নানা পৰ্ব্বতীয়া জুৰিয়ে জগত স্ৰোতোস্বিনীৰ গুণ-গৰিমা কুল্ কুল্ ধ্বনিৰে গাই গৈছে। নানা ভূধৰ শিখৰত মেঘমালাবোৰ আহি লাগি আছে, দেখিলে বোধহয় যেন দৈত্যাল হাতীবোৰে দাঁতেৰে নদী পাৰ ভাঙিবলৈকে ক্ষেৰ পাতিছে।

চুণপোৱা-মুখৰপৰা সাত মাইল গৈ দিকৰাংমুখ পায়গৈ; ই এটা নৈৰ পাৰৰ আড্ডা। যাত্ৰীবিলাকে দুপৰীয়া ইয়াতে ভাত-পানী খায়। ইয়াৰ নৈবোৰত যথেষ্ট মাছ পোৱা যায়;—কোনো পৰশুৰাম কুণ্ডলৈ যোৱা যাত্ৰীয়ে মাছ-মাংস বাটত নাখায়। ইয়াত কোনো পশু-পক্ষীৰ চিন-চাব নাই। মাজে মাজে অকল হলু-বান্দৰৰ মাত শুনিবলৈ পোৱা যায়। মিচিমিইতক হলু-বান্দৰে মতাৰ কথা 'কিহে মাতিছে' বুলি সুধিলে সিহঁতে "হলু মাচাঙ্গিয়া" বুলি কয়;—বোধহয় ইয়াৰ অৰ্থ, হলু-বোৰে মাতিছে।

কুণ্ডলৈ যোৱা বাটত যিবোৰ আড্ডা পায়, প্ৰায় গোটেইবোৰে নদীৰ পাৰত অৱস্থিত। প্ৰত্যেক আড্ডাতে যাত্ৰীবিলাকে ভাত-পানী খায়, আৰু পুনৰ সকলোৱে একেলগে যাত্ৰা কৰে। বাটত যিবোৰ নৈ আছে প্ৰায় প্ৰত্যেকবোৰৰ ওপৰতে দলং আছে আৰু গাৰী অনায়াসে চলিব পাৰে। মিচিমিমুখ পালেই তাৰপৰা আৰু গাড়ী নচলে, ব্ৰহ্মপুত্ৰ পাৰ হৈ খোজকাঢ়ি যাব লাগে। মাল-বস্তু নিবৰ কাৰণে মিচিমি কুলি পোৱা যায়। সিহঁতে মিচিমিমুখৰপৰা কুণ্ডলৈ এটকা হাজিৰা লয়; সিহঁতে অসমীয়া বুজি নাপায়, দুই এজনে অলপ হিন্দী জানে। ইহঁতৰ লগত আকাৰে-ইঙ্গিতে কাজ চলাব লাগে। মিচিমিবিলাকৰ চেহেৰা বৰ সুন্দৰ। সকলো হৃষ্ট-পুষ্ট, কাৰো গাত ৰোগ নাই। ইহঁতৰ মটা মাইকী লৰা সকলোৰে একোটা চুৰট খোৱা পাইপ্ আছে; চুৰট ইহঁতৰ বৰ প্ৰিয় বস্তু। ইহঁত চাহৰ কাণীয়া— কিছুমান চাহ আৰু চুৰট দিলে ইহঁতৰপৰা বিশেষ সহায় পোৱা যায়। মিচিমিবিলাকে কাৰো একো অন্যায় নকৰে।

কুণ্ডলৈ যাওঁতে পোৱা আড্ডাবিলাকত ঘৰ নাই। মিচিমিমুখত ঘৰ সম্ভাৱৰ কাৰণে টিন্ আৰু কাঠ আনি থোৱা হৈছে। বোধহয়, ইমান দিনে ঘৰ সজা হল। এই ঘৰ কেঞা আৰু যাত্ৰীৰপৰা পইচা তুলি কৰা হৈছে। কুণ্ডৰ ওচৰতো তিনটা কুটিৰ ঘৰ আছে। কিন্তু কোনো তিথিৰ সময়ত গলে আগেয়ে যাব লাগে তেহে ঠাই পোৱা যায়, নহলে ঘৰত ঠাই পোৱা বৰ অসম্ভৱ।

ব্ৰহ্মপুত্ৰ নাৱেৰে পাৰ হব লাগে, মিচিমিবিলাকেই পাৰ কৰে, আৰু প্ৰত্যেক যাত্ৰীৰপৰা অহা-যোৱা এটকা খৰচ লয়। নাৱেৰে পাৰহওঁতে কোনো ভয়ৰ কাৰণ নাই, এখোৰ মাৰ নাও আছে।

ব্ৰহ্মপুত্ৰ পাৰ হৈ প্ৰায় পাঁচ মাইল কুণ্ডলৈ খোজকাঢ়ি যাব লাগে; এই পাঁচ মাইল বাট সিমান সুবিধাজনক নহয়। দেখি আচৰিত হব লাগে, তাত কমেও দেৰ হাজাৰমান যাত্ৰী সাধাৰণতে গোট খায়; আৰু কুণ্ডৰ পাৰত ঠাই নোহোৱাৰ নিচিনা হয়।

কুণ্ডটো তিনটা সৰু পৰ্ব্বতৰ মাজত অৱস্থিত। দুখন পাহাৰৰ মাজেদি বৈ আহি ব্ৰহ্মপুত্ৰ নদ কুণ্ডৰ লগত লগ লাগিছে। কুণ্ড পোৱাৰ আগেয়ে ব্ৰহ্মপুত্ৰ প্ৰায় ৭০ ফুটমান বহল হব; কুণ্ডৰ পৰা ওলাই অনুক্ৰমে বহল হৈ আহিছে। মিচিমিবিলাকে পৰশুকুণ্ডক "দেওপানী" বোলে। সিহঁতে ইয়াক পবিত্ৰ বুলি মানে। ঠিক কুণ্ডটোৰ ওচৰতে থকা টিলা এটাত থকা শিল এটাৰ তলৰপৰা অবিৰাম জলপ্ৰপাতৰ নিচিনা পানী ওলাই আছে। পানীবোৰ তুলনাত তপত। এই কুণ্ডৰ নিচিনা পৰিষ্কাৰ পানী প্ৰায়ে দেখিবলৈ পোৱা নেযায়। কুণ্ডটোৰে প্ৰায় এবিঘামান মাটি আবৰি আছে। শিলৰ তলৰপৰা পানী ওলাই কুণ্ডত পৰিলেই পানী চেঁচা হৈ যায়। ইয়াত বহুত বৌ মাছ আছে; আৰু সিহঁত জাকে জাকে সাঁতুৰি ফুৰে।

কুণ্ডটোৰ দৃশ্য অতি বিত্তোপন। এবাৰ চকু পৰিলে পুনৰ চকু ঘূৰাই আনিবলৈ মন নাযায়। ইয়াৰ সৌন্দৰ্য্য ইমান ভাল যে ভাষাৰে তাক বৰ্ণাব নোৱাৰি। নিজ চকুৰে দেখিলেহে তাৰ সৌন্দৰ্য্য অনুভৱ কৰিব পাৰি।

প্ৰকৃততে পৰশুৰাম কুণ্ডত স্নান কৰিলে মন পবিত্ৰ বুলি বোধ হয়। এই কুণ্ডৰ নাম কেনেকৈ পৰশুৰাম কুণ্ড হল আৰু ইয়াত স্নান কৰিলে কিয় পাপ কটা যায় তাক হিন্দুমাত্ৰেই জানে।

ইয়াত বৰ বতাহ। ইয়াত খৰি কিনিবলৈ পোৱা যায়, কিন্তু খোৱাৰ একো বস্তু কিনিবলৈ পোৱা নাযায়; সকলো শদিয়াৰ পৰা নিব লাগে। চন্দ্ৰগ্ৰহণৰ নিচিনা দিনত জনশূন্য পৰশুকুণ্ডৰ পাৰ "জয় পৰশুৰাম বাবা কি জয়" ধ্বনিৰে মুখৰিত হৈ থাকে।

শ্ৰীবল্লভচন্দ্ৰ বৰুৱা

---

# দৃষ্টিহীন

( আগৰ সংখ্যাৰ পিছৰ পৰা )

তৃতীয় কণা—আমিতো তিনিউ একে মন্দিৰৰে!

প্ৰথম কণা—সিহঁতে ( গাৱঁৰ মানুহবিলাকে ) কোৱা শুনিছিলো বোলে ভাল বতৰ হলে হেনো ইয়াৰ পৰা উত্তৰ ফালে বহুত দূৰলৈকে দেখা যায়—ক'তো মন্দিৰ-চন্দিৰ একো নাই, গোটেইখন মুকলি।

তৃতীয় কণা—আমাক ইয়ালৈ ভাইপেহে আনিলে।

সকলোতকৈ বুঢ়া কাণী—মই আকৌ আন এফালৰ পৰাহে আহিছিলো।

দ্বিতীয় কণা—তাইনো আকৌ ওলালহি কৰ পৰা?

সকলোতকৈ বুঢ়া কাণী—মই ভাবিবই নোৱাৰো ক'ৰপৰা।— মোৰ কেতিয়াবা জ্ঞান-নেজ্ঞানকৈহে মনত পৰে...... কেতিয়াবাই বহুত দিনৰ আগেয়ে......তেতিয়া আমাৰ তাত ইয়াতকৈ জাৰ বৰ চেচা!

গাভৰু কাণী—আৰু মই?—মই বহুত দূৰৰ .........

প্ৰথম কণা—বাৰু ক'ৰনো তেনে!

গাভৰু কাণী—মই কব নোৱাৰো। ক'মেই বা কেনেকৈ? ইয়াৰ পৰা বহুত দূৰ,—সাগৰৰ সিপাৰে। মই এখন বৰ ডাঙৰ দেশৰ পৰা আহিছিলো, তোক মাপোন হাতেৰেহে দেখুৱাব পাৰো—নেদেখোও—মই বহুত বাট খোজ কাঢ়িছিলো— কিন্তু মই বেলি দেখিছিলো, পানী দেখিছিলো, জুই দেখিছিলো—আৰু পৰ্ব্বত দেখিছিলো— মানুহৰ মুখ দেখিছিলো, নতুন নতুন ফুল দেখিছিলো.........এইখন দেশত ( এই দ্বীপত ) তেনেকুৱা একো নাই; এইখন বৰ বেয়া—চেচুক, বৰ জাৰ... মোৰ চকু ফুটিনবে পৰা মই আৰু সেই তাহানি পোৱা ভাল ভাল গোন্ধবিলাক নোপোৱা হলো। মই মোৰ আই-বোপাইক দেখিছিলো। ভাই-ভনীহঁতক দেখিছিলো...... মই তেতিয়া নিচেই অকণমান আছিলো......... ক'ত আছিলো তাকে পাহৰিলো— সাগৰৰ পাৰত খেলি ফুৰিছিলো.........এতিয়াও, মই দেখা বস্তুবিলাক কেনেকৈ মনত আছে! এদিন মই পৰ্ব্বতৰ টিঙত পৰা বৰফ চাইছিলো—......তেতিয়া মই সুখী অসুখী কাক বোলে অকণমান জানিবলৈ ধৰিছিলোহে......( সংসাৰৰ গম মোৰ লেশ মাত্ৰ হৈছিলহে )......

প্ৰথম কণা—তই এইখন কি বলকিছ?

গাভৰু কাণী—এতিয়াও মই সিহঁতৰ ( সুখী-দুখীৰ )

মাত শুনিলেই চিনিব পাৰো........সিহঁতৰ কথা, মই নভবাকৈয়ে মোৰ মনত ফট্ ফটীয়াহৈ আছে.........

প্ৰথম কণা--মোৰ একো কথা মনত নেথাকে, মই...

( ওচৰৰ জোপাত থকা ডাঙৰ ডাঙৰ চৰাই-বিলাক উৰাৰ শব্দ হয় আৰু কোঁৱাল শুনা যায় )

সকলোতকৈ বুঢ়া কণা-- হেৰ' আকাশৰ তলেদি আকৌ কিবা এটা গৈছে!

দ্বিতীয় কণা --তইনো ইয়ালৈ (আশ্ৰমলৈ) কিয় আহিছিলি ?

সকলোতকৈ বুঢ়া কণা—কাক কৈছ ?

দ্বিতীয় কণা— সৌ আমাৰ গাভৰু ভনীক ।

গাভৰু কাণী— মানুহবিলাকে কৈছিল যোলে মোক তেখেতে (সাধুজনে) ভাল কৰিব পাৰিব। তেখেতেও কৈছিল বোলে "মই তোক আকৌ এদিন চাম......... তেতিয়া মই দ্বীপটে ৰপৰা গুচি যাব পাৰিম............

প্ৰথম কণা— এৰা, আটাইবিলাক ইয়াৰ পৰা গুচি যোৱাহে ভাল!

দ্বিতীয় কণা— আমি চিৰকাল ইয়াতে থাকিম!

তৃতীয় কণা— তেখেত আলৰ-আপৰ বুঢ়া হল: আমাক ভাল কৰিবলৈ আৰু সময় কত পাব হবলা!

গাভৰু কাণী— তোমাৰ চকু-পিৰিঠি দুটাহে বন্ধ, কিন্তু চকু দুটা হলে ভালে আছে যেন পাওঁ............ ...

প্ৰথম কণা— মোৰ হলে চকুৰ পতা মেলখোৱা......

দ্বিতীয় কণা — মই শুলেও চকু মেল খায়েই থাকে।

তৃতীয় কণা— থ এইখন; চকুৰ কথা নেপাতিবি হঁক আৰু!

দ্বিতীয় কণা--তই ইয়ালৈ অহা বেছি দিন হোৱা নাই হবলা ?

সকলোতকৈ বুঢ়ী কাণী— এদিন সন্ধিয়া উপাসনা কৰোতে সেই মাইকীবিলাকৰ মাজত মই তোৰ মাত শুনিছিলো; মাত শুনিয়েই জানিছিলো তই গাভৰু; তোৰ মাত শুনিয়েই মোৰ তোক চাবৰ মন গৈছিল.........

প্ৰথম কণা—মই মনকে কৰা নাছিলো—

দ্বিতীয় কণা— তেখেতেতো আমাক কেতিয়াও কোনো কথা জানিব নিদিয়ে!

ষষ্ঠ কণা - সিহঁতে (গাৱঁৰ মানুহবিলাকে) কয় বোলে তই হেনো সেই দূৰৰপৰা অহা গাভৰুবিলাকৰ নিচিনা ধুনীয়া, শুৱনী; হয়নে ?

গাভৰু কাণী— কতা, মই মোৰ নিজ গাটোকে তো কেতিয়াও দেখা নাই ?

সকলোতকৈ বুঢ়া কণা— আমি কোনেও কাকো দেখা নাই। আমি ইটোৱে সিটোৱে কথা পাতো, উত্তৰ কৰো, একেলগে থাকো, একেলগে ফুৰো তথাপি আমি নো কেনে কেটা তাক কোনেও দেখা নাই।........ হাত ফুৰনেৰে চুবলৈকে কেনে ভাল লাগে; চকুৰেতো হাততকৈও বেছি জানে..........

ষষ্ঠ কণা— তই ৰদত থাকোতে মই কেতিয়াবা তোৰ ছাটো দেখো...........

সকলোতকৈ বুঢ়া কণা —আমি আমাৰ থকা ঘৰটোও দেখা নাই; বেৰ-খিৰিকিবিলাক হাতেৰে চুয়েই বৰ বঢ়িয়া লাগে; দেহি, আমি দিন-ৰাতি নো থাকো কত, তাকো নেজানো!.........

সকলোতকৈ বুঢ়ী কাণী— মানুহবিলাকে কোৱা শুনো, আমাৰ ঘৰটো হেনো এটা কৌটিকলীয়া অট্টালিকা; চেচুক, ঘোপমৰা এন্ধাৰ, আৰু বৰ বেয়া; আমাৰ সাধুজন থকা ওপৰ খোটালিটোৰ বাহিৰে কতো হেনো চাকি এটাকে দেখিবলৈ নাই।

প্ৰথম কণা-- চকুৱে নেদেখাক নো চাকি কেলেই ?

ষষ্ঠ কণা— আশ্ৰমৰ ওচৰত মই ভেৰা ৰখি থাকোতে গধূলি হলে ভেৰাবিলাক আপোনা-আপুনি নিজ নিজ ঘৰত সোমায়গৈ। সিহঁতে সেই ওপৰ খোটালিৰ পোহৰ দেখে......সিহঁতে মোক ঠিক আছল বাটটোৱেদি লৈ যায়, কেতিয়াও আওবাটে নিনিয়ে।

সকলোতকৈ বুঢ়া কণা—কিমান বছৰ যে আমি একেলগে আছোহঁক, তেও কোনেও কাকো দেখা নাই। মানুহে শুনিলে আমাক অকলশৰে থকা বুলিহে ভাবিব। ...... মানুহে মানুহক ভাল পাবলৈকো তো চকুৱে দেখিব লাগে।......



সকলোতকৈ বুঢ়ী কাণী—কেতিয়াবা মই সপোনত দেখো যেন মই চকুৰে দেখিছো........

সকলোতকৈ বুঢ়া কণা— মইও সেই সপোনতহে দেখো........

প্ৰথম কণা— মোৰ আকৌ দস্তুৰ—মই মাজনিশাহে সমাজ্ঞিক দেখো।

দ্বিতীয় কণা— যেতিয়া হাত দুখন অৱস হয় তেতিয়া আৰু মানুহে কিহৰ সপোন দেখে ?

[ধুমুহা বতাহ মাৰে, গছবিলাক থৰথৰ কৈ কঁপে আৰু সোপাসোপে গছৰ পাত সৰে।)

পঞ্চম কণা-- কোন অ', কোনে মোৰ হাতখন চুলে ?

প্ৰথম কণা— আমাৰ কেউকাষে কিবা কিছুমান পৰিছে।

সকলোতকৈ বুঢ়া কণা--ওপৰৰ পৰা পৰিছে দেখোন; জানো, ই আকৌ কি.........

পঞ্চম কণা— হেৰ' কোনে মোৰ হাতখন চুলিহঁক ? মই টোপনি গৈছিলো, এখুমটি শোওঁ দে।

সকলোতকৈ বুঢ়া কণা— কোনেনো তোৰ হাতখন চুবলৈ গৈছে ? কোনেও নাই ছোৱা।

পঞ্চম কণা—হেই, কোন ঔ এইটো, কেনে মোৰ হাত-খন আঁতৰাই নিছ ঔ ? অলপ ডাঙৰকৈ ক, মোৰ কাণখন অলপ গধুৰ...........

সকলোতকৈ বুঢ়া কণা— আমি নিজেই নেজানো।

পঞ্চম কণা— কি, সিহঁতে মোক সহাৰি দিবলৈ আহিছে নে কি ?

প্ৰথম কণা— অনৰ্থক চিঞঁৰি নেথাক; তাৰ কাণখন কলা, একো নুশুনে।

তৃতীয় কণা— সচাঁকৈয়ে দেহি কলা মানুহবিলাক বৰ দুৰ্ভগলীয়া!

সকলোতকৈ বুঢ়া কণা— মোৰ হলে বহি থাকি থাকি আমনি লাগিছে পাই।

ষষ্ঠ কণা— মোৰও ইয়াত থাকি থাকি আমনি লাগিছে।

দ্বিতীয় কণা— মোৰ মনেৰে আমি ইটোৱে সিটোৱে বহুত আঁতৰত হবলা........চাওঁ, অলপ ওচৰা-ওচৰিকৈ বহোঁহক ধৰ;--জাৰ লাগিছেহি—...........

তৃতীয় কণা— মোৰ দেখোন ঠিয় হবৰে সাহ নহয়! য'ৰ মানুহ ততে থকাই ভাল।

সকলোতকৈ বুঢ়া কণা—আমাৰ আৰু যে কি ঘটিবলৈ আছে তাক কোনে জানিছে!

ষষ্ঠ কণা -- মোৰ হাত দুখন তেজেৰে ৰাঙলি হল হবলা; মই ঠিয় হব খোজো।

তৃতীয় কণা -- তই মোৰ ফালে আওহা মই শুনিছো!

[ পাগলী কাণীজনীয়ে কান্দে, আৰু ৰৰকৈ চকু মোহাৰি মোহাৰি আঁঠুৰ হৈ পৰিথকা সাধুজনৰ ওচৰ চাপেহি ]

প্ৰথম কণা— আৰু কিবা এটা শবদ শুনিছো।

সকলোতকৈ বুঢ়ী কাণী— আমাৰ বেছেৰী ভনীয়ে চকু মোহাৰিছে হবলা!

দ্বিতীয় কণা— তাইৰতো আৰু তাৰ বাহিৰে একো কাম নাই; মই নিতো ৰাতি তাই তাকে কৰি থকা শুনো।

তৃতীয় কণা— তাই পাগলী, কেতিয়াও কথা এষাৰকে নকয়।

সকলোতকৈ বুঢ়ী কাণী— তাইৰ সেই লৰাটো হবৰেপৰা কথা এষাৰকে শুনা নাই। তাই যেন সদায় কিবা এটাৰ ভয় কৰি থাকে.........

সকলোতকৈ বুঢ়া কণা— বাৰু তোৰ জানো ইয়াত থাকি ভয় লগা নাই ?

প্ৰথম কণা— কাৰ ?

সকলোতকৈ বুঢ়া কণা— আমাৰ আটাইৰে!

সকলোতকৈ বুঢ়ী কাণী— ঔ, সঁচা; আমাৰ হলে ভয় লাগিছে।

গাভৰু কাণী— মোৰ হলে কেতিয়াবাৰেপৰা ভয় লাগি আছে।

প্ৰথম কণা— কেলেইনো সুধিলি ?

সকলোতকৈ বুঢ়ী কাণী-- জানো কেলেই.........

কিবা এটা শুনো যেন লাগিছিল। ভালকৈ তত ধৰিব নোৱাৰিলোঁ............আমাৰ কোনোবাই কন্দা যেন শুনিছো!......

প্ৰথম কণা— সিতো একো ভয় কৰিবলগীয়া কথা নহয়। সেই পাগলীজনীয়ে কান্দিছিল হবলা?

সকলোতকৈ বুঢ়া কণা— ওহো, তাৰ বাহিৰেও কিবা এটা আছে.........সঁচাকৈয়ে, তাৰ উপৰিও কিবা এটা আছে.........অকল সেয়ে মোক ভয় লগোৱা নাই, আৰু কিবা এটা আছে.........

সকলোতকৈ বুঢ়ী কাণী— তাই লৰাটোক পিয়াহ দিবৰ হলেই নিতৌ কান্দে।

প্ৰথম কণা— এৰা তাইৰ বাহিৰে আৰু কোনে তেনেকৈ কান্দিব?

সকলোতকৈ বুঢ়ী কাণী— কোনো কোনোৱে কয় যোলে তাই কেনো এতিয়াও কেতিয়াবা কেতিয়াবা দেখে... .....

প্ৰথম কণা— তেৰ, এটাই কান্দিলেতো আনটোৱে শুশুনে.........

সকলোতকৈ বুঢ়া কণা —মানুহে কান্দিবলৈকোতো চকুৰে দেখিব লাগে!.........

গাভৰু কাণী— মই কিবা এটা আমোল-মোল (ফুলৰ) গোন্ধ পাইছো...........

প্ৰথম কণা— মই হলে অকল মাটিখনৰ হে গোন্ধ পাইছো.........

গাভৰু কাণী— আঃ ফুল আছে! আমাৰ ওচৰতে ফুল আছে!

দ্বিতীয় কণা— ময়ো কেৱল মাটিখনৰ গোন্ধ হে পাইছো!

সকলোতকৈ বুঢ়ী কাণী— এইমাত্ৰ মই বতাহত ফুলৰ গোন্ধ পাইছিলো .......

তৃতীয় কণা— মই পিথবীখনৰহে গোন্ধ পাইছো।

সকলোতকৈ বুঢ়া কণা— মোৰ মনেৰে আমাৰ গাভৰুইত হে ঠিক; ফুলৰ হে.........

ষষ্ঠ কণা— ক'ত আছে; চাওঁ মই ছিঙি আনোগৈ।

গাভৰু কাণী— ঠিয় হচোন; সেই তোৰ সোঁহাতে।

[ষষ্ঠ কণা লাহেকৈ উঠে, ওচৰত থকা গছ-গছনিত খুন্দা খায়, আৰু হাতেৰে খেপিয়াই খেপিয়াই গধূলি-গোপাল ফুলবিলাকৰ কালে যায়। ফুলবিলাক ভৰিৰে মোহাৰি-সামৰি মহতিয়াই গৈ থাকে]

গাভৰু কাণী— ৰবি, ৰবি। ই, তই সেই কুমলীয়া ফুলৰ ঠাবিবিলাক ভাঙি থান্থাং কৰিলি! সেয়া শব্দ শুনিছো, ৰবি!

প্ৰথম কণা— ফুলৰ কথাখন থ, উভটি যোৱাৰ ভাবনা কৰ!

ষষ্ঠ কণা— ক'তা, আগৰ খোজবিলাক নেপাওঁ দেখোন!

গাভৰু কাণী— উভটি নাহিবি,—ৰবি— [তাই উঠে] ইস্, মাটিখন এনে চেচা! মই এতিয়া ঠেৰেঙা দি গোট মাৰিম! [গাভৰু কাণীজনী উঠি লহ্ পহ্ কৈ গধূলি-গোপালবিলাকৰ ফালে খোজ দিয়ে। কাষত পৰিপকা গছডাল আৰু টিলাটোত উজুটি খাই ৰয়] —এয়া—এইবিলাক!—মই পালোঁহি! সেয়া তোৰ কাষতে।

ষষ্ঠ কণা মই ছিঙিছোৱেই হবলা; [কেউফালে হাতেৰে খেপিয়াই পাৰিথকা ফুলবিলাক বুটলি বুটলি গাভৰু-জনীলৈ যাচে; নিশাচৰ চৰাইবিলাক উৰি লৰ মাৰে]

গাভৰু কাণী— কেতিয়াবা মই এই ফুলবিলাক দেখা যেন মনত পৰে.........মই সিহঁতৰ নামটো পাহৰিলো.........পিছে এনে বেয়া—গছবিলাক এনে সেউ-সেউ......এতিয়া মোৰ জান-নেজানকৈহে মনত পৰিছে .........মোৰ মনেৰে এইবিলাক মৰা মানুহৰ ফুল।

[ফুল তুলি খোপাত পিন্ধে]

আগলৈ

# সখী চিত্ৰলেখা

১

ত্ৰিলোক সুন্দৰী বাণৰ জীয়ৰী পুৰঁতীতে উঠি উচুপে ঘনে
অনিকদ্ধ কোঁৱৰে সপোনতে আহি চুমা খায়ে গল মনে মনে
যৌৱন-মুগুধা উষা সুন্দৰীৰ ভাগিল সপোন বিনালে প্ৰাণে
কিনো হল? কিনো হল? যৌৱনৰ এই প্ৰথম পুৱাত
কোনে দেখা দিলে, কোনে পৰশিলে
কোনে কৈয়ে দিব, কোনে জানে?

২

সখী চিত্ৰলেখাৰ হাততে লিখনী, সুধিলে, "বেজাৰ বিননি
কিয়?
অ সখি বাখা প্ৰাণ বিয়াকুল; সখি মোৰ হেৰা প্ৰাণৰ
প্ৰিয়!"
কলে কুঁৱৰীয়ে সপোনৰ বতৰা, শুনি সখীয়েকে হাঁহিলে হাহি—
"বুজিলো বুজিলো লাহৰী সখি, মোৰ বিন্ধিলে ভোমোৰাই
পদুমৰ পাহি।"

৩

প্ৰাণ বিয়াকুল, মন বিয়াকুল, বিযাকুল কুঁৱৰী বিয়াকুল হল;
আকাশ পৱন পৃথিবী ধৰগ, সকলো শূন্য— একো নহল।
"নাগাগে কান্দিব, নালাগে বিনাব আহিছিলে সখি তোমাৰ
প্ৰিয়
কোনোবা সুন্দৰ কোনোবা মধুৰ, কোনোবা পগলা তোমাৰ
প্ৰেমৰ কোনোবা দেশৰ নিমাত জীৱ।

৪

দিয়া তেন্তে আনি, দিয়া তেন্তে আনি, মোৰ জীৱনৰ অতিথি
জনা
একো দেখা নাই, একো শুনা নাই—ৰূপৰ জালত হইছো কণা।
পগলা সখীৰ পগলা ভাষাই ধৰিলে পগলা লিখনী দাঙি,
লিখনীয়ে পিছে বোৱালে সৌন্দৰ্য্য, সৌন্দৰ্য্য, দুইতৰ দুকুল
ভাঙি।

৫

আঁকিলে সখীয়ে তিনিও ভুবনৰে যত ৰূপৱান কোঁৱৰ আছে,
তুলিৰ আগেদি হাঁহি অনিকদ্ধে বিৰিঙে উষাৰ আগতে
পাছে।
সাৱটি ধৰিলে উষা কুঁৱৰীয়ে 'মোৰে প্ৰাণেশ্বৰ আহিলা' বুলি
'প্ৰাণৰ দেৱতা অ' মোৰ চেনেহৰ, ৰাখিম তোমাক বুকতে
তুলি।

৬

ছবিয়ে নামাতে, ছবিয়ে নাহাঁহে, ছবিয়ে নাগায় প্ৰেমৰ গান;
'অ মোৰ চেনেহি, অ মোৰ সখিটি, নাপালে কোঁৱৰক
নাথাকে প্ৰাণ।
কান্দিলে সখীয়ে, সখীৰ ডিঙিত ধৰি—সখীয়ে আশা দি
সাহটি কলে,
'আনি দিম আনি দিম দ্বাৰকাৰ কুমৰক' এই সাতেদিন
উকলি গলে।'

৭

লাহিকৈ কঁকালত টঙালি পিন্ধিলে, ফুলাম পাতলিৰে
মেখেলা বিহা,
অনিকদ্ধ কুমৰক আনিবলৈ পিছে সখীয়ে যাবলৈ কৰিলে দিহা,
সখীৰ চকুপানী বিহাৰ আগে মচি যাবলৈ মেলিলে মনৰে
পাখি,
চুমাদি উষায়ো যোৱাগৈ বুলিলে "সোণকাল কৰিবা
অ' মোৰ সখি!'

# কথা কব জনা

মানুহমাত্ৰেই মনোভাব প্ৰকাশ কৰিবৰ নিমিত্তে কথা কয়; কিন্তু কোনো কোনো মানুহেহে "কথা কব জানে।" ব্যাকৰণৰ সূক্ষ্ম নিয়ম পালন কৰি বিশুদ্ধ ভাষাৰে কথা কোৱা মানুহেও কথা কব নাজানিব পাৰে, অথচ বাৰপাচি ব্যাকৰণ-ভুল কৰি কথা কোৱা মানুহেও কথা কব জানিব পাৰে। সুললিত শব্দ-ঝঙ্কাৰেৰে ৰসাল কথা কব পৰা মানুহেও কথা কব নাজানিব পাৰে, অথচ টানি মানি ভাব প্ৰকাশৰ নিমিত্তে শব্দ ব্যৱহাৰ কৰিব পৰা অশিক্ষিত মানুহেও কথা কব জানিব পাৰে। কথা অকল মুখেদিয়েই নোলায়; চকু, নাক, কাণ প্ৰভৃতি সকলো অঙ্গ-প্ৰত্যঙ্গইদি বিৰিঙি ফুটি ওলায়।

যি মানুহে দেশ কাল পাত্ৰ পাৰিপাৰ্শ্বিক অৱস্থা প্ৰভৃতি আটাইবোৰলৈকে চকু ৰাখি সংযতবাক, সংযতদৃষ্টি হব পাৰে আৰু নিজৰ অঙ্গ বিক্ষেপকো তদুপযোগী কৰিব পাৰে, তেওঁহে প্ৰকৃত "কথা কব জনা মানুহ।" "কথা কব জনা" মানুহৰ আত্মসংযম নাথাকিলে, তেওঁৰ সেই গুণৰ কোনো মূল্য নাথাকে।

এজন জ্ঞানী মানুহে এজন ডেকাক সম্বোধন কৰি কৈছিল, "Do you know when to speak and when to hold thy peace?" অৰ্থাৎ "হে ডেকা, কেতিয়া মাত মাতিব লাগে আৰু কেতিয়া মৌন থাকিব লাগে, সেইটো তুমি জানানে?" বাস্তবিকতে, হকে-বিহকে মুখেৰে কেকেঁকোই থকাকে "কথা কব জনা" নোবোলে। কথা কব জনা মানুহে আৱশ্যকমতে মৌন থাকিবও জানিব লাগে।

যি মানুহে পুত্ৰৰ আগত কব নলগীয়া কথা পুত্ৰৰ আগতে কৈ দিয়ে, অথবা শত্ৰুৰ আগত কব নলগীয়া কথা শত্ৰুৰ আগতে কৈ পেলায়, তেওঁ কথা কব নেজানে। বহুতে "পেটত কথা ৰাখিব নোৱৰা" মানুহ বুলি জনাজাত হোৱাটো বৰ গৌৰৱৰ বিষয় বুলি ভাবে। কিন্তু চাই-চিন্তি কথা নোকোৱা মানুহ কথা কব জনা মানুহ নহয়। ইংৰাজীত কয়--"Think twice before you speak and thrice before you write." অৰ্থাৎ কোনো এষাৰ কথা মুখৰপৰা উলিয়াব আগেয়ে দুবাৰ ভাবিব লাগে, আৰু লিখিবৰ আগেয়ে তিনিবাৰ ভাবিব লাগে। বাক্যসংযমী হোৱাটো বৰ ডাঙৰ সাধনাৰ ফল। "A soft word turneth away wrath." অৰ্থাৎ কোমল মাত এষাৰে অতি খঙাল মানুহৰো খং দূৰ কৰে। এই প্ৰবন্ধ লেখকে এবাৰ এজন টিকৰা বঙালী বন্ধুৰে সৈতে কোনো দৰ্কাৰত হাওড়া ষ্টেচনলৈ গৈছিল। বঙালী বন্ধুজনে সেই ষ্টেচনৰ কোনোবা এখন "প্লেটফৰ্ম্মলৈ" যাবৰ নিমিত্তে এজন হিন্দুস্থানী কনষ্টেবলক বাটৰ কথা সোধোতে তাক "তুম" বুলি সম্বোধন কৰিলে। কনষ্টেবলটোৱে সেই কথাত জ্বলিপকি উঠি নানা কথা কৈ বন্ধুজনক খাই পেলোৱা যেন কৰিছিল। প্ৰবন্ধলেখকে কিন্তু দুটা সময়োপযোগী কোমল মাতেৰেই তাৰ খং দূৰ কৰি বন্ধুজনৰ কাৰ্য্যোদ্ধাৰ কৰিবলৈ সমৰ্থ হৈছিল। তেনে নকৰা হলে সেইদিনা বন্ধুৰে সৈতে প্ৰবন্ধলেখকেও পুলিচৰ হাতত লাঞ্ছিত হবৰ ভয় ঘটিছিল। Tit for tat reply অৰ্থাৎ "চুড়া চাই সোপা দিয়া" বিধৰ 'জবাব' সকলো অৱস্থাতে প্ৰয়োগৰ উপযোগী নহয়। আত্মসংযম নথকা আৰু মনুষ্য চৰিত্ৰ সুবুজা মানুহে কথা কব জনা গুণ লাভ কৰিবলৈ আশা কৰা মিছা। এজন জ্ঞানী মানুহে কৈছে:—

"If you your lips would keep from slips
Five things observe with care:—
Of whom you speak, to whom you speak,
And how and when and where."

অৰ্থাৎ কাৰ বিষয়ে কথা কোৱা হৈছে, কাৰ লগত কথা কোৱা হৈছে, কেনেভাৱে কথাষাৰ কোৱা হৈছে, কেনে সময়ত কথাষাৰ কোৱা হৈছে, আৰু কেনে ঠাইত কথাষাৰ কোৱা হৈছে—এই পাঁচোটা বিষয়লৈ চকু ৰাখি কথা কোৱা মানুহে কথাৰপৰা উৎপন্ন হোৱা বহু বিপদৰ হাত সাৰিব পাৰে।



ইন্দ্ৰজিতক বধ কৰিবৰ নিমিত্তে সোমোৱাৰ পূৰ্ব্ব-মুহূৰ্ত্তত লক্ষ্মণ উপদেশ বিচাৰি হনুমানৰ ওচৰলৈ গৈছিল; হনুমানে নিজৰ জিভা আৰু শিশ্নলৈ আঙুলিয়াই তেওঁক বাক্যসংযমী আৰু ইন্দ্ৰিয়সংযমী হবলৈ উপদেশ দিছিল। বাস্তবিকতে জিভা আৰু ইন্দ্ৰিয়ৰ অসংযমেই অধিকাংশ অনৰ্থৰ মূল।

কথা কোৱা সম্বন্ধে নানা বিজ্ঞ মানুহে নানা প্ৰকাৰ উপদেশ দি গৈছে; যথা,—

"সত্যং ব্ৰূয়াৎ প্ৰিয়ং ব্ৰূয়াৎ মা ব্ৰূয়াৎ সত্যাপ্ৰিয়ম্।"
"দৰ্দ্দুৰাঃ যত্ৰ বক্তাৰস্তত্ৰ মৌনং হি শোভনম্।"

"There is a sort of nervous haste which makes people speak, and speak foolishly too, just because they ought to be silent."

অৰ্থাৎ যেতিয়া মৌন থকা উচিত তেতিয়াও মানুহে বিবুধি হৈ থকৰমকৰকৈ মাত মাতি মূৰ্খালিৰ চিনাকী দিয়ে।

"Say what profits and not what is true." অৰ্থাৎ যদি কথাষাৰ কোৱাৰ পৰা একো লাভ নাই, তেন্তে সঁচা হলেও তাক কোৱা অযুগুত।

How many people content themselves with speaking and believe that it exempts them from acting. অৰ্থাৎ বহুতে ভাবে যে মুখেৰে মাত হাল বাই কুৰিব পাৰিলে হাতেৰে একোকে নকৰিলেও কোনো দোষ নাই।

"An engine that spends all its stem in whistling has nothing left with which to turn wheels." অৰ্থাৎ যিটো ইঞ্জিনে উকিয়াওঁতেই গোটেইখিনি বাষ্প খৰচ কৰে, সেইটো ইঞ্জিনৰ চকা ঘূৰাবৰ বাষ্প আহিব ক'ৰ পৰা?"

"অসম্ভাব্যং নবক্তব্যং প্ৰত্যক্ষমপি দৃশ্যতে।
শিলা তৰতি পানীয়ং গীতং গায়তি বানৰঃ॥" ইত্যাদি

শ্ৰোতাৰ শুনিবলৈ আগ্ৰহ নাথাকিলেও বহুতে কথা কৈয়েই থাকে। তেনে কৰা কিন্তু বেয়া। কোনোৱে আকৌ বৰ চিঞৰি চিঞৰি কথা পাতি পোৱা-মাইলৰ ভিতৰত থকা ওচৰচুবুৰীয়াৰ কাণ ঘোলা কৰি পেলায়। এনে মানুহে লোকক এইদৰে বিৰক্ত কৰিবৰ কি নৈতিক স্বত্ব পাইছে, বুজা টান। অতি সাৰুৱা কথাও এইদৰে হাতুৰীৰে কোবাই লোকৰ কাণত সুমুৱাই দিয়া ভাল নহয়, থকৰা শাকখোৱা ভাতখোৱা কথাৰ কথাকে নকওঁ।

ৰজা কেনিউটে মন্ত্ৰীসকলৰ খোচামুদীয়া কথা কেনেভাৱে গ্ৰহণ কৰিছিল, সকলোৱে জানে।

ইংৰাজীত এবিধ কোমল মাতক persuasive tongue বোলে। ছেগ চাই এনেবিধৰ মাতৰ ব্যৱহাৰ কৰিব জানিলে বহুত কাৰ্য্য উদ্ধাৰ কৰিব পাৰি।

ভাতপানী খাই উঠিবৰ পাছত স্বামীৰ মন যেতিয়া সুস্থিৰ থাকে, সেই সময়ত এনেবিধৰ মাতৰ সহায় লৈ পত্নীয়ে অলঙ্কাৰৰ কথা কলে কাৰ্য্যোদ্ধাৰ কৰিব পৰাৰ সম্ভাৱনা বেছি। কিন্তু তথে-ভাগৰে এঠাইৰ পৰা আহি পোৱাহি মাত্ৰে অলঙ্কাৰৰ খৰিয়াল লগালে তদ্বিপৰীত ফলহে সম্ভাৱনা।

শ্মশানৰ পৰা উভতি অহা মানুহৰ আগত ধৰ্ম্মকথা কলে সেইকথা ফলদায়ক হবৰ সম্ভাৱনা বেছি।

ঘৰত জুই লগাৰ সময়ত ৰামায়ণ পাঠ বা ব্যাখ্যা কৰা বৰ অশোভন। এইবাবেই, কথা কওঁতে সদায় দেশ কাল আৰু পাত্ৰলৈ চকু ৰাখিবলৈ কৈছে; কিন্তু তীক্ষ্ণবুদ্ধিৰ সুশিক্ষিত মানুহেহে দেশ কাল আৰু পাত্ৰৰ অৱস্থা নিৰ্ণয় কৰিব পাৰে। এইবাবে সকলো মানুহে কথা কব জনা গুণ লাভ কৰিব নোৱাৰে।

"কথাতেই ৰটা পায়, কথাতেই গঁতা খায়।" যি সকল মানুহৰ persuasive tongue আছে, যিসকলে কথা কব জানে, সি সকল বাস্তৱিকতে বৰ সৌভাগ্যবান।

"বাঙ্মাধুৰ্য্যাৎ সৰ্ব্বলোক প্ৰিয়ত্বম্
বাক্ পাৰুষ্যাৎ সৰ্ব্বলোকাপ্ৰিয়ত্বম্।
কিংবা লোকে কোকিলেনোপনীতম্
কো বা লোকে গৰ্দ্দভস্যাপৰাধঃ॥

শ্ৰীজ্ঞ.মানন্দ অগস্তী

# কাহুঁদী আৰু খাবলি

আমাৰ এজন বিশিষ্ট বন্ধুৰ খকল্লা চিঠি এখনৰপৰা তলত ফাকিদেক তুলি দিলোঁ। :—

"ডিব্রুগড়ৰ অসমীয়া থিয়েটৰত ২০।৬ আৰু ২৭।৬ তাৰিখৰ দিনা আপোনাৰ "জয়মতী কুঁৱৰী" নাটকৰ অভিনয় শুন্দৰকৈ হৈ গল। দুয়োদিনা ভালেমান ভদ্রলোক, ছাত্র আৰু ভদ্রমহিলা উপস্থিত আছিল। আমি নিজেই অভিনয় কৰি নিজেই প্ৰশংসা কৰাটো আপচু কথা; কিন্তু চাওঁতাসকলৰ মতামত বুজিব পৰা গৈছে যে তেওঁলোক সকলোৱেই অভিনয় চাই সন্তুষ্ট হৈছিল। সাজ-পাৰ ভাব-ভঙ্গিবিলাক স্বাভাবিক কৰিবলৈ যত্নৰ ক্ৰটী কৰা হোৱা নাছিল। নাটকত থকা নাম আৰু গীত প্ৰায় আটাইবিলাকেই গোৱা হৈছিল; মাত্ৰ 'ভেলায় ৰতনৰ' ঠাইত আধ্যাত্মিক ভাবৰ এটা অসমীয়া গীত ৰচনা কৰি গোৱা হৈছিল। সেউতীৰ ভাও লোৱা ডেকাজন শুন্দৰ গায়ক— শ্ৰীযুত অতুলচন্দ্ৰ দাস। ডালিমীৰ ভাও লৈছিল শ্ৰীমান আনন্দচন্দ্ৰ শৰ্ম্মাই (এইবাৰ ১ম বিভাগত মেট্ৰিক পাছ কৰিছে)। তেওঁৰ ভাও সঁচাকৈয়ে মনমোহা হৈছিল। ডালিমীৰ গীতবিলাকৰ শুৰ নতুন ধৰণেৰে দিয়া হৈছিল। প্ৰত্যেকটোতে encore পৰিছিল। গদাপাণিৰ ভাও লৈছিল শ্ৰীযুত পদ্মধৰ চলিহা এম, এ, বি,এল, উকীলে। তেওঁ চৰিত্ৰটো তালকৈ interpret কৰিবলৈ নথৈ যত্ন কৰিছিল। বিশেষকৈ গদাপানিৰ বিবেক-সংগ্ৰাম আৰু struggle of sentiments প্ৰকাশ কৰাত তেওঁ বহুতদূৰ কৃতকাৰ্য্য হৈছিল বুলি মোৰ বিশ্বাস, আৰু চাওঁতাসকলৰো সেয়ে মত।

"গাম, গামনা, পিখু চাংমাহ, ভৰ্ৱৰা, বন্দুনী এইবিলাকৰ ভাও বিত্তোপন হৈছিল। জয়মতীৰ ভাও লৈছিল শ্ৰীযুত ভবেন্দ্ৰনাথ কাকতী নামৰ এজন ডেকাই। তেওঁ চৰিত্ৰটো বেছকৈ ফুটাই তুলিছিল।

"মুঠতে জয়মতী কুঁৱৰী যে অসমীয়া ষ্টেজৰ সম্পূৰ্ণ উপযোগী আৰু অসমীয়া নাট্য-সাহিত্যত ওখ আসন পাবৰ উপযুক্ত কোনেও অস্বীকাৰ কৰিব নোৱাৰে।"

কোন বাপেকে পুতেক-জীয়েকৰ যহ শুনিলে আনন্দ নাপায়? গতিকে "জয়মতী কুঁৱৰী" নাটকৰ জনকক যে ওপৰৰ কথাবোৰে আনন্দ দিছে, তাক নকলেও হব। আৰু সেই আনন্দৰ ভাগ Like a fond father কাঁহুদী-খাবলি খাওঁতাসকলকো দিবৰ মনেৰে কথাকেইষাৰ ইয়াত তুলি দিলোঁ; তেওঁলোকৰ ভিতৰৰ কোনোজনৰ যদি এইবোৰ ভাল নালাগে, তেন্তে তেওঁ তাক একাষৰীয়াকৈ থৈ আন কাঁহুদী-খাবলি মুখত দিয়ক, এই নিবেদন।

• • •

থুমটাই বাগিচাৰপৰা শ্ৰীযুত হৰিশ্চন্দ্ৰ ফুকনে আমালৈ লেখিছে:— "আজি কিছুমান দিনৰপৰা আমাৰ ভাষাত অন্য ভাষাৰ শব্দ ব্যৱহাৰ কৰা দেখা গৈছে। যিবোৰ শব্দৰ অসমীয়া প্ৰতিশব্দ নাই, তেনে শব্দৰ ঠাইত অন্য ভাষাৰ impressive শব্দ ব্যৱহাৰ কৰাত হানি নাই; কিন্তু তাৰে লেচু লৈ তেওঁলোকে এনে কেতবোৰ শব্দ ব্যৱহাৰ কৰিবলৈ ধৰিছে, যে যাৰ অৰ্থ 'কদধং'ৰ দৰে হয়। এইদৰে 'আপ্‌কা থুচি' অৰ্থবিৰহিত শব্দ ব্যৱহাৰ কৰি আমাৰ ভাবি সাহিত্যিকসকলক আওবাটে ঠেলিছে' বুলি মোৰ বিশ্বাস। উদাহৰণ স্বৰূপে এখন কিতাপৰ পৰা এশাৰী টুকি দিলোঁ।—"তেতিয়া দকা-চমকা পোহৰ। ৰূপচন্দ্ৰই এই কালিহি কালিহি পোহৰতে কেঁচাটোক কঁড়িয়াই মাৰে।" লিখকে নিজৰ মনোভাব ব্যক্ত কৰিবলৈ গোটাই শাৰী বাক্য নিলিখি শুটীয়াভাৱে এই দুটা শব্দ ব্যৱহাৰ কৰাহেতেন তাক বুজাই টান হলহেতেন। আমি জনাত এই দুটা শব্দ বৰ্ত্তমান আমাৰ ভাষাত এইদৰেহে চলিত হৈ আছে, যেনে— চকাচন্দা পোহৰ; কাহিলী কাহিলী পোহৰ। আপুনি ইয়াৰ বিষয়ে দয়া কৰি আমাক জনালে পৰম কৃতাৰ্থ মানিম।"

চিঠি লেখকে আসেঁাৱাহ ধৰি যি লেখিছে, সি সঁচা। চকাচন্দা মানে অলপ পোহৰ। চকাক অৰ্থাৎ বেলিক ছন্দা অৰ্থাৎ আচ্ছাদন কৰা হৈছে। অস্পষ্ট দীপ্তি। যেনে, গধূলিৰ চকাছন্দাত তালকৈ দেখা পোৱা নগল। কালিহি কালিহি নিশ্চয় নহয়; কাহিলি কাহিলি হে



কিন্তু আমি কৰিম কি? এইবোৰ দেখি-শুনি আমি আজিকালি "দাকভূতো মুৰাৰি" হৈ বহি আছো; আৰু বহিয়েই থাকিম বুলি ভাবিছো। আমাৰ অৱস্থা হৈছে, "কলেও আয়ে মাৰ খায়, আৰু নকলেও বোপায়ে ছুৱাতে খায়।" অসমীয়া ন লেখকসকলৰ বিশ্বাস, যে অসমীয়া ভাষাটো নিশিকিলেও তেওঁলোক পৈণত অসমীয়া সাহিত্যিক হব পাৰিব; কাৰণ সি তেওঁলোকৰ মাতৃভাষা; সেইদেখি তেওঁলোকে কাপটো মহীত জুবুৰিয়াই কাকতত চোচোঁৰকৰে টানি নিলেই সাহিত্য হল। আমালৈ অনেকে সমালোচনা কৰিবলৈ কিতাপ পঠিয়ায়। কিন্তু সমালোচনা কৰিবলৈ যায় কি? প্ৰথমৰ পাত গোটাদেক মেলিলেই বিদেশী অঙ্গি-ভঙ্গিৰে অসমীয়া বাক্য ৰচনে ঠহৰ্ ঠহৰকৈ চকুত খুচি আমাক কণা কৰে।

* * *

বিলাতৰ প্ৰধান বৈজ্ঞানিক পণ্ডিত ছাৰ অলিভৰ্ লজে (Sir Oliver Lodge) সম্প্ৰতি এটা বক্তৃতাত কৈছিল:— বিজ্ঞানে স্থূল জগতৰ বিষয়ে আমাক শিক্ষা দিয়ে, আৰু বিজ্ঞান পঢ়ি আমি ভাবো আমি সকলো জানিলো। কিন্তু আমাৰ ভুল হয় সেইখিনিতে। ধৰ্মইও স্থূল জগতৰ বিষয়ে যে শিক্ষা নিদিয়ে এনে নহয়, কাৰণ আমি দেহ আৰু আত্মাবিশিষ্ট। ধৰ্ম্মৰ শিক্ষাত আধ্যাত্মিক আৰু প্ৰাকৃতিক দুইটা জগতৰ সান-মিহলি। অনেকে বাইবেলৰ পৰা অলৌকিক অংশক কুসংস্কাৰ বুলি দলিয়াই পেলাব খোজে; কিন্তু বাস্তবিকতে সি এনেকুৱা নহয়। আত্মাই স্থূলৰ আশ্ৰয় গ্ৰহণ কৰি প্ৰকাশিত হয়। এইবোৰ কাল্পনিক নহয়। আধ্যাত্মিক জগত এখন আছেই। স্থূল জগতৰ বাহিৰেও এই জগতৰ অবস্থান অসম্ভৱ নহয়। স্থান আৰু কাল কি বস্তু আমি নেজানো। এই পৃথিবীৰ ওপৰত থাকি আমি যি শিকিছো বা জানিছো সি অতি সামান্য বস্তু। আমাৰ স্থূল জগতৰ বাহিৰে সূক্ষ্ম বা আধ্যাত্মিক জগত থকাৰ যদি আমি তালকৈ প্ৰমাণ পাওঁ তেন্তে আমি সেইটো মানি লোৱা উচিত। মই কওঁ যে সেই জগত আছে। কিন্তু সেই বিষয়ৰ অস্তিত্ব আমি মানি লবলৈ প্ৰস্তুত নহলে সি বলেৰে আমাক মনাবলৈ নাহে। সেই জগতৰ পৰা আমি সহায় লবৰ ইচ্ছা কৰাটোৰ মানেই প্ৰাৰ্থনা (Prayer)। সকলো ধৰ্ম্মৰ পাতনিত এই আধ্যাত্মিক জগতৰ অস্তিত্ব স্বীকাৰ। বয়সিয়াল ডাঙৰ মানুহৰ ওচৰত লৰাই সহায় বিচাৰি হাত পতাৰ নামেই প্ৰাৰ্থনা। লৰাই তৰ্ক-বিতৰ্ক বা বিচাৰ বিবেচনা নকৰে; মাথোন খোজে। আধ্যাত্মিক জগতৰ ওচৰত হাত আমি তেনে পৰেৰেই পাতিব লাগিব। কোনটো টান কোনটো উজু এই বিষয়ে আমাৰ জ্ঞান নিচেই কম। বলেৰে বাধ্য কৰিবৰ আমাৰ শকতি নাই। ওখ জ্ঞানসম্পন্নজনৰ অধীনতা স্বীকাৰ কৰি এই বিশ্বৰ দয়ালু গৰাকীৰ ওচৰত আমাৰ দুখ আৰু অভাৱৰ বিষয়ে নিবেদন কৰিব লাগিব। তেওঁ তেওঁৰ কৰ্ম্মচাৰীসকলৰ দ্বাৰাই আমাৰ প্ৰাৰ্থনা পূৰণ কৰাব। এই বিশ্বসংসাৰত আমি যে চূড়ান্ত শ্ৰেণীৰ জীৱ এনে নহয়। এটা বালিচাহীৰ পৰা আমালৈকে যেনেকৈ থাপতথাপে ওখ নানা থাপৰ জীৱ আছে, তেনেকৈ আমাৰপৰাও ওপৰৰ ফাললৈ থাপত্ থাপে ওখ নানা থাপৰ জীৱ আছে। সেইবোৰৰ ওপৰত পৰমেশ্বৰৰ কাৰ্য্যকাৰক বিষয়াসকল। তেওঁলোকৰ দ্বাৰাই ঈশ্বৰে আমি প্ৰাৰ্থিতৰ বাঞ্ছা পূৰণ কৰে। আমাৰ জনা উচিত যে আমাৰ আগত কাম। আমি কাম কৰি আৰু ঈশ্বৰৰ ওচৰত প্ৰাৰ্থনা কৰি আগুৱাই থাকোহঁক আহাঁ। এনে কৰি যাওঁতে যাওঁতে এনেকুৱা কিবা ঘটিব যে তেনেকুৱাটো আমাৰ আশাতীত। আমি এই সংসাৰত একেবাৰেই ওখ থাপৰ প্ৰাণী নহওঁহঁক। আমাতকৈ তল থাপৰ প্ৰাণীবোৰৰ কথা আমি ভবা উচিত। এটা পোকৰ পক্ষেও এটা আশ্চৰ্য্য ব্যাপাৰ সংঘটিত হব পাৰে,— সি থৈ থাকোঁতে থাকোঁতে তাক তুমি খপ্ কৰে তুলি লৈ এডাল ঘাঁহৰ ওপৰত থৈ দিব পাৰা। তুমি কব পাৰা, যে এইটো কাৰ্য্য সেই পোকটোৰ প্ৰাৰ্থনাত হোৱা নাই। কিন্তু আমি জানো কোনো কোনো জন্তুৱে সঁচাকৈয়ে প্ৰাৰ্থনা কৰে। তোমাৰ মেকুৰীটোৱে তোমাৰ ঘৰৰ দুৱাৰখন সি মেলিব নোৱাৰে বুলি জানে, কিন্তু সি জানে যে সেই দুৱাৰখন তুমি মেলিব পাৰা। সি মেও মেওকৈ তোমাৰ ওচৰলৈ আহি প্ৰাৰ্থনা কৰা তুমি দেখিছা;

আৰু কেতিয়াবা তুমি তাৰ প্ৰাৰ্থনা শুনি দুৱাৰখন মেলি দিছাও।

* * *

মহামতি মিষ্টৰ এন্দ্ৰুজে ২৫ জুনৰ ইয়ং ইণ্ডিয়া কাকতত অসম আৰু অসমীয়াৰ সম্পৰ্কে আৰাৰচেৰেক কথা লেখিছে—

"এমাহ মই এই সুন্দৰ অসম দেশত থাকি বিদায় লোৱা সময়ত এই দেশৰ মানুহৰ প্ৰতি মোৰ মান্যসৎকাৰ আৰু মৰম জনাই যাওঁ; ধাইকৈ মাতৃস্থানীয়া আৰু ভগ্নীস্থানীয়া অসমীয়া তিৰোতাসকলক, যিসকলৰে সৈতে প্ৰত্যেক ঠাইতে মোৰ দেখা হৈছিল; আৰু যিসকলে তেওঁলোকৰ গভীৰ দেশহিতৈষিতা, নিভাঁজ সৰলতা, সম্পূৰ্ণ নাৰিত্ব, আৰু নিস্বাৰ্থ পৰিশ্ৰম আৰু প্ৰগাঢ় অনুৰাগেৰে মোৰ শ্ৰদ্ধা-ভক্তি অধিকাৰ কৰিছিল। আসামৰ ঘৰে ঘৰৰ তাঁতশালত নিজৰ কাপোৰ বৈ লোৱা প্ৰচলিত প্ৰথা গোটেই ভাৰতবৰ্ষৰ ভিতৰত নই কতো নাই দেখা বুলিলেই হয়, কাৰণ অসমীয়া তিৰোতাৰ পক্ষে সেইটো সাধাৰণ কৰ্ত্তব্য কাৰ্য্য। অসমত সূতা কটা প্ৰথাটো যদিও আংশিকভাৱে লোপ হৈছে (যদিও আজিকালি আকৌ তাক শীঘ্ৰে জীয়াবৰ চেষ্টা চলিছে) কিন্তু পুৰণি হিন্দুৰ ঘৰুৱা জীৱন-যাত্ৰাৰ আদৰ্শ—ঘৰতে কাপোৰ বৈ লোৱা প্ৰথাটো অক্ষুন্নভাৱে চলি আছে। আছল আসামত এশৰ ভিতৰত ৯০ জন মানুহ হিন্দু; আৰু তেওঁলোকৰ বৈষ্ণৱ ধৰ্ম্মৰ প্ৰভাৱ আৰু শিক্ষাই আজিৰ আসামক এনে কৰি ৰাখিছে। ইয়াত হিন্দু বিধৱা তেওঁৰ স্বাৰ্থত্যাগ আৰু একনিষ্ঠতাৰ নিমিত্তে সন্মানিত আৰু পূজিত। তেওঁ পৰিবাৰৰ সকলোৰে নিমিত্তে কাপোৰ বয় আৰু পৰিবাৰৰ সৰু ছোৱালীক নিজৰ ছোৱালীৰ নিচিনাকৈ সূতা কাটিবলৈ আৰু তাঁত ৰবলৈ শিকায়। পৰিবাৰৰ ভিতৰত তেওঁ সন্মানিত হৈ থাকে, কাৰণ তেওঁ স্বাধীনভাৱে কাম কৰি নিজৰ জীৱিকা উপাৰ্জ্জন কৰিব পাৰে। স্বামীৰে সৈতে ঘৈণী আৰু মাক অসমীয়াৰ ঘৰত দুটা ডাঙৰ খুটা। অসমত মুছলমান পৰিবাৰ আৰু হিন্দু-পৰিবাৰৰ ভিতৰত আচৰিতৰকমে মিল আৰু বন্ধুত্ব। দুয়ো দুয়োৰো সুখ-দুখত সমসুখী সমদুখী।

"অসমীয়া মাতৃ আৰু ভগ্নীসকলক যদিও মই সন্মানৰ প্ৰথম শাৰী দিছো, অসমীয়া মতা মানুহসকলকো তেওঁলোকৰ দেশহিতৈষিতা আৰু সামাজিক কাৰ্য্যতৎপৰতাৰ বাবে মই নশলাগি নোৱাৰো। লৰাবোৰৰো কাৰ্য্যকৰী শক্তি আছে, আৰু আসামৰ বাহিৰ জগতৰ জ্ঞানৰ পৰিসৰ বৃদ্ধিৰ লগে লগে তেওঁলোক আগলৈ স্বদেশহিতৈষী, জনহিতকৰ আৰু দেশৰ বিশিষ্ট মানুহ হব বুলি মোৰ বিশ্বাস।"

"গাঁৱৰ মানুহক কানিয়ে সৰ্ব্বনাশ কৰিছে। দীৰ্ঘকাল কানিয়ে তেওঁলোকক খুলি খাই এলেহুৱা কৰি পেলাইছে। কানি দূৰ হলেই, তেওঁলোকে আকৌ অসমীয়া জাতিৰ পূৰ্ব্বগৌৰৱ লাভ কৰিব বুলি আশা কৰিছো।"

১৬ জুলাইৰ (১৯১৫) ইয়ং ইণ্ডিয়া কাকতত মিষ্টাৰ এণ্ড্ৰুজে লেখিছে—

"I have found, while in Assam, this very beautiful poem of Sri Sankar Deb, the great Vaishnave Reformer of the Sixteenth century and one of the greatest of the Saints of the Bhakti School of Indian religious thought. The muse is as beautiful as the words :—

"Oh, my Lord, prostrate at Thy feet I lay myself down and beseech Thee with a contrite heart to save my soul.

My soul is on the point of perishing through the poison of the venomous serpent of worldly things. On this earth all is transitory and uncertain, —wealth, kinsmen, life, youth, and even the world itself.

Children, family, all are uncertain. On what shall I place reliance ?

Like a drop of water on the lotus leaf, the mind is unsteady. There is no firmness in it.



There is nothing uncertain in Thy grace and no cause for fear under the shadow of Thy feet.

I, Sankara, pray to Thee, O, Hrishikesh, the Dweller in my heart, to pilot me across this world of trouble.

Turn my heart to Thee and lead me to Thyself, Oh Lord of all blessings and all grace.

Vouchsafe unto me the truth, the right path, and the kindly guidance".

কোমোৰাকুটাত থাকি শ্ৰীশঙ্কৰদেৱে ভাল নাপাই, ব্ৰাহ্মণ, জ্ঞাতি-কুটুম্বসকলেৰে সৈতে পৰামৰ্শ কৰি, বুঢ়ীপঙ্গাইদি উজাই গৈ গাংমৌ পালেগৈ। গাংমৌত থাকিবৰ নিমিত্তে তেওঁ হাটীবাটী নামঘৰ আদি সজালে। গাংমৌতে শ্ৰীশঙ্কৰদেৱৰ পুত্ৰেক ৰমানন্দ ঠাকুৰৰ জন্ম হয়। যি সময়ত ৰমানন্দৰ জন্ম হয়, সেই সময়ত শঙ্কৰদেৱে ভকত আৰু ভূঞাসকলেৰে সৈতে সভা কৰি বহি আছিল। এনে সময়তে তেওঁৰ বুঢ়ীদাসী চন্দৰীয়ে খবৰ দিলেহি— "ডেকাগিৰি, তোমাৰ এটি পুত্ৰ জন্ম হৈছে।" এই খবৰ শুনি শঙ্কৰদেৱে আনন্দ প্ৰকাশ নকৰি বিষাদিত মনেৰে এই গীতটি ৰচনা কৰি গালে, যাৰ ইংৰাজী অনুবাদ মিষ্টৰ এণ্ড্ৰুজে ওপৰত কৰি দিছে। গীতটি এই—

"পাৱে পৰি হৰি, কৰোঁহোঁ কাতৰি, প্ৰাণ ৰাখবি মোৰ।
বিষয়-বিষধৰ বিষে জৰজৰ, জীৱন নাৰহে আৰ ॥
অথিৰ ধন জন, অথিৰ জীৱন, অথিৰ এহ সংসাৰ।
পুত্ৰ পৰিবাৰ, সবহি অসাৰ, কৰবো কাহেৰি সাৰ ॥
কমলদলজল, চিত্ত চঞ্চল, থিৰ নোহে তিল এক।
নাহি ভব ভয়, ভোগ পৰিহৰি, পৰম্পদ পৰতেক ॥
কহতু শঙ্কৰ, এদুখ-সাগৰ পাৰ কৰা হৃষিকেশ।
তুহু গতিমতি দেহ শ্ৰীপতি তত্বপথ উপদেশ ॥"

এই গীতটি ৰচনা কৰি গাই শ্ৰীশঙ্কৰদেৱৰ মন প্ৰেমত নিমগন হল।

• • •

এই সংখ্যা ইয়ং ইণ্ডিয়া কাকততে মিষ্টৰ এণ্ড্ৰুজে লেখিছে কছিয়াই যেতিয়া জাপানৰে সৈতে যুদ্ধত লাগি আছিল, কৃষ্ণসাগৰৰ পূবফালে জৰ্জিয়া নামেৰে এখন এছিয়াৰ দেশে প্ৰজাতন্ত্ৰ অৱলম্বন কৰে। জৰ্জিয়াৰ গুৰিয়া নামে প্ৰদেশ এখনত প্ৰথমতে এই কথা ঘোষিত হয়। গুৰিয়াত যদিও পাওঁৱোৰ গাইগোটা আছিল তথাপি সেইবোৰে লগ বান্ধি নিজৰ নিজৰ পঞ্চায়তৰ পৰা প্ৰতিনিধি বাছি গাৱঁৰ উমৈহতীয়া সভালৈ পঠিয়াই নিজৰ শাসন-কাৰ্য্যৰ ব্যৱস্থা কৰিলে, নিজৰ পঢ়াশালি আৰু আন আন লাগতিয়াল কাৰ্য্যৰ দিহা কৰিলে। কছিয়াৰ কাউণ্ট টলষ্টয় তেতিয়া বৰ বুঢ়া। তেওঁ গুৰিয়াৰ এই কাৰ্য্যত অশেষ সন্তোষ লভি লেখিছিল— "গুৰিয়াত ঘটা ঘটনা বৰ লাগতিয়াল। গুৰিয়াৰ অধিবাসীসকলক কোৱাঁ, টলষ্টয় বুলি এজন বুঢ়া মানুহ আছে, তেওঁ আজি কুৰি বছৰ এই কথাকে কৈ আহিছে, যে, মানুহৰ দুৰ্গতিৰ গুৰিত এইটো কথা যে মানুহে ভাবে তেওঁলোকৰ দুৰ্গতি লোকৰ সহায়ত গুচিব, লোকে তেওঁলোকৰ ভাল কৰি দিব। যেতিয়া তেওঁলোকে দেখে যে বাহিৰা শাসনকৰ্ত্তাসকলৰ সহায়ৰ পৰা তেওঁলোক বঞ্চিত, তেতিয়া তেওঁলোকে শাসনকৰ্ত্তাসকলক দোষে। কিন্তু গুৰিয়াবাসীসকলে যেনে কৰিছে সেইটোহে বাট— নিজে নিজক সঙ্ঘবদ্ধ কৰি নিজৰ কাম নিজে কৰি ললে, বাহিৰৰ কৰ্ত্তাসকলৰ কোনো আৱশ্যক নাথাকে। টলষ্টয়ৰ এইটোৱেই স্বৰাজৰ সংজ্ঞা বা ব্যাখ্যা।

* • *

বন্ধুবৰ শ্ৰীযুত হেমচন্দ্ৰ গোস্বামীয়ে তেওঁৰ সম্পাদিত "পুৰণি অসম বুৰঞ্জীৰ" ভূমিকাত লেখিছে— "আগৰ দিনত অসমীয়া মানুহৰ ভিতৰত বুৰঞ্জী চৰ্চ্চা কৰা এটা শিক্ষাৰ প্ৰধান অঙ্গ আছিল। দেশৰ বুৰঞ্জী ভালকৈ নজনাটো ভাল মানুহৰ পক্ষে এটা বৰ ডাঙৰ লাজৰ কথা আছিল। প্ৰায় ভদ্ৰলোকৰ ঘৰে ঘৰে বুৰঞ্জী পুথি আছিল। তেওঁবিলাকে বুৰঞ্জী সাহিত্য ইমান ভাল পাইছিল যে নিজৰ দেশৰ বুৰঞ্জী লিখি বা পঢ়িয়েই ক্ষান্ত নাছিল, ওচৰ-চুবুৰীয়া বঙ্গদেশৰ বুৰঞ্জীওলি লিখিছিল আৰু পঢ়িছিল। লিথকে অসমীয়া ভাষাত লিখা বৰ্দ্ধমানৰ বুৰঞ্জী এখন

পাই তাক প্ৰকাশ কৰিবৰ অভিপ্ৰায়েৰে যত্নেৰে সংগ্ৰহ কৰিছিল, কিন্তু বৰ বেজাৰৰ কথা পুথিখন তেওঁৰ হাতৰ পৰা ওলাই গৈ সি আৰু ঘূৰি নাহিল। গৌৰীপুৰৰ ৰজা বাহাদুৰ শ্ৰীযুত প্ৰভাতচন্দ্ৰ বৰুৱাই যেতিয়া তেখেতৰ ৰাজ্যলৈ উত্তৰ বঙ্গ সাহিত্য সম্মিলনক আহ্বান কৰে, তেতিয়া ৰজা বাহাদুৰে লেখকলৈ কেইখনমান অসমীয়া পুথি প্ৰদৰ্শনৰ নিমিত্তে পঠাবলৈ অনুৰোধ কৰে। লিখকে এই পুথিখনকে ৰজা বাহাদুৰলৈ পঠাইছিল। লিখকে ভাবিছিল যে বঙ্গালী সাহিত্যিকসকলে, অসমীয়া ভাষাত তেওঁবিলাকৰ দেশৰ বুৰঞ্জী দেখি বৰ আনন্দ পাব। কিন্তু কবলৈ লাজ লাগে আৰু বেজাৰ লাগে যে এই মূল্যবান পুথিখনত কোনোবা বঙ্গালী সাহিত্যিকৰ হাত পৰিল। ৰজা বাহাদুৰে লেখকক বৰ দুখেৰে জানিবলৈ দিলে যে পুথিখন প্ৰদৰ্শনীৰপৰা কোনোবাই হাত কৰিলে। অসমীয়া সাহিত্যৰ এখন মূল্যবান পুথি এইদৰে লোপ হল।"

• • *

আমাৰ সান্ন্যাল বাবু ডেকা; কিন্তু বুঢ়া "ফিলজফৰ।" তেওঁ কালি মোক কৈছিল, যে, এইবাৰ তেওঁ কলিকতাৰপৰা এটা বঢ়িয়া পাটৰ কামিজ চোলা কৰাই আনিছিল। কালি কামিজটো তেওঁ পিন্ধি ফুৰি আহি ভাঁৰত শুকাবলৈ দিছিল। কিন্তু তেওঁৰ লগুৱাকেইটাৰ ভিতৰৰ কোনোবাটোৰ সেই চোলাটো বৰকৈ পছন্দ হল; সেইদেখি সি নি কৰবাত লুকাই থলেগৈ, বিচাৰি পোৱা নগল। মই কলো "তুমি যিটোক চোভা কৰিছা, সেইটোক ডাবি-ছকি দি নধৰা কিয়?" তেওঁ কলে "আমাৰ বড় লজ্জা কৰে। তা ছাড়া বেচাৰাৰ পসন্দ হয়েছে যখন, নিয়েছে, আৰ কি কৰব বলুন।" অৱশ্যে এই কথা ওপৰত গোসাঁয়ে উল্লেখ কৰা কথা একেবাৰেই যোৰা খাই পৰিছে এনে নহয়; কিন্তু "পছন্দ হোৱালৈকে" হলে যোৰা খাইছে। সান্ন্যাল বাবুৱে আৰু কলে "বেচাৰা বাড়ী গিয়ে তাৰ বৌৰ কাছে জামাটা পৰে বাহাৰ দিয়ে সুখ পাবে, তাতে আমাৰ বাধা দেওয়াটা কি উচিত?" গোসাঁইৰ বঙ্গালী সাহিত্যিকজনেও দেশলৈ উভতি গৈ নিজক সেই পুথিৰ আবিষ্কৰ্ত্তা বিদগ্ধ প্ৰত্নতাত্ত্বিক বুলি সুখ পোৱাত গোসাঁয়ে কিয় দুখ পাইছে কব নোৱাৰো। বৰং পুথিখন "পছন্দকৰ্ত্তাৰ" খৰচতে ছপা হৈ ওলালে গোসাঁইৰ সেই খৰচ ফেৰা বাহি যে হব গোসাঁয়ে সেইটো কথা কিজানি ভবাই নাই। কিন্তু গোসাঁয়ে সেই সুখ লভিবৰ আশা অৱশ্যে কম; কাৰণ গোসাঁই আৰু গৌৰীপুৰৰ ৰজা বাহাদুৰ এই ভূভাৰতত থাকোতে তেওঁ সেই পুথিৰ চোলাটো লোকক দেখুৱাই নিপিন্ধে; এইটো ঠিক। অৱশ্যে পিছত মা দুৰ্গাৰ চৰণ ভৰসা; "মা দুৰ্গা দয়া কৰেন তো" তেওঁ চোলা পিন্ধিবই পিন্ধিব।

* • •

আগেয়ে মহৰ্ষি দেবেন্দ্ৰনাথ ঠাকুৰৰ ঘৰত মাঘোৎসৱৰ দিনা বৰ ধুমধামেৰে খুউৱা হৈছিল। ইংৰাজী ধৰণেৰে থকা ওপৰৰ খাপৰ মানুহলৈ গ্ৰেট ইষ্টৰ্ণৰ হোটেল নাইবা পেলিটিৰ ঘৰৰ চাহ কেক মিঠাই আনিবো দিহা কৰা হৈছিল। গ্ৰেট ইষ্টৰ্ণৰ য়ুৰোপীয় খানচামাই বই-বস্ত প্লেট, পিৰিচ, গ্লাছ, কাটা, চামুচ আনি অভ্যাগতক খুউৱাৰ বন্দবস্ত দেখিছিলো। এবাৰ দেখা গল, ওপৰ খাপৰ অতিথিসকলৰ জনদিয়েকে অকল যে কেক্ পেষ্ট্ৰি আইছ্-ক্ৰিম আদি আকণ্ঠপূৰ্ণ কৰি খাই এৰিলে এনে নহয়, তেওঁলোকৰ কোটৰ পকেটত কেক্ পেষ্ট্ৰি চকলেট মুঠিয়ে মুঠিয়ে সোমাল, আৰু লগতে লগৰ কাৰো লগে উজাই, গ্ৰেট ইষ্টৰ্ণৰ নাম থকা ৰূপৰ কাঁটাচামুচো সোমাল। এনে কাণ্ড দেখি হোটেলৰ খান্‌চামাই মনে মনে আহি সেই খানাৰ তত্ত্বাবধাৰকক সেই খবৰ জনালত, দুজন অভ্যাগতৰ চোলাৰ জেপৰপৰা কেক্-চকলেটৰ লগতে ডাল-চেৰেক কাঁটা চামুচো ওলাই পৰিল। অৱশ্যে সেইখিনিতে যৱনিকাও পতন হল। এইখিনিতে কোৱা যাওক, যে যাৰ জেপে কাটা-চামুচ উকুলিয়াই দিছিল, সেই জেপৰ মালিক এজনে বঙ্গদেশত ওখ শাৰীৰ সাহিত্যিক বুলি মান পাইছিল।

• • •

তাহানি কলিকতাত অসমীয়া "ষ্টুডেণ্টছ্ মেছত" লজিক বা ন্যায়শাস্ত্ৰ পঢ়োতা ছাত্ৰ এজনে লজিকেৰে সৈতে যুদ্ধ কৰি তাক মুখস্থ কৰি কৰি গাইছিল—"ইণ্ডাট লজি ভিলছ্ উইথ্" (Inductive Logic deals with)। তেওঁৰ পদাঙ্ককে অনুসৰণ কৰি আমাৰ কবৰ মন গৈছে "ডিডটি লজি ডিডিউছ্ ইট্" অৰ্থাৎ ডিডাক্টিভ্ লজিকে সিদ্ধান্ত কৰে যে নামজলা সাহিত্যিক চৰ খুজিলে, অসমীয়া-বৰ্ত্তমান-বুৰঞ্জী-বিলোপক সাহিত্যকৰ বাট লোৱা। কাহঁদী খাৰলি খাওঁতাসকলে কি বোলে? ৰাজী নে গৰ্‌ৰাজী?

শ্ৰীলক্ষ্মীনাথ বেজবৰুৱা

---



# আসাম চুতীয়া সম্মিলনৰ প্ৰথম অধিবেশনৰ সভাপতিৰ অভিভাষণ

( আগৰ সংখ্যাৰ পিছৰ পৰা )

চুতীয়া ৰজাসকলৰ নামৰ পিছত পাল উপাধিটো থকা বাবে কোনো প্ৰত্নতাত্ত্বিকে কয় যে চুতীয়া ৰজাসকল বজ্ৰধ্বজকে আদি কৰি ধৰ্ম্মধ্বজলৈকে ভাটীৰ পালবংশীয় ৰজাৰে বংশৰ কোনো এটা ঠাল বা ঠেঙুলী। ৰজা নোহোৱা চুতীয়াসকলৰ ওপৰত তেওঁলোকে ভাটীৰ পৰা আহি ৰাজত্ব কৰিছিল, আৰু নীতিপাল অৰ্থাৎ শেহজন ৰজা কোনোবা পৰ্ব্বতীয়া চৰ্দ্দাৰ—চুতীয়া বা পালবংশী ৰজা দুৰ্ব্বল হোৱাত নীতিপালে আহি চুতীয়াৰ ৰাজ্যও লয় আৰু সাধনীকো হস্তগত কৰে। অসভ্য পৰ্ব্বতীয়া দেখিয়েই সাধনীয়ে প্ৰথমতে বিয়া সোমাবলৈ খোজা নাছিল, কিন্তু যেতিয়া দেখিলে যে সাৰিবৰ উপায় নাই তেতিয়া বিয়া সোমাল। আমাৰ বিবেচনাৰে কিন্তু এইমত একেবাৰে ভুল। ইয়াৰ কোনো ভেটি নাই। পালবংশৰ কোনো ৰজায়ে উজনী, বিশেষতে শদিয়া, আক্ৰমণ কৰা কথা কতো নাপাওঁ। এইটো সকলোৱে জানে যে আহোম ৰজাসকলেও নিজৰ আহোম নাম থকা স্বত্বেও হিন্দুৰ নাম লৈ ক্ষত্ৰিয়ৰ সিংহ উপাধিটো নামৰ পিছত গ্ৰহণ কৰিছিল, যেনে শিৱসিংহ ৰুদ্ৰসিংহ ইত্যাদি ইত্যাদি। এই অনুক্ৰমেই আমাৰ চুতীয়া ৰজা বজ্ৰধ্বজেও পালবংশক যুদ্ধত ঘটুৱাই, পালবংশৰ জীয়াৰী বিয়া কৰাই 'পাল" উপাধিটোও গ্ৰহণ কৰিছিল। নীতিপাল পৰ্ব্বতীয়া অসভ্য চৰ্দ্দাৰ নাছিল। দেউৰীসকলে দঢ়াই দঢ়াই কয় যে নীতিপাল চুতীয়া যুবক আছিল। তেওঁৰ গাত অলপ খৰ থকাৰ কাৰণেহে সাধনীয়ে তেওঁত বিয়া সোমাবলৈ প্ৰথমতে মান্তি নহৈছিল। কিন্তু যেতিয়া দেখিলে যে নীতিপালে ক্ষত্ৰিয়োচিত বীৰত্ব আৰু বিদ্যা দেখুৱাই সাধনীৰ বাপেকৰ অঙ্গীকাৰ পূৰ্ণ কৰিলে তেতিয়া তেওঁ ধৰ্ম্মৰক্ষাৰ অৰ্থে নীতিপালতেই বিয়া সোমাল। সাধনী এলা-পেছা তিৰোতা হোৱা হলে আত্মহত্যা নকৰি আহোমৰ কৰতলীয়া হৈ থাকিলহেতেন।

বিবাহাদি আচাৰ পদ্ধতি

স্বাধীন অৱস্থাত থকা কালত অৰ্থাৎ আহোমসকলৰ হাতত পৰাজিত হোৱাৰ আগলৈকে সমস্ত চুতীয়া জাতি টোৱেই সকলো বিষয়তে হিন্দুৱেই আছিল। চুতীয়াৰ ৰজাসকলে হিন্দু ক্ষত্ৰিয়বংশী পালৰজা, কমতাপুৰৰ ৰজা এইসকলে সৈতে বিবাহসূত্ৰত আৱদ্ধ আছিল। বিবাহত হোম পুৰি বামুণে বেদোক্ত মন্ত্ৰ উচ্চাৰণ কৰি চুতীয়াসকলৰ বিবাহকাৰ্য্য সম্পন্ন কৰিছিল। চুতীয়াসকলে নিজৰ ভিতৰতও আৰু সময়ে সময়ে আমাৰ অসমীয়া আন হিন্দুৰ সৈতেও বিবাহাদি আদান-প্ৰদান কৰিছিল। সম্পত্তিৰ উত্তৰাধিকাৰীও চুতীয়াসকলৰ মাজত হিন্দুৰ দায়ভাগৰ নিয়মেই চলি আছে। শ্ৰাদ্ধ-বিবাহ ইত্যাদি সমস্তই হিন্দুৱে কৰে। কোনো বিভিন্নতা নাই। এই সমস্ত কাৰণে বৰ্ত্তমানলৈকে হিন্দুচুতীয়াসকল সম্পূৰ্ণ ক্ষত্ৰিয় হিন্দুয়েই।

যিসকল চুতীয়াই পৰাজিত হৈ আহোমৰ লগ লাগি-

ছিল সেইসকলৰ নামো হৈছিল আহোমচুতীয়া আৰু সেইকালত তেওঁবিলাকৰ আচাৰ-পদ্ধতিও হৈছিল আহোমৰ দৰে; কিন্তু আজিকালি আমাৰ আহোম ভাতৃসকলো হিন্দু হোৱাৰ লগে লগে আমাৰ আহোম চুতীয়াসকলো আজিকালি হিন্দুৱেই। সেইদেখি আজিকালিৰ দিনত আহোম-চুতীয়া বা হিন্দু-চুতীয়া বুলি দুটা বেলেগ বেলেগ জাতি নাই বুলিলেও হয় আৰু যদি কৰবাত বিভিন্নতা আছেও তেনেহলে তাকো উঠাই দি সমস্ত চুতীয়ায়ে এক হোৱাই উচিত।

যেনেকৈ আহোম অভ্যুদয়ৰ কালত অনেক চুতীয়া আন কি হিন্দুও আহোম হৈছিল, ভাটীৰফালে মুছলমান ৰাজত্বৰ কালত অনেক হিন্দু মুছলমান হৈছিল সেইদৰে চুতীয়াসকলৰ অভ্যুদয়ৰ কালত কোনো কোনো বৰাহীও চুতীয়াৰ ভিতৰত সোমাইছিল। বৰ্ত্তমান দেউৰী আৰু বৰাহীসকলৰ আচাৰ-নীতি পৃথক, তেওঁলোকেৰে সৈতে চুতীয়াসকলৰ বিবাহাদি কোনো আদান-প্ৰদান নাই; কিন্তু যদি কোনো বৰাহী বা দেউৰীয়ে অখাদ্য ত্যাগ কৰি চুতীয়াৰ ভিতৰত ভুক্ত হব খোজে তেন্তে সেইসকলকো আমাৰ চুতীয়া ভাতৃসকলে গুৰুধৰৰ সন্মত লৈ নিজৰ ভিতৰত ভুক্ত কৰি ললে ভালত বাজে একো বেয়া নহয়।

বৰ্ত্তমান কালত চুতীয়াসকল আসামৰ আন আন হিন্দুসকলৰ দৰেই বৈষ্ণৱ ধৰ্ম্মৰ মানুহ। আগৰকালত আমাৰ চুতীয়া ভ্ৰাতৃসকল দেবীপূজক তান্ত্ৰিক ধৰ্ম্ম-বিশ্বাস আছিল। দেউৰীসকলৰ ধৰ্ম্ম একপ্ৰকাৰ তান্ত্ৰিক বীৰাচাৰী শাক্ত ধৰ্ম্মকে বুলিব পাৰি। তেওঁবিলাকে লক্ষ্মী, সৰস্বতী, দুৰ্গাদেবী, মহাদেৱ এইসকলক মানে আৰু পূজে। দেউৰীসকল যে সুন্দৰ-দেবীপূজক তাৰ প্ৰমাণ তেওঁলোকৰ উৎপত্তিৰ বিৱৰণটোৱেই দিয়ে। তেওঁবিলাকৰ ভিতৰত এটা প্ৰবাদ আছে যে এসময়ত দুৰ্গাদেবী মাতৃ-শিলাস্বৰূপে নৈত ভাহি উঠিছিল। সেই দুৰ্গাদেবীক ব্ৰাহ্মণসকলে আৰু আন আন কোনো হিন্দুৱেই নিব নোৱাৰিলে। পিছত কেইগৰাকী-মান চুতীয়াই আহি মাতৃক স্তুতি-নতি কৰাত মাতৃ নিজে নিজে পাতল হল। তেতিয়া সেই কেইগৰাকী চুতীয়াই মাতৃক দোলা কৰি লৈ গৈ তাম্ৰেশ্বৰী মন্দিৰত থাপিলে। সেইকালৰে পৰা এই দোলাকঢ়িওৱা চুতীয়াসকলৰ বংশধৰ সকলেই দেউৰী হল, আৰু শদিয়াৰ বিখ্যাত তাম্ৰেশ্বৰী মাতৃৰ পূজক, পুৰোহিত, পচাতোলা হল। এই তাম্ৰেশ্বৰী মাতৃৰ মন্দিৰত দেবীক পূজিবলৈ হিন্দুস্থানৰ ডাঙৰ ডাঙৰ বীৰাচাৰী শাক্তসকল আহিছিল; আন কি দেবীক পূজিবলৈ তিৰ্ব্বত, চীন ইত্যাদি ঠাইৰো মানুহে আহি মাতৃক পূজিছিল। সকলো মানুহেই আন কি আবৰ, মিচিমি, চিংফৌ ইত্যাদি সকলেও এই মন্দিৰক ভয় আৰু ভক্তি কৰিছিল। এইটোও অল্পজ্ঞে জনাজাত কথা যে এই মন্দিৰত বছৰি এটা নৰবলি হৈছিল। এই নৰবলিৰ বিষয়টোকে লৈ কোনো কোনো প্ৰত্নতাত্বিকে কব খোজে যে যি মানুহে নৰবলি কৰিছিল সেইসকল অনাৰ্য্য অহিন্দু আছিল। চুতীয়াসকলে নৰবলি চলাইছিল, সেইদেখি তেওঁলোক অহিন্দু অনাৰ্য্য আছিল। এনেকুৱা মতও মোৰ বিবেচনাৰে একেবাৰে অসাৰ। নৰবলি মধ্যযুগত হিন্দুৰ ব্ৰাহ্মণ ক্ষত্ৰিয় এইসকলেও চলাইছিল। তাৰ প্ৰমাণ অশেষ অসংখ্য।

আদিতে এই নৰবলিৰ প্ৰথাটো আছিল যে যি মানুহক ৰজাই প্ৰাণদণ্ড বিহিছিল (কোনো ৰাজদ্ৰোহ, নৰহত্যা ইত্যাদি অপৰাধত) তেনেকুৱা মানুহকহে কোনো এক কালী বা দুৰ্গাৰ মন্দিৰত, গোসানীৰ আগত, মাতৃৰ আগত সেই মানুহটোৰ আত্মাৰ মুক্তিৰ নিমিত্তে, মৰণ কালত মাতৃৰ চৰণ দেখি মৰিবৰ নিমিত্তে বলি দিছিল। আৰু আজিকালি যেনেকৈ মানুহে ফাচি দিয়া কাণ্ডটো চায় সেইদৰে সেইকালতো এই নৰবলিবিলাক এটা উৎসৱৰ দৰে হৈছিল। শঙ্খ, ঘণ্টা, ৰজাই স্তবে-স্তুতিয়ে বলিত দিয়া মানুহটোক উৎসাহিত কৰি, ধৰ্ম্মভাবেৰে মত্ত কৰি তাক একেকোৱে কাটি প্ৰাণসংহৰণ কৰি ৰাজ-আজ্ঞা প্ৰতিপালন কৰিছিল। কালক্ৰমত যতে ততে (অকল তাম্ৰেশ্বৰী মন্দিৰতেই নহয়, ভাৰতৰ আন আন দেৱী মঠবিলাকতো—যেনে কামাখ্যাত জৈন্তিয়াৰ ফালজুৰ মঠত) এই নৰবলিটো, অজ্ঞান এন্ধাৰত ডুবি থকা ৰাইজৰ সন্তোষৰ অৰ্থে, অথবা ধৰ্ম্মত উন্মত্ত হোৱা



দুই একজন বীৰাচাৰী সাধকৰ অন্ধ-বিশ্বাসৰ উত্তেজনাত এটা বছৰেকীয়া আৱশ্যকীয় অনুষ্ঠানৰ দৰে হৈ পৰিছিল। বছৰি দোষী বা বিদ্ৰোহী নোপোৱাৰ কাৰণে ৰজাঘৰৰ পৰা এটা বন্ধা নিয়মমতে নিৰ্দ্দোষী মানুহ একোটাকে বলি দিয়া হৈছিল। ৰাইজৰ সন্তোষৰ অৰ্থে নিৰ্দ্দোষী মানুহক বলি দিয়া বিষয়ে পূজ্যপাদ শ্ৰীযুত ৰবীন্দ্ৰনাথ ঠাকুৰৰ পুথি এখনত পাব। বীৰাচাৰী সাধকে উন্মত্ত হৈ নিৰ্দ্দোষী মানুহক বলি দিবলৈ বিচৰা কথাৰ ৺বঙ্কিমচন্দ্ৰৰ "কপাল কুণ্ডলা"ত বিশদ উদাহৰণ পাব। সেই কাপালিকজনে কেনেকৈ নকুমাৰক বলি দিবলৈ বিচাৰিছিল, চেষ্টা কৰিছিল, তাৰ বৰ্ণনা বৰ বিশদৰূপে পাব। তাম্ৰেশ্বৰী মন্দিৰত বছৰি বলি দিবৰ নিমিত্তে আহোম ৰজাই চুতীয়াক পৰাস্ত কৰি উঠিও এখেল মানুহ থৈছিল। সেই খেলক সাৰৰ খেল বুলিছিল। সেই খেলৰ মানুহৰ কৰ-কাটল সমস্ত মাফ আছিল। সেই খেল চুতীয়া মানুহৰ পৰা বছৰি এটা ডেকাক বলি দিছিল। মান আহি দেশ লণ্ড-ভণ্ড কৰিবৰ পৰাহে শদিয়াৰ এই নৰবলি প্ৰথা উঠিল। তাম্ৰেশ্বৰী মন্দিৰত সেই কালত নৰবলি হোৱা বাবেই যে চুতীয়াসকল অনাৰ্য্য আছিল সেইটো নহয়। নৰবলি আৰ্য্যৰ ভিতৰৰ ব্ৰাহ্মণ ক্ষত্ৰিয়ৰ ভিতৰতো একালত আছিল। বৰ্ত্তমানেও দুৰ্গা পূজাত ব্ৰাহ্মণেহে ছাগলি আৰু মহক বলি দিয়াৰ আগেয়ে উছৰ্গা কৰি দি শান্তিজল চটিয়াই দিয়ে। তাম্ৰেশ্বৰী মন্দিৰৰ নৰবলিৰ নিমিত্তে দেউৰী আৰু চুতীয়াসকল অনাৰ্য্য হব নোৱাৰে। এইবিলাক বিৱৰণৰ পৰা, আৰু বৰ্ত্তমান শদিয়াৰ যি যি ধ্বংশাবশেষ আছে তাৰপৰা, ভীষ্মক নগৰ কুণ্ডিলপানী ইত্যাদি নামৰ ঠাইৰ পৰা, আৰু আমি সৰুৰেপৰা পিতৃ-পিতামহসকলৰপৰা শুনি অহা আখ্যানৰ পৰা, শঙ্কৰদেৱৰ ৰুক্মিনীহৰণ পদৰপৰা, থিৰ কৰি জানিছিলো যে এই শদিয়াই আগৰ মহাভাৰতৰ কালৰ ভীষ্মক ৰজাৰ ঠাই; যাৰ জীয়েক ৰুক্মিণীক প্ৰভু কৃষ্ণই দ্বাৰকাৰ পৰা হিমালয়ৰ দাতিয়ে দাতিয়ে এটা আলি বন্ধাই হৰণ কৰিবলৈ গৈছিল।

আমাৰ এই বিশ্বাস ৰায়বাহাদুৰ শ্ৰীযুত আনন্দচন্দ্ৰ আগৰৱালা দেৱৰ ইংৰাজী পুথিখনে দৃঢ় কৰি ৰাখিছিল। আমি জানি থৈছিলো যে ভীষ্মক আগৰৱালা দেৱৰমতে উত্তৰ-পূব কোণৰপৰা সেই আৰ্য্যসকলৰে এজন ক্ষত্ৰিয় ৰজা আছিল; তেওঁৰ ৰাজ্যত অৰ্থাৎ শদিয়া অঞ্চলত একাদত সাত্বিক ব্ৰাহ্মণো আছিল; সিসকলৰ এজনক অৰ্থাৎ বেদনিধিক ৰুক্মিণী আইদেৱে প্ৰভু কৃষ্ণৰ ওচৰলৈ পঠাইছিল। কিন্তু এতিয়া বৃদ্ধ বয়সত আমাৰ বন্ধু শ্ৰীযুত কমলাকান্ত হাজৰিকাৰ "শুধৰণী আৰু মানস-সৰোবৰ" নামৰ প্ৰবন্ধৰপৰা জানিলো যে শদিয়া মহাভাৰতৰ ভীষ্মকৰ দেশ নহয়। হলে আন কোনোবা ভীষ্মকৰ দেশ; কিন্তু চুতীয়াসকল হলে কাশ্যপ গোত্ৰীয় ক্ষত্ৰিয়। আচল ভীষ্মকৰ দেশখন হেনো বিন্ধ্যা পৰ্ব্বতৰ দক্ষিণেহে আছিল। আৰু আমি হেনো আন ঠাইৰ ঘটনা এটা অৰ্থাৎ বিন্ধ্যা পৰ্ব্বতৰ দক্ষিণৰ দেশখনক টানি আনি শদিয়াত থাপি সত্যৰ অপলাপ কৰি দুৰ্ব্বলতাৰহে পৰিচয় দিছো। হাজৰিকাৰ মতে শদিয়া ভীষ্মকৰ দেশ নহয়; কিন্তু চুতীয়াসকল হলে কাশ্যপ গোত্ৰী ক্ষত্ৰিয়! চুতীয়াসকল যদি মহাভাৰতৰ সময়ৰ ভীষ্মকৰ বংশধৰ নহয়, তেন্তে তেওঁবিলাক কোনজনা ভীষ্মকৰ বংশৰ আৰু তেওঁবিলাক কৰপৰা আহিল, কেনেকৈ ক্ষত্ৰিয় হল, এই বিষয়ে আমাক সবিশেষ বিৱৰণ দিব বুলি আজিলৈকে বাট চাই আছো। শদিয়াই যে "মহাভাৰতৰ সময়ৰ ভীষ্মকৰ দেশ"—আমাৰ আজি এতেদিনৰ টান মিঠৈৰ লাড়ুটো হাজৰিকা দেৱৰ অনুসন্ধানে একেকোবেই হাত দিলেহে ভাগি যোৱা এৰা লাড়ুটোত পেলাব খোজাতহে অলপ দুখ পাইছো। যি কি নহওক, আমি কিন্তু একলেখীয়া অকৰা লৰা। বিন্ধ্যা পৰ্ব্বতৰ দাক্ষণডোখৰহে ভীষ্মকৰ দেশ, এই কথা কাহানিবাই ডেকাকালতে শুনিছিলো; কিন্তু কথাটো এতিয়ালৈকে আমি মানি লব পৰা নাই। ইয়াৰ কাৰণ প্ৰত্নতত্ব বোলা বিষয়টো বৰ বেমেজলীয়া বিধৰ। হেৰ সিদিনাখন কালিদাস কৰ মানুহ, কত উপাজিছিল, এই কথা লৈয়ে বিবাদ চলিছে। ষেক্সপিয়েৰৰ নাটকেখন লৈও ইংলণ্ডত জল্পনা, কল্পনা, কল্পনা চলিব লাগিছে; কেৱে কয়, ষেক্সপিয়েৰ বোলা এটা মানুহে সেই নাটবিলাক লিখা নাছিল; লৰ্ড বেকনেহে ষেক্সপিয়েৰৰ নাম দি নাটবিলাক লিখিছিল। প্ৰমাণ—লৰ্ড

বেকনৰ ভাষাই আৰু শ্বেক্সপিয়েৰৰ নাটবিলাকৰ ভাষাই প্ৰায় মিল। কেৱে কয়, সেইটো নহয়; শ্বেক্সপিয়েৰ নামৰ মানুহ এটাই লিখিছিল; কেৱে কয়, সেইটো নহয়; সেই কালৰ নাট্য সমাজৰ কেতথিনি মানুহে ষ্টেজত অভিনয় কৰিবৰ নিমিত্তে মিলিজুলি এই নাটবিলাক লিখিছিল। যি স্থলত ৩।৪ শ বছৰৰ আগৰ ঘটনা লৈয়ে বেমেজালি, তেনেস্থলত ৪।৫ হেজাৰ বছৰৰ আগৰ কথা এটা সঠিক হৈ উঠিছে বুলি কেনেকৈ ধৰি লওঁ? বিন্ধ্যা পৰ্ব্বতৰ দক্ষিণ ডোখৰেই, নে আবৰ-মিচিমি পৰ্ব্বতৰ দক্ষিণ ডোখৰেই ভীষ্মকৰ দেশ, এই কথাটো আমাৰ মনেৰে এতিয়াও থিৰাং হৈ উঠা নাই। সেইদেখি আমি শদিয়াকে মহাভাৰতৰ সময়ৰ ভীষ্মকৰ দেশ বুলিছো আৰু বুলিমও। অৱশ্যে ব্ৰহ্মপুত্ৰৰ উৎপত্তিৰ বিষয়ে যদিও সত্যচৰণ শাস্ত্ৰীয়ে তেওঁৰ 'কৈলাস ভ্ৰমণ' নামে পুথিত একোকে কোৱা নাই, তথাপি শ্বেন হেডিনৰ মতটোকে মানি ললো। কিন্তু ভীষ্মকৰ দেশখনৰ বিষয়ে হাজৰিকা দেৱৰ সিদ্ধান্তটো মানি লব নোৱাৰি দুঃখিত হলো। তেওঁৰ এইটো সিদ্ধান্ত লবলৈ হলে এজন প্ৰত্নতাত্ত্বিকৰ যুক্তিমতে বাণৰজাৰ তেজপুৰখনক নি সিন্ধু প্ৰদেশত থব লাগিব। নৰকক নি এছীৰিয়াত (মেছপটেমিয়াৰ সিফালে) থৈ সবলতাৰ পৰিচয় দিব লগাত পৰিম, যিহেতু এছীৰিয়াৰপৰা অসুৰ বংশ, ছিৰিয়াৰপৰা সুৰ বংশ হৈছে বুলি এজন প্ৰত্নতাত্ত্বিকে কৈছে। আমাৰ মৰমৰ অসমৰ তিনিওখন নামজ্বলা ঠাইকে একাদিক্ৰমে, চিজিলক্ৰমে পছিমলৈ ঠেলি নি থৈ আহি অসমখনক আগৰ অসভ্য জংঘলি দেশ, নগা আবৰহে আবাসস্থান, এনেকুৱা বিধত পেলাই আমাৰ বল-বিক্ৰম বঢ়াবলৈ ৰব টান পাওঁ। আমি ঠেলি নি থলেও, শদিয়াত যিবিলাক চিন-মোকাম ধ্বংশাৱশেষ আছে সেইবিলাকে দেখোন ভীষ্মকক শদিয়ালৈ টানি আনে। তেজপুৰৰ মঠ-মন্দিৰ ধ্বংশাৱশেষবিলাকে বাণক তেজপুৰলৈ টানে আৰু কামৰূপৰ পুৰণি চিন-মোকাম, জনশ্ৰুতি, বুৰঞ্জী গোটেইবিলাকেই নৰকক কামৰূপলৈ আনে। শদিয়াৰ বৰ্ত্তমান শাসনকৰ্ত্তা সহৃদয়, বিদ্যোৎসাহী আৰু প্ৰত্নতত্ত্ব ৰাপ থকা শ্ৰীযুত কালাখান ছাহাবে শদিয়াৰ বিষয়ে কিদৰে লিখিছে শুনক—

"সদিয়াৰ উৎপত্তি বিষয়ৰ কথা বুৰঞ্জী যিনৰেই কওক, এইটো থিৰাং যে শদিয়াত ভালেমান পুৰণি ধ্বংশাৱশেষবিলাকে এতিয়াও এসময়ৰ গৌৰৱ প্ৰকাশ কৰে। দেওপানী আৰু দিবং নৈ ওচৰত ভালেমান পুখুৰী আছে; কেতবিলাক ডাঙ্গৰ, আনকি, ৫ পুৰা মাটিৰ বেৰ—চাৰিকোণীয়া; পাৰবিলাক ইটাৰে বন্ধোৱা, ঘাটবিলাক পকা। বালিজান নৈৰ খণ্ডত চিপুণীয়া গাৰঁৰ ওচৰত আৰু লোহিত উপত্যকাৰ মাজেদি যোৱা আলিৰ ২৭ মাইল ওচৰত এটা ডাঙ্গৰ দুৰ্গ আৰু ৰাজ্যৰ ধ্বংশাৱশেষ আছে। এই দুৰ্গ আৰু ৰাজ্য ৰুক্মিণীৰ বাপেক ভীষ্মক ৰজাই কৰোৱা বুলি মানুহৰ বিশ্বাস। আন এটা বিখ্যাত ধ্বংশাবশেষ হৈছে তাম্ৰেশ্বৰী মন্দিৰ। এখন সৰু নৈৰ সোঁহাতে অৱস্থিত। শান বা আহোমে অসম ৰাজ্য আক্ৰমণ কৰাৰ আগেয়ে পূৰ্ব্ব কামাখ্যালৈ ভাৰতবৰ্ষৰ পশ্চিম অঞ্চলৰ মানুহে কোচবিহাৰৰে পৰা অসমৰ পুব সীমালৈ থকা এটা ওখ আলিয়ে অহা-যোৱা কৰিছিল। শদিয়াৰ পৰা চুণপোৰাৰ মাজেদি তাম্ৰেশ্বৰী মাইৰ মন্দিৰলৈকে এটা আলি আছিল। যি ৰাজগড় আলি তেজপুৰৰ পৰা উত্তৰ লক্ষীমপুৰৰ মাজেদি আহিছে, সেই আলিৰ চিন খণ্ড খণ্ড হৈ ঠায়ে ঠায়ে এতিয়াও শদিয়াৰ ৯ মাইল পুবত থকা ডিক্ৰু নৈলৈকে আছে। তাম্ৰেশ্বৰী মাইৰপৰা প্ৰায় ২৮ মাইল দূৰত তীৰ্থযাত্ৰীসকলে দিগাৰুমুখ টেমিমুখেদি যোৱা আলিৰ মূৰৰ পৰা লোহিত পাৰহৈ ৩ মাইল গলে পৰশুৰাম কুণ্ড পায়।"

এইবিলাকৰ উপৰিও কুণ্ডিল নৈৰ পাৰত বলিয়া বাবাৰ থান। ৭ মাইল উত্তৰে নিজাম থাটৰ ফালে বুঢ়া বুঢ়ীৰ থান। তীৰুপানী নৈ আৰু ছৰকাৰী পাব্লিক ৱৰ্কছ ডিপাৰ্টমেণ্টৰ আলিৰ মাজত এটা শিৱলিঙ্গ আছে। চুণপোৰালৈ যোৱা আলিৰ ৯ মাইল আঁতৰত এটা তিনি চুকীয়া পুখুৰীও আছে।

এনেকুৱাবিলাক ধ্বংশাৱশেষ, জনশ্ৰুতি আৰু প্ৰভু ৺ শঙ্কৰদেৱৰ ৰুক্মিণীহৰণৰ নিচিনা সুৰলা, শ্ৰুতিমধুৰ পুথি থকা গলত, বাইজসকল কওকচোন, কোনটো প্ৰাণেনো আমি অসমীয়াই ভীষ্মকৰ ৰাজ্যখন দি বিন্ধ্যা-



পৰ্ব্বতৰ দক্ষিণত পাতোঁ? আনে পাতিব পাৰে, মই হলে নোৱাৰো। সেইদেখি মই এতিয়াও ধৰি থৈছো যে শদিয়াই ভীষ্মকৰ নগৰ, আৰু চুতীয়াসকলেই ভীষ্মকৰ বংশৰ বা দিনৰ ক্ষত্ৰিয় জাতি। চুতীয়াসকল ক্ষত্ৰিয় জাতি হয়নে নহয় এই বিষয়ে প্ৰত্নতাত্ত্বিকসকলৰ ভিতৰত মতভেদ আছে। কৰ্ণেল ডালটনে কয়, চুতীয়াসকল এজাত মিৰিহে। তেওঁৰ এইমত তেনেই ভুল। মাননীয় ডব্লিও বি ব্ৰাউনে কয় যে চুতীয়াসকল কেতিয়াও মিৰি নহয়। চুতীয়াসকলেই শদিয়া ৰাজ্যৰ অতি পুৰণি অধিবাসী। তেওঁৰমতে যিবিলাক মিৰি চুতীয়া ৰজাৰ দিনত ভৈয়ামলৈ নামি আহি চুতীয়া ৰাজ্যৰ ভিতৰত বাস কৰিছিল সেই সকল মিৰিকে চুতীয়া-মিৰি বোলে। শ্ৰীযুত বি, ছি এলেন ছাহাবে কয় যে চুতীয়া জাতি বড জাতিৰ এটা শাখা। বড জাতিৰ ভিতৰতো হেনো গাৰু, কছাৰী, কোচ, মেছ ৰাভা এই সমস্ত পৰে। কিন্তু চুতীয়া আৰু কোচ জাতিক বড জাতিৰ ভিতৰত থলে কোচ আৰু চুতীয়াৰ ধৰ্ম্মও বড জাতিৰ দৰে। সিজো, শিল ইত্যাদিক পূজাকৰা হব লাগিছিল; কিন্তু ক'ত্তা কোচৰ আৰু চুতীয়াৰ ধৰ্ম্ম দেখোন হিন্দুধৰ্ম্মহে; সিজো শিল মনা বিধৰ নহয়। চুতীয়াসকলে আগৰ কালত মহাদেউ পাৰ্ব্বতীক উপাসনা কৰিছিল, আৰু আজিকালি দেখোন আমাৰ অসমৰ কোচ কলিতা সকলৰ দৰে বৈষ্ণৱ মহাপুৰুষীয়া, দামোদৰী ইত্যাদি ধৰ্ম্ম মনা লোক। কোনো কোনো প্ৰত্নতাত্ত্বিকে কয় যে চুতীয়াৰ পুৰোহিত দেউৰীসকলে যিস্থলত ছাগলি বধ নকৰে, ছাগলিক মানে, অথচ কুকুৰা আৰু গাহৰি খায় তেনেস্থলত চুতীয়াসকল Totenistic অৰ্থাৎ এটা জন্তুৰ উপাসক বা এটা জন্তুক নিজৰ ভ্ৰাতৃৰ দৰে লোৱা মানুহ; আৰু Totenistic হোৱা মানুহ সকল অনাৰ্য্য পৰ্ব্বতীয়া। কিন্তু এই Totenৰ বিষয়ে আমি পাওঁ যে আমাৰ অৱতাৰী পুৰুষ প্ৰভু ৺ শঙ্কৰদেৱৰ বংশসকলে কাচ নামাৰে, কাচ নাখায়; দ্বিজ ৰমানন্দ কৃত ৺ শঙ্কৰদেৱৰ চৰিত্ৰত আছে যে তেওঁবিলাকৰ উপৰিপুৰুষসকলৰ একনা সেই সময়ত কনৌজত পাঠানৰ উৎপাত হোৱাত তেওঁলোকৰ তামৰ ফলি এখন পুখুৰী এটাত পেলাই অলপ-অচৰপ বয়-বস্তু হাতত লৈ হাবিত পলাই আছিল। পিছত পাঠান যোৱাত হাবিৰপৰা ওলাই আহি নিজ ঘৰত বাস কৰাৰ লগে লগে পুখুৰীটোত তামৰ ফলিখন জাল পেলোৱাই মানুহ নামি বুৰিয়াই ৰবকৈ বিচাৰোতেও ফলিখন নাপালে; কিন্তু মানুহে বিচাৰি হাইৰান হৈ হেৰাল বুলি এৰি দিয়াত পিছত বৰ ডাঙ্গৰ কাচ একনীয়ে সেই তামৰ ফলিখন মুখত ধৰি আনি পাৰত দিলেহি। তেতিয়াৰেপৰা ৺শঙ্কৰদেৱৰ বংশই কাচ নাখায়ো, নামাৰেও। শঙ্কৰদেৱৰ বংশসকল দেখোন নিভাজ নিখুত কায়স্থ; কাচ নমৰা বাবে তেওঁবিলাকো Totemistic হলনে?

এনেকুৱা বিলাক মতামতৰপৰা দেখা যায় যে কৰ্ণেল-হেনে ৺ৰায় বাহাদুৰ গুণাভিৰাম বৰুৱা, ব্ৰাউন ছাহাব, এইসকলে চুতীয়াসকলক শদিয়াৰ আদিম অধিবাসী বোলাত আমি তেওঁবিলাকক ভীষ্মকৰ সময়ৰ ক্ষত্ৰিয়সকলৰ সতি-সন্ততি বুলি ধৰি লৈছো। আমাৰ মতে বুৰঞ্জী হিছাপেও চুতীয়াসকল ক্ষত্ৰিয়হে। কিন্তু এইখিনিতে আকৌ কোনো কোনো প্ৰত্নতাত্ত্বিকে কব পাৰে যে চুতীয়াসকল ভীষ্মকৰ বংশৰ হলেও অনাৰ্য্য, আৰ্য্য ক্ষত্ৰিয়ৰ মানুহ নহয়; যিহেতু ভীষ্মক, ভগদত্ত, নৰক, ৰামায়ণৰ বালি সুগ্ৰীৱ এইসকল হিন্দু ধৰ্ম্ম লোৱা অনাৰ্য্য বংশৰহে ৰজা আছিল। আমি কিন্তু সঠিককৈ কব নোৱাৰো এই ৰজাসকল আৰ্য্য আছিল নে অনাৰ্য্য আছিল। মহাভাৰত ৰামায়ণৰ প্ৰায় সমস্ত পৰাক্ৰমী ৰজায়ে কেও ঘোৰ শৈৱ, কেও ঘোৰ শাক্ত আছিল। ৰামায়ণ আৰু মহাভাৰতে একালে শুদ্ধ সত্ত্ব বৈষ্ণৱ ধৰ্ম্মৰ, আনকালে তান্ত্ৰিক শাক্ত আৰু শৈৱ ধৰ্ম্মৰ ভয়ঙ্কৰ সংঘৰ্ষণ দেখুৱায়।

ৰামো বিষ্ণুৰ অৱতাৰ, কৃষ্ণও বিষ্ণুৰ অৱতাৰ; ৰামেও দেবীপূজক ৰাৱণৰ প্ৰতিদ্বন্দী হৈ ৰাৱণক বধিলে; শ্ৰীকৃষ্ণইও প্ৰথমে জৰাসন্ধ শিশুপাল প্ৰভৃতি শাক্ত ৰজাসকলক মাৰিলেও আৰু মৰালেও, আৰু শেহত ভাৰতৰ যুজত পঞ্চপাণ্ডৱৰ হতুৱাই শৈৱ ৰজা দুৰ্য্যোধন আৰু শাক্ত শৈৱ অসংখ্য কৌৰৱৰ ফলীয়া ৰজাসকলক মৰাই ভাৰতত বৈষ্ণৱ ধৰ্ম্ম থাপিলে। জৰাসন্ধ, শিশুপাল এইসকল ৰজা জাতত ক্ষত্ৰিয়েই আছিল নে অনাৰ্য্য আছিল তাক কোনে জানে?

ৰাৱণৰ মাক নিশাচৰী বা দাসী হলেও বাৱ। বামুণৰহে লৰা আছিল। যদি জৰাসন্ধ শিশুপাল আদি ক্ষত্ৰিয় ৰজা হয় তেন্তে ভগদত্ত বাণ ভীষ্মকো ক্ষত্ৰিয়ই আছিল, অথবা হিন্দুৰ লগত পৰি ক্ষত্ৰিয় হিন্দুৰে সৈতে বিবাহাদি আদান-প্ৰদান কৰি হিন্দুৱেই হৈছিল। চুতীয়াৰ দেউৰীসকলে মদ গাহৰি খোৱাৰ বাবেই তেওঁলোকক অনাৰ্য্য বুলিব নোৱাৰি। আগৰ কালত ক্ষত্ৰিয়সকলে মদ-গাহৰি খাইছিলেই। পিছতহে মদ-গাহৰি এৰিছে। চুতীয়াসকল দৰাচলতে অনাৰ্য্য হোৱা হলে দেউৰীসকলে গছ-পাথৰ অথবা দেও-ভূত ইত্যাদি পূজিলেহেতেন। গেৰামী-গেৰা অৰ্থাৎ মহাদেব-পাৰ্ব্বতী, বলিয়া বাবা মহাদেৱ এইসকল সুপূজিলেহেতেন; দিবঙীয়া খেলৰ মহাদেৱ-পাৰ্ব্বতীৰ মন্দিৰ এতিয়াও কুণ্ডিল নৈৰ পাৰত বৰ্ত্তমান। যি চুতীয়া জাতিয়ে এসময়ত দুৰ্গ, গড় আদি কৰিছিল; তাম্ৰেশ্বৰীৰ মন্দিৰ আৰু দেৱালয় সাজিছিল, পুখুৰী খনাই উছৰ্গা কৰিছিল; যি জাতৰ ভিতৰত লিখা পঢ়াৰ চৰ্চ্চা আছিল, যিসকলৰ পূজা-পদ্ধতি বিবাহ-শ্ৰাদ্ধ সমস্ত হিন্দুৰ নিয়মে চলি আহিছে; যিসকলে আগৰ কালত শিৱ-দুৰ্গাক পূজিছিল, আৰু এতিয়া বৈষ্ণৱ ধৰ্ম্মত প্ৰবৰ্ত্তিছে; যি জাতিয়ে পাল বংশক আৰু কমতাপুৰৰ ৰজাক যুদ্ধত ঘটুৱাব পাৰিছিল; যি জাতিয়ে জলে-স্থলে ৩০০ বছৰ আহোমে সৈতে যুদ্ধ ধৰি আছিল, যি জাতিৰ ৰজাই পালবংশ আৰু কমতাপুৰৰ ৰজাই সৈতে বিবাহ-সূত্ৰত আবদ্ধ আছিল, সেইজাতি, আবৰ ডফলাৰ নিচিনা মানুহ নহয়, কেতিয়াও নহয়; সেই জাতিটো আগৰ ভীষ্মকৰ বংশৰ ক্ষত্ৰিয় জাতিহে। যদি তথাপি কোনোবাই আপত্তি কৰে তেনেহলেও এইটো ধ্ৰুৱ সত্য যে চুতীয়া জাতিটো এসময়ৰ ৰাজবংশৰ জাতি। গুণ আৰু কৰ্ম্মদ্বাৰাই যদি আদিতে হিন্দুৰ জাতবিলাকৰ নিৰাকৰণ হৈছিল, তেনেহলেও চুতীয়াৰ আগৰ গুণ আৰু কৰ্ম্মলৈ চাইও তেওঁবিলাক ক্ষত্ৰিয়হে।

এই বিষয়ে আমি নিজে একো কব নেলাগে। আমাৰ বন্ধু শ্ৰীমান ভ্ৰমৰ শইকীয়াদেৱ তেওঁৰ "চুতীয়া জাতি" বোলা পুথিখনত যি লিখিছে

**চুতীয়াসকলৰ বৰ্ত্তমান অৱস্থা**

তাৰেপৰা তুলি দিলো। "চুতীয়াবিলাক অসমৰ ৰাজবংশী মানুহ। আগেয়ে এটা স্বাধীন জাতি আছিল। এতিয়া সেই দিন নাই। ৰাজ্য হেৰুৱাৰ লগে লগে সাহ-পিত আৰু মনৰ বলো তললৈ পৰি যাবলৈ ধৰিছে। নানা হেঁচা আৰু বিপদে চুতীয়া জাতিক লুটুৰা কৰিলে। ইমান ঠেকছিগা হৈ পৰিল যে আজিকালিৰ নিচিনা দিনতো নিজক নিজে চিনিব পৰা নাই, কিম্বা চিনাকি দিবলৈ সাহ জন্মা নাই। চুতীয়া জাতিৰ বৰ্ত্তমান অৱস্থা কবলৈ বেজাৰলগা। যি চুতীয়া জাতিয়ে চাৰিশ বছৰৰ পূৰ্ব্বে উজনী অসমত প্ৰবল প্ৰতাপেৰে ৰাজত্ব কৰিছিল, সেই জাতিৰ সতি-সন্ততিবিলাকে এতিয়া অৱনতিৰ তলত পৰি নিতাল মাৰি আছে। তেওঁলোক নিঃকিন, নিচলা আৰু প্ৰায় অকামিলা হৈ জুলুকা লাগি পেপুৱা খাই আছে। ... ... ... ... সময়ে অনেক পৰিবৰ্ত্তন কৰে। ৰজাক ভিকহু কৰে, খৰিভাৰীও সম্ভ্ৰান্ত লোক হৈ উঠে। কতনো সালসলনি হয় তাৰ সীমা-সংখ্যা নাই। আহোম, চুতীয়া, কোচ-কছাৰীৰ ৰাজত্ব আজি কালৰ গৰ্ভত। তেওঁলোকৰ প্ৰসিদ্ধ নগৰবিলাক এতিয়া অৰণ্যৰ মাজত। প্ৰজাৰ অৱস্থা, জাতিৰ কথা, এতিয়াৰে বহুত প্ৰভেদ। মান-সম্ভ্ৰম, আচাৰ-নীতি আদি বিজালেও নিমিলে। এই জাতিৰ অধঃপতনৰ সময়ত যি দুৰ্দ্দশা তাক বৰ্ণনা কৰা টান। কতই যুগমীয়া দাসত্বৰ বান্ধতহে জীৱনক ধন্যবাদ ভাব কৰিছে। আসামৰ পুৰণ ৰাজবংশী চুতীয়া, কছাৰী, আহোম আদিৰো দশা সেয়ে হৈছে। আজি সকলো জাতি মহাপ্ৰতাপী বৃটিশ ৰজাৰ সমান প্ৰজা।"

পূৰ্ব্বৰ গৌৰৱলৈ চাই বৰ্ত্তমানে চুতীয়াসকলে কি কৰা উচিত, এই বিষয়ে পৰম্পৰে সদযুক্তি কৰি এটা সিদ্ধান্ত

**বৰ্ত্তমান সময়ত চুতীয়াসকলে কি কৰা উচিত**

কৰিবৰ নিমিত্তেই এই সভা আহুত হৈছে। আজিকালিৰ দিনত শিক্ষাই হৈছে সকলো উন্নতিৰে মূল। চুতীয়াসকলে আন আন অসমীয়াসকলৰ দৰেই উন্নতি লভিব খোজে যদি নিজৰ ভিতৰত শিক্ষা বঢ়াবলৈ আগবাঢ়ক। "আমি ক্ষত্ৰিয়, সেইবাবে হালকে নাবাম"—এনেকুৱা এটা মতত ধৰিলে আৰু এটা হুজুগত পৰি লগুণ লবলৈ বিচাৰিলে আমাৰ চুতীয়া-



ভ্ৰাতৃসকলৰ এটা লোকচানত বাজে লাভ হলে নহব। চুতীয়াসকলৰ বৰ্ত্তমানে প্ৰধান উদ্দেশ্য হব লাগে--নিজৰ ভিতৰত সকলো বিধৰ শিক্ষা লাভ কৰা। ভাল শিক্ষা হলেই কাৰবাৰ, কৃষি-বাণিজ্য, চাকৰি সকলোতেই উন্নতি লাভ কৰিব পৰা হব। ভাং, কানি, মদ, ছিগাৰেট ইত্যাদি ৰাগীয়াল বস্তুবিলাকৰ পৰা চুতীয়া যুৱকসকল আঁতৰি থাকি বিদ্যা-বুদ্ধিৰ চৰ্চ্চা কৰাত লাগি থাকিলে বাণিজ্য-ব্যৱসায় এইবিলাকত চেষ্টা কৰিলে, জাতৰ ভিতৰত পৰস্পৰ সহায় সহানুভূতি থাকিলে ই ফৈদে সি ফৈদৰ দোষ হীন-দেচি বিচাৰি সময় নকটাই মিলা-প্ৰীতিৰে চলিলে, মনৰ পৰা ঠেক বা সঙ্কীৰ্ণ ভাববিলাক দূৰ কৰিবলৈ শিকিলে, ধৰ্ম্মত মন ৰাখি কৰ্ত্তব্য কৰ্ম্মত লাগি থাকিলে শ্ৰী অৰ্থাৎ লক্ষ্মীয়ে আপোনা-আপুনি লগ দিব। দুৰ্গা পূজাৰ আধ্যাত্মিক ভাবলৈ চালে আমি পাওঁ কি? দুৰ্গা-দেবীৰ বৰণ হালধীয়া; আমাৰ পথাৰত ধানবিলাক পকিলে তাৰো বৰণ হালধীয়া হয়।

যি মানুহে সৰস্বতীক আৰাধনা কৰা বিদ্যা শিকি ভালকৈ কৃষি (অথবা সকলো বিষয়ৰ কৰ্ষণ) কৰিব পাৰে, তেওঁক শস্যৰূপী লক্ষ্মীয়ে লাগ দিয়ে। খাই-বৈ বলৱান হব পাৰিলে এফালে কাৰ্ত্তিকৰ দৰে সুশ্ৰী আৰু বীৰ হব পৰা যায়; আৰু আনফালে কৰ্ম্ম কৰাৰ ফলেৰে যি জ্ঞান লাভ হয় সেই জ্ঞানেৰে গহীন-গম্ভীৰ প্ৰশান্ত গণেশ হৈ সিদ্ধিলাভ কৰি মা ভগৱতীক আৰু ঈশ্বৰক অন্তত লাভ কৰি মনুষ্য জনম সাৰ্থক কৰিব পৰা যায়। মোৰ বোধেৰে ভাতৃসকল, দুৰ্গা-প্ৰতিমাৰ আধ্যাত্মিক অৰ্থ এনেকুৱাটোহে। দুৰ্গাক লভি বীৰ হবলৈ গলেই প্ৰথমতে কৰ্ষণ কৰিব অৰ্থাৎ শিক্ষা লভিব লাগিব। শিক্ষা লভিবলৈ হলেই মদ, কানি, ভাং, ছিগাৰেট এইকেইটা বস্তু আগেয়ে অতৰাব লাগিব। যদিও অৱস্থা বিশেষে, কোনো ৰোগবিশেষে, মদ, কানি, ভাং আৱশ্যকীয়ও; তথাপি এই তিনিওটা বস্তু বিষ হে। হায়! মোৰ ওপৰ অসমখনক কানিয়ে আৰু ভাটী অসমখনক ভাঙেই সৰ্ব্বনাশ কৰিলে। দুয়োৰো মাজতে মদ বা লাওপানীয়েও কম অন্যায় নকৰে। এতেকে হে মোৰ চুতীয়া ভ্ৰাতৃসকল! এই তিনিটা নিছা যদি আপোনালোকৰ ভিতৰত আছে, তেন্তে তাক ততালিকে দূৰ কৰিবলৈ প্ৰথমতে চেষ্টা কৰক। নিছা বস্তু এটা এৰো বুলিলে, মনৰ বল লগালে এৰিবলৈ একো টান কথা নহয়। অৱশ্যে মই নিজৰ শ্লাঘাৰ অৰ্থে কোৱা নাই; কিন্তু আহিৰ পৰা যদি কাৰবাৰ কিবা উপকাৰ হয়, তেন্তে কওঁ শুনক। মই স্কুল-কলেজত থাকিথবেপৰা ধপাতটো খাইছিলো। মনত পৰিবৰেপৰা আজি এবছৰ আগলৈকে মই ধপাত, চুৰুঠ, ছিগাৰেট বৰকৈ খাইছিলো; কিন্তু আজি বছৰেক হল অৰ্থাৎ গল-বছৰ এনেকুৱা দিনতেই মনত কিবা এটা বুজনি উপস্থিত হোৱাত ধপাত, বিৰি, ছিগাৰ, ছিগাৰেট একোকে নাখাওঁ বুলি প্ৰতিজ্ঞা কৰিলো; আৰু ভগৱন্ত পুৰুষৰ কৃপাত মোৰ ধপাত খোৱা অভ্যাসটো গল। কিন্তু তাৰ ফল স্বৰূপে মোৰ ঘৰৰপৰা, ছুটা লৰাৰ মুখৰপৰাও খোৱা-খোৱা বস্তুটো আঁতৰ হল। মাহে ২০ কুৰি টকি ৰূপ যে আয় হলেই, তাৰ উপৰিও আমাৰ স্বাস্থ্যও ভাল হৈছে যেন পাইছো। এতেকে ৰাইজসকল, চেষ্টাই কৰিব নোৱৰা কাম নাই। আপোনাসকলে চেষ্টা কৰি এই তিনিটা বিহ আপোনালোকৰ সমাজৰপৰা অতৰাওক। অতি দুখ লাগে যে আমাৰ দেশখনক কানি ভাং মদে যি অনিষ্ট কৰিছে সেয়ে অসহনীয়; কিন্তু দৈত্যৰ ওপৰত দানৱৰ দৰে ছিগাৰেট বোলা বস্তুটোও আমাৰ দেশত বৰ বেয়াকৈ সোমাইছে। এই বস্তুটো গাৱেঁ গাৱেঁ সোমাই সকলোৰে, আনকি, সৰু সৰু লৰা-ছোৱালীৰ মুখে-মুখে হৈছে। তাহানিখন মই ছেটেলমেণ্ট কৰি থাকোতে এই গোলাঘাটৰ ঢেকিয়াল কি মিছামৰা গাৱঁৰ এঠাইত এটা চাপৰিৰ ওচৰত এজনী সুন্দৰী দহবছৰীয়া ছোৱালীক ছিগাৰেট হুপি থকা লগ পাই কৈছিলো,—'আইটি, তোমালোকৰ নিচিনা সৰু সৰু লৰা-ছোৱালীয়েও ছিগাৰেট খোৱা হলানে?' ছোৱালীজনীয়ে একো লাজ নকৰি উত্তৰ দিছিল, 'হয় হুজুৰ, আমি খাওঁ; আমাতকৈ সৰু-সৰুবিলাকেও খায়।' মই ছোৱালীজনীৰ কথা শুনি বিমোৰ হৈ কৈছিলো, 'আইটি এই বস্তুটো বৰ বেয়া; ইয়াত খৰচকৰা পইচা কেইটাৰে একেৰা গাখীৰ বা কল-কুহিয়াৰকে দেখোন কিনি খোৱা ভাল।' মোৰ কথাবাৰতহে ছোৱালীজনীয়ে লাজ পাই

মুখৰপৰা ছিগাৰেটটো পেলাই লৰি গুচি গৈছিল। সিদিনাখন, আজি ১০ দিনমান হল, মাকুম জংশনৰ ৰেল ষ্টেশ্চনত এজনী ৩ বছৰীয়া কুলি ছোৱালীক ৰেড লেম্প ছিগাৰেট এটা হুপিথকা দেখি তাইৰ ওচৰতে থকা মাক-বাপেকক কলো, "তইঁতে কেলেই এই পিয়াহ-খোৱা কেচুৱাজনীক ছিগাৰেট খাবলৈ দিছ ?" সিহঁতে কলে, "নিদিলে তাই কান্দে, সেইদেখি দিওঁ।" হাঁয় হাঁয়! লৰা-ছোৱালীয়ে কান্দিলে মাক-বাপেকে ছিগাৰেট কিনি খুৱাবলগা দিন হল! ধন্য দুখ-দাৰিদ্ৰ্য-পীড়িত ভাৰতবৰ্ষৰ অৱস্থা! ধন্য অসমৰ অৱস্থা! মই মিনতিৰে আপোনাসকলক, আনকি, সকলো অসমীয়াকে মিবেদন কৰিছো, এই ছিগাৰেট খোৱা প্ৰথাটো যেন গুচে। ছিগাৰেটে অতি কষ্টেৰে অৰ্জ্জা বহুত পইচা নিয়ে আৰু তাৰ সলনি যক্ষ্মা, পেহৰোগ, ফুচফুচ প্ৰদাহ ইত্যাদি বেমাৰ, এতিয়া যদি দিয়াও নাই, শেহত দিবগৈ। এই বিহ বাইজসকল, যত্ন কৰি সময় থাকোতেই বৈধ উপায়েৰে অতৰাবলৈ যত্ন কৰক। প্ৰকৃত ক্ষত্ৰিয়ৰদৰে সংসাৰ-যুদ্ধত যুদ্ধ কৰিবপৰা হলেহে ক্ষত্ৰিয়ৰ কাম কৰা হব। বদ্-নিছাৰ পৰা বদ্-কথাৰপৰা আঁতৰি থাকিব পৰাটো, আৰু তাৰ লগে লগে কৰ্ত্তব্য কাম কৰিব পৰাটোহে আচল ক্ষত্ৰিয়ৰ কাম কৰা হব। আমাৰ বন্ধু শ্ৰীমান জ্ঞাননাথ বৰা বি, এল দেৱে বঢ়িয়াকৈ দেখুৱাইছে যে অসমীয়া মানুহ মানৰ আক্ৰমণৰ আগেয়ে উনচল্লিশ লাখ আছিল। মান-মোৱামৰীয়াৰ অত্যাচাৰত অনেক মানুহ মৰি-হজি দেশ এৰি বিদেশলৈ গৈ ইংৰাজ ৰাজত্বৰ আৰম্ভণত মুঠেই ৮ লাখত পৰিছিলগৈ। এতিয়া কোনো ৰকমে আজি এশবছৰে ১৯ লাখ হৈছিল; কিন্তু এতিয়া অসম দিনক দিনে বিদেশীৰে ভৰি পৰিবলৈ ধৰিছে। বৰ্ত্তমান বিদেশী—যথা, কুলি, হিন্দুস্থানী, বঙালী, ময়মনসিঙীয়া, মুছলমান সকলো মিলি ২৩ লাখ হৈছে। এতিয়া আমাৰ এই অসমীয়া জাতিটো বিদেশীৰ হেচাৰ মাজত। আমি অসমীয়াই এই হেচাৰ মাজত তিষ্ঠি থাকিবলৈ হলে আমাৰ প্ৰত্যেকেই আন জাতৰ লগত দ্বেষ নকৰাকৈ হাই-কাজিয়া নকৰাকৈ শান্তিৰে পৰস্পৰে পৰস্পৰৰ সহায় লৈ নিজ নিজ উন্নতিত আগবাঢ়িব লাগিব, তেহে আমি এই জীৱন যুদ্ধত তিষ্ঠিম; নহলে আমাৰ অসমীয়াৰ নাম লুমাব। বিদেশীৰ হেচাত আমাৰ অস্তিত্ব হেৰাব। এতেকে মোৰ চুতীয়া ভাতৃসকল! আপোনালোকে আপোনালোকৰ লৰা-ছোৱালীক সকলো বিষয়তে শিক্ষিত কৰি তোলক। নিজে নিজে ত্যাগ স্বীকাৰ কৰিও সিইঁতক ৰক্ষা কৰক। এলাহ-নিহালি এৰি আপোনালোক কৰ্ম্মত লাগি যাওক। যি-কলৰ মদ, ভাং, কানি ইত্যাদি কোনো নিছাত ৰাপ আছে, সেইসকলে এইবিলাক দৃঢ়প্ৰতিজ্ঞ হৈ এৰি ডেকাসকলক সজ আহিঁ দেখুৱাওক। ডেকাসকলে বুঢ়া-বেথাসকলৰ সহায়-সহানুভূতি আৰু আশীৰ্ব্বাদ গ্ৰহণ কৰি এতিয়াৰে পৰা শিক্ষাত, কৰ্ম্মক্ষেত্ৰত, কৃষিত, ব্যৱসায়-বাণিজ্যত শিল্প আদি কৰ্ম্মত—যেনে বাটে, কমাৰ ইত্যাদিত, নিকা-পৰিষ্কাৰ থাকি স্বাস্থ্য-সম্বন্ধীয় নিয়মবিলাক পালন কৰি, সুস্বাস্থ্য লভি, সমবেত চেষ্টাৰে ভাল পানীটোপা খাই মোটা ভাতে মোটা কাপোৰেই ভাল পানী এটুপিৰেসৈতে কৰ্ম্মত লাগক। সেইদৰে আমাৰ চুতীয়া গাভৰুসকলেও পূৰ্ব্বাপৰ ৰীতি অনুসৰি ৰন্ধা-বঢ়াৰ উপৰিও বোৱা-কটাও আগতকৈ বেছিকৈ কৰিবলৈ ধৰক। লাহ-বিলাহ আঁতৰাই ঈশ্বৰত ভক্তি ৰাখি ধৰ্ম্মত মতি ৰাখি নীতিৰ পথত চলি একতাক মূলমন্ত্ৰৰূপে ধৰি সকলোৱে কৰ্ম্ম কৰক। সিদিনাখন অলপতে ৰেলত এজন মান্যগণ্য মৌজাদাৰে সৈতে কথা এটাৰ আলোচনা হৈছিল। মৌজাদাৰে কলে, "ডাক্তৰীয়া এটা কথা মন কৰিছেনে? এতিয়ালৈকে ভগৱন্ত পুৰুষৰ কৃপাত কোনো অসমীয়া মানুহে ৰেলত বা বাগিচাত বা কয়লা-খনিত কাম কৰা নাই।" মই কলো, 'কিয় কব পাৰেনে?' মৌজাদাৰ ডাঙৰীয়াই কলে, "আমাৰ বায়ুতৰ এতিয়াও অভাৱ হোৱা নাই।" মই কলো, 'হয়, সেইটো সঁচা। ঈশ্বৰে কৃপা কৰিছে, এই কাৰণে যে এতিয়ালৈকে আমাৰ স্ত্ৰী জাতিটোৰে, মাতৃ জাতিটোৰে, বোৱা-কটা এৰা নাই। সেই কাৰণেহে এতিয়াও অসমীয়া মানুহ এই বিলাক কামলৈ ওলোৱা নাই; কিন্তু কেনেবাকৈ যদি আমাৰ গাঁৱলীয়া মাতৃসকলে বৱ-কাটিবলৈ এৰে, কাপোৰখনো যদি কিনিহে পিন্ধিব লগা হয়, তেন্তে অসমীয়া মানুহে পেটৰ অৰ্থে', কাপোৰৰ অৰ্থে', এইবিলাক কামলৈ আহিব' লাগিব।



সেইদেখি আমাৰ মাতৃসকল! সময় থাকোতেই সাৱধান হওক। সুতা কিনিও কাপোৰ বওক, বুঢ়া-বেথাসকলেও সুতা কাটিবলৈ ধৰক। যদি মোৰ চুতীয়া ভাই-ভনী সকলোটিয়েই এই বুদ্ধই কোৱাৰ দৰে ঈশ্বৰত মতি ৰাখি বদ্‌নিছা এৰি নীতিৰ পথত চলি, একতাক মূলমন্ত্ৰৰূপে ধৰি সকলো হৈদে পৰস্পৰৰ দোষ গুণ, উচ্চতা-নীচতা ডাঙৰ-সৰু মিছাকৈ বাচ-বিচাৰ নকৰি মিলা-প্ৰীতিৰে কৰ্ম্মত লাগি যায়, দেখিব—অচিৰে সেই আগৰ বীৰৰ তেজ চুতীয়াসকলৰ গালৈ আহিব; আৰু নিজকে চিনি নোপোৱা জুকলা অৱস্থাত পৰি থকা চুতীয়াসকলৰ গালৈ নতুন তেজ আহিব, মনলৈ নতুন বল আহিব। তেতিয়া আমাৰ ৰজাঘৰেও, বৰ্ত্তমানে নিমাসিত কিন্তু আগৰ ৰাজবংশী, চুতীয়া-সকলক ৰাজকৰ্ম্মৰ উচিত ভাগ দিবলৈ কুণ্ঠিত নহব, আৰু গুৰুঘৰসকলেও চুতীয়াসকলক এতিয়াতকৈ আৰু আদৰ কৰিব; চুতীয়া জাতিটো উন্নত হব, তাৰ লগে লগে আমাৰ অসম-মাতৃও একেবা টনকিয়াল হব। ওঁ শান্তি! শান্তি!! শান্তিৰেৰ শান্তি!!!

শ্ৰীৰজনীকান্ত বৰদলৈ

---

# হল নে নহল

( চুটি গল্প )

কিমান চেষ্টা কৰিলো—কিমান কৈ ফুৰিলো— কিন্তু তাৰ দৰে আৰু কৰবলৈ নিশিকিলো। সি যিহকে কওক—সাজি কোৱা সাধুৱেই হওক, বা সঁচাই হওক—আনে তাক পতিয়াইছিল, আৰু তাৰ আচৰিত কাণ্ডবোৰ দেখি বৰ প্ৰশংসা কৰিছিল। ময়ো সেইদৰে শলাগ পাবলৈ লোকৰ আগত আচৰিত ঘটনা বহুত সাজি সাজি কৈছিলো; কিন্তু মোক কোনেও নপতিয়ায়, আৰু নশলাগে। এদিন তাৰ নিচিনাকৈ কৃতকাৰ্য্য হব পাৰিম বুলি শৈলজ্ঞৰ আগত এটা মোৰ জীৱনৰ দুৰ্ঘটনা এইদৰে সাজি কবলৈ আৰম্ভ কৰিলো:—"যোৱা জেঠত ত্ৰিপুৰাৰ জমিদাৰজনে মোক লগত লৈ হিলৈপোতা নগৰলৈ যাবলৈ ওলাল। এনেতে—" শৈলজ্ঞই হাঃহাকৈ হাঁহিবলৈ ধৰিলে:— "ইমান ভূগোল পঢ়িলো, ক'তো ত্ৰিপুৰা বোলা ঠাই আৰু হিলৈ-পোতা নগৰৰ নাম শুনিলো। পিছে তুমিনো ক'ত বুলি কোৱা?" মই নিৰ্ব্বাক; তাৰ প্ৰতিবাদ কৰিবলৈকো মোৰ ভূগোলৰ জ্ঞান মুধচকুটা,—মোৰ আশা নাই। মই বৰ লাজ পালো।

তাৰ পাছদিনা এই ঘটনাটো মনত পৰাত বৰ বেয়া লাগিল। হায়! তাৰ নিচিনাকৈ সাজি কবলৈকো মোৰ যগজুত ভেনে এটা নৈখেলায়। গতিকে সঁচাকৈয়ে এটা ডাঙৰ ঘটনা কৰি লোকৰ আগত কৈ শলাগ লম বুলি আকৌ স্থিৰ কৰিলো। খাই-বৈ তেনে দুৰ্ঘটনালৈ বাট চাই আছো,—দুৰ্ভাগ্য একোকে নঘটিল! এইদৰে কেবা দিনো পাৰ হৈ গল, কিন্তু একো নহল।...

• • • যি হওক, যেই সেই এটা মটাই লোকৰ পৰা শলাগ লবলৈ হলে এইদৰে ঘৰত বহি থাকিলে যে নহয়, ইয়াকে জানি সেইদিনা বাজলৈ ওলালো, বোলো কিজানি কৰবাত কিবা 'আচৰিত' কাণ্ড ঘটেই বা! গোটেই দিনটো ঘূৰি ফুৰি একো কৰিব নোৱাৰি ভাবিলো,—এবাৰ তাৰে সৈতে দেখা কৰো—সি যেনেকৈ এই কাণ্ডবোৰ কৰে, ঠিক সেইদৰেই কৰিম; তেতিয়াতো সিহঁতে শলাগিব। তাক লগ ধৰিলো। সিনো কেনেকৈ এনেকুৱা আচৰিত কাণ্ডবোৰ কৰি ফুৰে তাৰে এটা উদাহৰণ দিবলৈ কোৱাত সি তৎক্ষণাৎ আৰম্ভ কৰিলে:—

"এইবাৰ বিহুৰ প্ৰায় সাদিন নৌ-যাওঁতেই মই এটা চিকিম দেশৰ মানুহ লগপাই তাৰেসৈতে ভালকৈ আলাপ কৰি ললো। তাৰ দেশৰ কথা মোক সি অনেক কলে। তাৰ মুখেদি তাৰ দেশৰ সুন্দৰ বৰ্ণনা শুনি এবাৰ চিকিমলৈ যাবৰ মন কৰিলো; সিও মোক বৰকৈ লগ ধৰিলে। মোমাইৰ পিস্তলটো ককালত আঁৰি লৈ মই

বহাগৰ প্ৰায় ১৫ দিন যোৱাত এদিন ৰাতি মনে মনে ঘৰৰ পৰা পলাই তাৰেসৈতে চিকিমলৈ বাট ললো।”

মই ভাবিলো—আও কটা, ইতো কম নহয়!

সি কবলৈ ধৰিলে—“কত হাবি-বন পাৰ হৈ তাৰ লগত গৈ গৈ প্ৰায় ২০।২৫ দিনৰ মূৰত তাৰ দেশ পালোগৈ। তাৰ ঘৰত আন কোনো নাই। সি নিজে ঘৰৰ দুৱাৰ মেলিলে। বহুত দিন ঘৰটো বন্ধ হৈ থকাত ভিতৰখন ভেকুৰি আছিল। সি লৰালৰিকৈ পানী-ছুনি আনি ঘৰটো চাফ কৰিলে। ময়ো ইতিমধ্যে ওচৰৰ নিজৰাটোৰ পৰা পানীলৈ গা ধুই আহিলো। সিও গা-পা ধুই মোৰ লগতে খাবলৈ বহিল। সি লাহে লাহে কবলৈ ধৰিলে যে সিহঁতৰ দেশ পাৰ হৈ দুই তিনিদিনৰ বাট গৈ যিটো আছল হিমালয়ৰ ঠাল পায়, তাত হেনো এজনী ৰাক্ষসী অতি সুন্দৰী ছোৱালীৰ বেশ ধৰি থাকে। কোনোবা মানুহ গলে বৰ আদৰ-সাদৰ কৰি ঘৰলৈ লৈ যায়। তাৰ পিছত সেই মানুহ আৰু কেতিয়াও ঘূৰি নাহে। এনেকুৱা সাধু মই বুঢ়ী-আইৰ মুখে বহুত শুনিছিলো আৰু তেনেকুৱা পৰ্ব্বতত তেনেকুৱা ঘটনা হোৱা একো অসম্ভৱ নহয় বুলি মোৰ বিশ্বাস হল। মই সেইদিনাই তালৈ যাবৰ মন কৰিলো। সিও পাহাৰী মানুহ, সাহিয়াল; একো আপত্তি নকৰিলে,—আমাৰ ভোদা অসমীয়াতো নহয় যে “গলে মৰিবি, মেলাগে যাব” বুলি আপত্তি কৰিব। মই সেই দিনাই ওলালো।”

মই ভাবিলো—আও কটা! ইতো কম নহয়!

সি কবলৈ ধৰিলে—“মই ভালেমান গহীন গহীন হাবি পাৰ হৈ গৈ তিনদিনৰ মূৰত সেই ঠাই পালো বুলি ঠিক জানিলো। কাৰণ বহুত দূৰত এজনী ছোৱালী দেখিলো। তাইক দেখি মোৰ বুকুখন প্ৰথমে চপ্‌চপাবলৈ ধৰিলে, মোৰ ভৰি নচলা হল। ভয় লাগিল; এই জনীয়েই সেই ৰাক্ষসী! তেন্তে মোৰ চিকিম দেশীয় বন্ধুৰ কথা সঁচা। মই উভতি পলাবলৈ এবাৰ মন কৰিলো, এনেতে সেই ৰাক্ষসী ছোৱালীজনী মোৰ পিনে বেগ দিয়া দেখিলো। গাটো চিৰিংকৰে গল। পলোৱাৰ আশাও এৰি দিলো। তাতে থৰ হৈ ৰৈ থাকিলো।”

মই ভাবিলো—আও কটা! ইতো কম নহয়!

সি কবলৈ ধৰিলে—“সেই ৰাক্ষসী ছোৱালীজনী যেতিয়া ওচৰ পালেহি, মই ক্ষন্তেকৰ কাৰণে পাহৰি গলো যে তাই ৰাক্ষসী। তাইৰ এনে ৰূপত আচৰিত হলো; বোধকৰো তুমিও আচৰিত হবা যে তাই ৰিহা-মেখেলা পিন্ধিছিল, আৰু মোক বৰ আদৰ-সাদৰ কৰি অসমীয়া ভাষাৰে তাইৰ ঘৰলৈ আহিবলৈ পেৰিবলৈ ধৰিলে,—আনকি সেঁ! হাতখন ধৰি টানিবলৈকো পাছ নুহঁহকিলে। ময়ো তাইৰ অনুনয়ত ভোল গৈ তাইক ৰাক্ষসী বুলি জানিও তাইৰ পাছ ললো। কিছুদূৰ গৈ উভটি চাই দেখিলো, মোৰ চিকিমবাসী বন্ধুজন নাই।”

মই ভাবিলো—আও কটা! ইতো কম নহয়!

সি কবলৈ ধৰিলে—“বুঢ়ীআয়ে কোৱা ৰাক্ষসীৰ ঘৰলৈ পকী ঘৰৰ নিচিনা, কিন্তু তাইৰ ঘৰটো পকী নহয়; জুপুৰি ঘৰেই। তাই মোক ভাতপানী খুৱাই জিৰাবলৈ দি কলে, “মোৰ কথা সকলো আপোনাক ভাঙি পিছে কম। এতিয়া আপুনি নিশ্চিন্তমনে জিৰাওক। মই আপোনাক খুৱাবলৈ কিছু শাক-পাচলি গোটাই আনো। ময়ো আপত্তি নকৰিলো; কাৰণ তাই আঁতৰি গলে তাই ৰাক্ষসী হয়নে নহয় তাৰে প্ৰমাণ চাবলৈ আহৰি পাম। তাই গল। মোৰো বুঢ়ীআয়ে কোৱা “বজাৰ কোঁৱৰে ৰাক্ষসীজনী আঁতৰি যোৱাত সোণৰ মাৰিডাল লৈহি ছোৱালী এজনী জীয়াই ৰাক্ষসীৰ জীৱটো কত আছে জানিলে। এই সাধুটো মনত পৰিল, আৰু ভাবিলো, ৰজাৰ কোঁৱৰৰ দশা মোৰ দৰেই হৈছিল চাগৈ। মই পাটীৰপৰা উঠি সোণৰ মাৰি আৰু ৰূপৰ মাৰি বিচাৰিবলৈ ধৰিলো। মোৰ বিশ্বাস হল, সেইজনী নিশ্চয় ৰাক্ষসী; আৰু মই তাইক মাৰিমেই।”

মই ভাবিলো—আও কটা! ইতো নহয়!

সি কবলৈ ধৰিলে—‘বহুত বিচাৰিলো, কিন্তু সোণৰ ৰূপৰ মাৰি হলে নাপালো। মোৰ বৰ ভয় লাগিবলৈ ধৰিলে। মই ভাবিলো যে ৰজাৰ কোঁৱৰইতে আন এজনী ছোৱালীৰ সহায় পাই ৰাক্ষসীক মাৰিলে, কিন্তু এতিয়া মোৰ দশা হব কি? মোক সহায় কৰিবলৈকো কোনো নাই। তাইৰ জীৱটো কত আছে মইতো কব নোৱাৰো। মই ভয়ত কঁপিবলৈ ধৰিলো। এনে অৱস্থাত তুমি কি কৰিলাহেঁতেন কব নোৱাৰো, মই হলে পলোৱাই স্থিৰ কৰিলো। সময় নাই! তাই এতিয়াই আহি পাবহি। একেলৰে ঘৰৰ বাজ ওলালো। ওলাই কেৱল লৰিবলৈ ধৰিলো,—যিমান বেগেৰে পাৰো তিমান বেগেৰে। লৰি লৰি মই বহুদূৰ আহিলো, পাছে হাবি-বননি পাৰ হৈ ছদিনৰ মূৰত আহি দাৰ্জ্জিলিং ওলালোহি। কাকো একো নকৈ মই ৰেলত উঠিলো; দেখিলাইতো মই পৰহি এইখিনি নিৰাপদে পালোহি।

সঁচাকৈয়ে সি পৰহি দাৰ্জ্জিলিঙৰপৰা আহি পাইছিলহি।

তাৰ কথা শেষ হল। মই ভাবিলো, ময়ো তাৰ দৰে ৰাক্ষসীজনী লৈ কিবা এটা ঘটনা ঘটাই ইহঁতৰ আগত কমহি; আৰু এই ৰাক্ষসী বিচাৰি যাওঁতে যি ঘটনা ঘটিব তাক আৰু সিহঁতৰ আগত বৰ্ণালে কেতিয়াও পেলাই দিবলগীয়া নহয়।

কোন বাটেদি সেই ৰাক্ষসী ছোৱালীজনীৰ তালৈ যাব পাৰি তাক সকলো সুধি ললো; আৰু মই তাই ৰাক্ষসী হয়নে নহয় জানিম বুলি তাক নিশ্চয় দি সেই বাটেদি খোজ দিলো।

সি মোক হাক দিলে, কিন্তু মই নুশুনিলো। তাৰ কথামতে সি কোৱা বাটেদি “এয়া মই ওলালো” বুলি তাৰপৰা বিদায় লৈ আহিলো। লাহে লাহে মই তাৰ চকুৰ আঁৰ হৈ আহিলো। সি মোক হাক দি মোলৈ চাই আছিল। যেতিয়া মোক সি সঁচাকৈয়ে ৰাক্ষসী বিচাৰি যোৱা দেখিলে, আৰু চাই চাই নেদেখা হল, সি চাগৈ নিশ্চয় মনতে ভাবিলে, “সি আৰু উভটি নাহিবগৈ, সৌৱা চকুৰ আঁৰ হৈ গলগৈ।”

গৈ আছো। বাটটো বৰ বিপদজনক, বৰ হাবি, বৰ কাঠনি-জাৰণি; আৰু আগবাঢ়িব নোৱাৰি ভাবিলো,—আও কটা সিতো কম নাছিল!

* * *

এইটোও সাজিহে কলো। পিছে, কবহে নোৱাৰিলো—তাৰ নিচিনা হলনে নহল।

---

# প্ৰেমিক সন্ন্যাসী

## (১১)

## বিয়াৰ প্ৰস্তাৱ

জেৰাৰ্ড—কি, মিছ্ মাৰ্গেৰেট্?

মাৰ্গেৰেট—মাষ্টৰ! অ, কৰ পৰা আহিলা?

জেৰাৰ্ড—ঘৰৰ পৰাই আহিলো। তোমাৰ লগত এটা বৰ ডাঙৰ কথা আছে। যদি দয়া কৰি কাণ দিয়া তেন্তে—”

মাৰ্গেৰেট—তাত আপত্তি কি?

জেৰাৰ্ড—নহয় মাৰ্গেৰেট আজি বৰ ডাঙৰ কথা আছে। তুমি জানো মোৰ এই অনুৰোধ ৰাখিবা?

মাৰ্গেৰেট—বাক ৰাখিম, এতিয়া ভাঙি কোৱা।

জেৰাৰ্ড—নহয় আগেয়ে শপত খোৱা।

মাৰ্গেৰেট—মাষ্টাৰ জেৰাৰ্ড! কোৱা কি? মোৰ মনত সমস্ত পৃথিবী একালে আৰু তুমি একালে। তোমাৰ কথা নিজৰ জীৱনপৰ্য্যন্ত দিও পালন কৰিবাৰ নিমিত্তে সাজু আছো; তাত তোমাৰ ভয় কি?

জেৰাৰ্ডে কথাৰ তাল-মান বুজি দুখ মনেৰে লাহে লাহে খাইছ্‌ব্ৰেটৰ ৰঙা চকু, পিতাক এলিৰ নিষ্ঠুৰ আদেশ, ভান, আইকৰ সদ্ উপদেশ, সকলো আদ্যোপান্ত ভাঙি কলে। কিন্তু সকলো মিছা হল, মাৰ্গেৰেটে একেআষাৰে জেৰাৰ্ডৰ সকলো আশা-ভৰসা মাটি কৰিলে। মাৰ্গেৰেটে কলে, “মাষ্টাৰ জেৰাৰ্ড, তোমাৰ পিতাবাৰ প্ৰধান ইচ্ছা

যে তুমি ধৰ্ম্ম-যাজক—ধৰ্ম্ম-পুৰোহিত—হব লাগে। তাৰ বাহিৰেও মোৰ লগত তোমাৰ বিয়াৰ তেওঁ সম্পূৰ্ণ বিৰোধী। এনেস্থলত জেৰাৰ্ড, তোমাৰ লগত মোৰ কেতিয়াও বিয়া হব নোৱাৰে; এনেয়ে মহাসুখে আছো।"

জেৰাৰ্ডৰ হৃদয় ভাগি গল। মাৰ্গেৰেটৰ এই প্ৰতিজ্ঞা লৰচৰ কৰিবৰ নিমিত্তে অনেক চেষ্টা কৰিলে, কিন্তু মিছাতে। জেৰাৰ্ডে ইচ্ছা কৰিলেই মাৰ্গেৰেটক প্ৰত্যেক কথাতে কন্দুৱাব পাৰে, কিন্তু আজি শুভকাৰ্য্যত মান্তি হবলৈ সন্মত কৰাব নোৱাৰিলে। জেৰাৰ্ড হতাশ হল। কিছু সময় ভাবি-চিন্তি থাকি শেহত কলে, "তেনেহলে দেখিছো, তুমিও সেই পাপীষ্ঠইঁতৰ ফালেহে। বাৰু দেখা যাব! তুমি মিছাতেহে ইমান দিন মোক ফাঁকি দি ভুলাই ৰাখিছা! এতিয়া তোমাৰ পৰীক্ষা বুজা গল। যদিও আগেয়ে ধৰ্ম্ম-যাজক হবৰ বেছি ইচ্ছা নাছিল, এতিয়া তোমাৰ নিমিত্তেই মই চিৰ-সন্ন্যাসী হম!" এই কথা কৈ জেৰাৰ্ড গুচি গল, মাৰ্গেৰেটে তলমূৰকৈ বহি বহি কান্দিবলৈ ধৰিলে।

ঠিক আধা ঘণ্টামান পিছতে জেৰাৰ্ড কিছুমান ফটা কাকতৰ টুকুৰা হাতত লৈ হেলাই-হেফাই মাৰ্গেৰেটৰ ওচৰলৈ লৰি আহিছে; দেখি মাৰ্গেৰেট অবাক্ হল। জেৰাৰ্ডে কাকো ভ্ৰূক্ষেপ নকৰি মাৰ্গেৰেটৰ আগতে কাকতৰ টুকুৰাবোৰ দলিমাৰি পেলাই দি কবলৈ ধৰিলে, "মাৰ্গেৰেট! এয়া চোৱাঁ পাপীষ্ঠইঁতে তোমাৰ ছবিখন কেনেকৈ নিষ্ঠুৰভাৱে নষ্ট কৰি পেলাইছে।" জেৰাৰ্ডে আৰু বেছি কথা নকলে; খঙতে ৰঙা পৰিল। মাৰ্গেৰেটে ছবিখন ঘুৰাই-পকাই চালে। বাস্তৱিকে ছবিখন ফলা দেখি কাৰো খং হুঠি নোৱাৰে। মাৰ্গেৰেটৰ মুখখন খঙতে ৰঙা পৰিল, আৰু খং মনেৰে জেৰাৰ্ডক সুধিলে, "কোনে এনে কৰিলে?"

জেৰাৰ্ড—কব নোৱাৰো। চোৰাচোন, পাপীষ্ঠ নৰাধমহঁতে মোৰ ছমাহৰ পৰিশ্ৰম এক মুহূৰ্ত্ততে নষ্ট কৰিলে। আহা! এই সুন্দৰ মুখখন—যি মুখখন দেখিলে শোক-পিয়াহ গুচে—সেই মুখখন পাপীহঁতে চিয়াঁৰিৰে কুৎসিৎ কৰিছে! এনে নিঠুৰ কাম কাৰ প্ৰাণে সয়, মাৰ্গেৰেট!"

জেৰাৰ্ডৰ মাত বন্ধ হল। ডিঙি শুকাই গল, ওঁঠত পানী নোহোৱা হল। তেওঁ মাৰ্গেৰেটৰ ফালে একেথৰে চাই ৰল।

মাৰ্গেৰেট—পাপীহঁত! এই নিৰ্জ্জীৱ ছবিখনে তইঁতৰ কি খালে, কি কৰিলে? নিষ্ঠুৰইঁত! ছিঃ ছিঃ, তইঁতৰ অলপো দয়া-মৰম নাই? বাৰু, যি মুখত আজি তইঁতে নিষ্ঠুৰভাৱে কালিমা সানিছ, সেইমুখ যাতে সদায় তইঁতৰ চকুৰ আগত থাকে তাকে কৰিহে এৰিম।" মাৰ্গেৰেটে একে উশাহতে কথাকেষাৰ নিজে নিজে কৈ জেৰাৰ্ডক কলে—"মাষ্টাৰ জেৰাৰ্ড! যিস্থলত সিহঁতে মোক ইমান ঘৃণাই কৰে, তেনেস্থলত শত্ৰুক পৰাজয় কৰিবৰ নিমিত্তে "শুভস্য শীঘ্ৰম্" হোৱাই ভাল। তোমাৰ লগত কাইলৈকে মোৰ বিয়া হওক, মোৰ এতিয়া আৰু কোনো আপত্তি নাই।"

জেৰাৰ্ড অঠাই সাগৰৰ পৰা উদ্ধাৰ হল। যি হৃদয় এঘণ্টামান আগতে নিৰাশাত বুৰিছিল সেই হৃদয়ত এতিয়া আশা-উৎসাহ দুগুণে বাঢ়িল। জেৰাৰ্ডৰ মনত আনন্দৰ অনন্ত ঢৌ খেলাবলৈ ধৰিলে। মাৰ্গেৰেটৰ মুখৰ পিনে চাই কলে—"সঁচাকৈয়েনে মাৰ্গেৰেট?—"

( ১২ )

## বিয়া

আগদিনা গধূলি সকলো ঠিক-ঠাক হল। পিছদিনা ৰাতিপুৱা ওচৰত থকা গিৰ্জ্জাত জেৰাৰ্ড আৰু মাৰ্গেৰেটৰ বিবাহ-কাৰ্য্য সম্পাদন কৰা হব। তাৰ নিমিত্তে কোনো আয়োজন নাই; কোনো ধুম্-ধাম্ নাই; কেৱল দেশৰ ৰীতি-নীতি ৰক্ষাৰ্থে খুব গুপ্তভাৱে পিছদিনা ৰাতিপুৱা আঠমান বজাত বিবাহ-পত্ৰ (marriage bunns) প্ৰচাৰ কৰা হল—ধৰ্ম্ম-পুৰোহিত নিযুক্ত কৰা হল।

কথা বুলিলে বতাহ। ই ইকাণ সিকাণকৈ জেৰাৰ্ডৰ হিংসুক ভাইভনী ছিব্ৰাণ্ড আৰু কৰ্ণেলিছৰ কাণত পৰিলগৈ। সিহঁতে একেলৰে জমিদাৰ ঘাইছব্ৰেটৰ ওচৰলৈ গৈ তিলকে তাল কৰি সকলো কথা জনালেগৈ। ঘাইছব্ৰেটৰ পিশাচ মন নাচি উঠিল,—"জালত পৰিলে বাঘ, কোনে কৰে নীতিৰ বিচাৰ।" ছিব্ৰাণ্ড আৰু কৰ্ণেলিছক যথোপযুক্ত পুৰস্কাৰ দি কাণে কাণে কিবা কৈ বিদায় দিলে, আৰু কলে, "তোমালোকৰ পিতাৰ ঘৰত নাই, সমুদায় ভাৰ মোৰ ওপৰতে পৰিছে। তোমালোকে এতিয়া যোৱাগৈ; কিন্তু সাৱধান, যেন এই কথা কাৰো আগত প্ৰকাশ নহয়।"

ৰাতিপুৱা দহমান বজাত জেৰাৰ্ড আৰু মাৰ্গেৰেটে হাতত ধৰাধৰিকৈ পিটাৰ আৰু বৃদ্ধ সৈনিক চাকৰ মাৰ্টিনক লগত লৈ টাৰ্গোৰ গিৰ্জ্জাত উপস্থিত হলগৈ। সকলো বস্তু যোগাৰ কৰা হল। ১০ মিনিটমান পিছতে পুৰোহিত আহি গিৰ্জ্জাৰ বেদীত উপস্থিত হলগৈ। জেৰাৰ্ড আৰু মাৰ্গেৰেটক ভিতৰলৈ মাতি নি বিবাহ-মন্ত্ৰ বিধি-পুথি মেলি ললে। পুৰোহিতৰ আদেশমতে জেৰাৰ্ড আৰু মাৰ্গেৰেট হাতত ধৰাধৰিকৈ বেদীৰ আগত ঠিয় হৈছেগৈ মাথোন, এনেতে পাছফালৰপৰা এজন পুলিছে হঠাৎ কৈ উঠিল—"ৰবা, ৰবা।" লগে লগে ৪।৫ জন পুলিছ কৰ্ম্মচাৰী গিৰ্জ্জাৰ ভিতৰলৈ সোমাই গল, আৰু আইনৰ দোহাই দি জেৰাৰ্ডৰ হাতত হাত-কেৰা (hand-cuff) লগালেগৈ। সকলো অবাক, আচৰিত। শুভ মুহূৰ্ত্ততে এই আকস্মিক ঘটনা। সৈনিক মাৰ্টিনৰ গা জ্বলি উঠিল, তেওঁ আৰু সহ্য কৰিব নোৱাৰিলে। তৎক্ষণাৎ ককালত বান্ধি থোৱা চিৰলগৰীয়া চক্‌চকীয়া তৰোৱালখন উলিয়াই লৈ পুলিছইঁতৰ ফালে আগবাঢ়ি গল। পুৰোহিতে গতি বিষম দেখি মাৰ্টিনক থাপ মাৰি ধৰি কলে, "কি মাৰ্টিন! তোমাৰ অলপো ধৰ্ম্ম-ভয় নাই; নাজানানে যে এইটো গিৰ্জ্জাঘৰ—ধৰ্ম্ম-মন্দিৰ? ক্ষান্ত হোৱা। এই দুৰ্ঘটনাৰ অৰ্থ কি?"

পুলিছ—পুৰোহিত, ইয়াত কোনো অধৰ্ম্মৰ কথা নাই। এই ডেকাই তাৰ বাপেকৰ ইচ্ছাৰ বিৰুদ্ধে এই ছোৱালীজনীক বিয়া কৰাবলৈ আহিছে। তদুপৰি আজি তাৰ বাপেক এলি ছাহাব ঘৰত নাই। মাৰ্গো মাষ্টাৰ ঘাইছব্ৰেটে জেৰাৰ্ডক গ্ৰেপ্তাৰ কৰিবলৈ আমাক আদেশ দিছে।

পুৰোহিতজনে তবধ মানিলে। কিছুপৰ ভাবি-চিন্তি কৈ উঠিল—"জেৰাৰ্ড?" জেৰাৰ্ড নিমাত। তেওঁ তললৈ মূৰ কৰিলে।

পুলিছ—আমি এতিয়া ডেকাজনক ৰটাৰ্ডমলৈ লৈ যাম। তাত ডিউকে যি কৰে কৰিব।

মাৰ্গেৰেটৰ মূৰত স্বৰগ ভাগি পৰিল। যি ডেকা-গাভৰুৱে ১০ মিনিট আগেয়ে সমস্ত পৃথিবী সোণৰ ৰাজ্য বুলি ভাবিছিল যি প্ৰেমিক-প্ৰেমিকাই বৰ্ত্তমান আৰু ভবিষ্যত সুখৰ কথা ভাবি ভাবি আপোনাৰ অস্তিত্ব পাহৰিছিল, যি প্ৰেমিক-প্ৰেমিকাৰ মন স্বৰ্গীয় আনন্দৰ ঢৌৰে উপচি পৰিছিল, সেই ডেকা-গাভৰু প্ৰেমিক-প্ৰেমিকাৰ ১০ মিনিট পাছত এনেকুৱা বিচ্ছেদ! জেৰাৰ্ড আৰু মাৰ্গেৰেট দুইও চকুলো টুকিব ধৰিলেলৈ।

পুলিছইঁতে জেৰাৰ্ডক ঘাইছব্ৰেটৰ ওচৰলৈ লৈ গল, আৰু বিনা বিচাৰে জেলত সুমাই থলেগৈ।

সেই কালত কাৰাবাস মৃত্যুৰ এটা সহজ উপায় আছিল। আজিকালিৰ কাৰাবাস আৰু সেই অতীত যুগৰ কাৰাবাসৰ মাজত স্বৰ্গ-মৰ্ত্ত্য প্ৰভেদ। সেতিয়া কাৰাদণ্ড দিয়াৰ অৰ্থ—খুব চেচা নিৰ্জ্জন ঠাইত ৰাখি শাৰীৰিক অত্যাচাৰ, অনাহাৰ আৰু কেতিয়াবা কেতিয়াবা হলাহল বিহ প্ৰয়োগ।

জেৰাৰ্ডৰ হৃদয় ভাগি গল। চকুৰে একো নেদেখা হল; সকলো অন্ধকাৰ যেন লাগিল। অৱশেষত আঠু কাঢ়ি ঈশ্বৰৰ ওচৰত কৰযোৰে প্ৰাৰ্থনা কৰিলে, "হে প্ৰভু, দয়াময়, দয়া কৰা অজ্ঞানজনক।"

( ১৩ )

## ফাটেকত

ৰাতিপুৱা দহমান বজাৰপৰা গধূলি পাঁচমান বজালৈকে এই ৭ঘণ্টা সময়তে জেৰাৰ্ডক চিনিব নোৱৰা হল। তেওঁ এই সাতঘণ্টা সেই ঘোৰ অন্ধকাৰ ফাটেক ঘৰৰ কুপৰ তলিত বহি বহি কেৱল কান্দিছে। জেৰাৰ্ডৰ আশা-ভৰসা উদ্যম-উৎসাহ সকলো এটিএটিকৈ দূৰ হল। জেৰাৰ্ড হতাশ হল; তেওঁ সমস্ত পৃথিৱী অন্ধকাৰ দেখিবলৈ ধৰিলে। ২৪ ঘণ্টাৰ ভিতৰতে মৃত্যু নিশ্চয় ভাবি অন্ধকাৰ কুপটো এবাৰ জীৱনৰ শেষ সময় ভাবি চাই ললে।

সেই কূপটো চাৰিওফালে ইটাৰ পকি। ৪ ফুটমান ওখ আৰু ২ ফুটমান বহল এখন দুৱাৰ— মানুহ এজন কোনোমতে সোমাব পাৰি; তাৰ বাহিৰে আৰু কোনো দুৱাৰ বা খিৰিকি নাই। ই প্ৰায় ১২০ফুটমান ওখ; ওপৰতো ইটাৰ পকিৰে ঢকা। কেৱল কূপটোৰ তলিৰপৰা ১০০ফুটমান ওখত এখন সৰু খিৰিকি আছে; তাৰে কূপৰ ভিতৰলৈ বেণু বেণু পোহৰ আহে; তাৰ বাহিৰে কোনো কালৰপৰা কূপৰ ভিতৰলৈ পোহৰ আহিব নোৱাৰে; পহিকে কূপটো ঘোৰ অন্ধকাৰ—তাত সোমালেই গা শিয়ঁৰি উঠে। জেৰাৰ্ডে তাৰ তলিত বহি ওপৰলৈ চাই দেখে যে কূপৰ ভিতৰলৈ অলপ পোহৰ আহিছে; তেওঁ সেইফালে ঘনাই ঘনাই চাবলৈ ধৰিলে। কৌতুহল নিবাৰণ কৰিবৰ মনেৰে বহু কষ্ট কৰি কূপৰ বেৰাত এটা গজালেৰে খোপ কাটি তাত ভৰি দিলেগৈ। আকৌ খাপ এটা কাটি আৰু কেইফুটমান ওপৰলৈ উঠিল। এনেকৈ অলপ অলপকৈ তেওঁ সেই খিৰিকিখন পালেগৈ। বাহিৰলৈ চাই দেখে যে তাৰপৰা বহুদূৰ পৰ্য্যন্ত দেখা যায়। ফাটেক ঘৰৰ ওচৰেদি এখনি সৰু নদী বৈ গৈছে। জেৰাৰ্ডৰ সেইফালে চকু পৰিল, দেখে যে সেই বৃদ্ধ সৈনিক মাৰ্টিন নদীখনৰ পাৰতে বৰশী বোৱা ভাও জুৰি বহি আছে। জেৰাৰ্ডে তেওঁক চিনি পাই তৎক্ষণাৎ এটা সুহুৰি মাৰিলে। মাৰ্টিন বৰ বুধিয়ক, তৎক্ষণাৎ বুজি পালে। চকু ঘুৰাই দেখে যে জেৰাৰ্ড। মাৰ্টিন আৰু বহি নাথাকিল; জেৰা-ৰ্ডক হাতেৰে কিবা এটা ইঙ্গিত দি ঘৰৰ ফালে লৰ দিলে। জেৰাৰ্ডৰ মনত জীৱনৰ আশা হল। তেওঁৰ কাৰাবাসত বন্ধু-বান্ধৱবোৰ এলেহুৱা হৈ বহি থকা নাই বুলি আনন্দিত হল।

অলপ পিছতে ঘাইছব্ৰেটে কেজনমান পুলিছেৰে সৈতে জেৰাৰ্ডৰ নিমিত্তে কিছু খোৱা বস্তু লগত লৈ ফাটেক ঘৰত সোমালহি। জেৰাৰ্ডে ঘাইছব্ৰেটক দেখিয়েই জ্বলি উঠিল—চকু পকাবলৈ ধৰিলে—তেওঁৰ মনৰ ইচ্ছা ঘাইছব্ৰেটৰ মূৰটো গুৰি কৰি জীৱন শেষ কৰা আৰু পলাই যোৱা। চতুৰ ঘাইছব্ৰেটে জেৰাৰ্ডৰ মনৰ ভাব বুজি পুলিছইতক ওচৰলৈ আহিবলৈ ইঙ্গিত কৰিলে। পুলিছইতো কৰ্ত্তাৰ আগত হাজিৰ হলহি। ঘাইছব্ৰেটে জেৰাৰ্ডৰ ফালে চাই গদ্‌গদ্‌কৈ কবলৈ ধৰিলে—"তই শপত খাই ক'—মই মাৰ্গেৰেটক বিয়া নকৰাওঁ; আৰু অতি সোনকালে ধৰ্ম্মযাজক হম।"

জেৰাৰ্ডে বীৰদৰ্পেৰে কৈ উঠিল,—"তাকে কৰাতকৈ মৃত্যুৱেই বৰং বাঞ্ছনীয়।"

ঘাইছব্ৰেট—তেনেহলে তই মাস্তি নধৰ?

জেৰাৰ্ড—এই জীৱন থাকে মানে নধৰোঁ।

ঘাইছব্ৰেট—বাৰু তোক এই অৱস্থাতে বধা হব।

জেৰাৰ্ডে মনতে কৈ উঠিল—কোনো ভয় নাই। জমিদাৰে ভালকৈ দুৱাৰখন জপাই ওলাই গল।

আগলৈ

শ্ৰীশান্তিৰাম দাস

---

# বিবিধ টোকা

## পানী খোৱাৰ উপকাৰিতা

আমেৰিকাৰ এজন বিখ্যাত বৈজ্ঞানিকে কৈছে—"দিনৌ সকলো সুস্থ মানুহে অন্ততঃ ছবাটিকৈ পানী খোৱা উচিত। মানুহে সাধাৰণতঃ আৱশ্যকমতে পানী নাখাই দেখিয়েই নানা প্ৰকাৰ ব্যাধিৰদ্বাৰা আক্ৰান্ত হয়। প্ৰচুৰ পানী খালে তেজ ভালে থাকে, শৰীৰৰ ভিতৰৰ বিহৰ দৰে অসাৰ পদাৰ্থবোৰ ধুই লৈ যায়, দেহৰ তাপ সমানভাৱে চাৰিওফালে বিয়পি থাকে, আৰু শৰীৰৰ যন্ত্ৰবোৰ অবাধে চলি থাকিব পাৰে। পৰীক্ষাৰদ্বাৰা স্থিৰ হৈছে যে যি দিনৌ ছবাটিকৈ পানী খায় তাৰ দীৰ্ঘজীৱন লাভ হয়।



## ব্যাধি নিবাৰণত যুদ্ধৰ "পইজন্‌গেছ"

যোঁৱা যুদ্ধত যি মাৰাত্মক গেছে সৈন্যৰ প্ৰাণ হানি কৰিছিল, এতিয়া ডাক্তৰসকলে তাৰ দ্বাৰাই মানুহৰ



উশাহৰ সৈতে গেছলোৱা যন্ত্ৰ

সাংঘাতিক ব্যাধি নিবাৰণ কৰিবলৈ ধৰিছে। সেই গেছত মানুহৰ কাৰণে বৰ দৰ্কাৰী কিছুমান বস্তু আছে। এই গেছ বহুত ঠাইত বহুত ৰোগীৰ ওপৰত পৰীক্ষা কৰা হৈছে, আৰু তাৰ ফলো বৰ সন্তোষজনক। ডাক্তৰসকলে আশা কৰে, ইয়াৰ দ্বাৰাই আৰু কিছুমান বছৰৰ পাছত, যিবোৰ ব্যাধি ভাল কৰিব নোৱাৰে বুলি ধৰা হৈছিল তাকো সম্পূৰ্ণ আৰোগ্য কৰিব পৰা যাব।

যুনাইটেড্ ষ্টেট্‌ছ আৰু কানাডাৰ সকলোবোৰ হছপিটালতে যক্ষ্মা ইত্যাদি ভীষণ ব্যাধিৰ চিকিৎসা এই গেছেৰে কৰা হৈছে। তাৰ উপৰিও, স্কুলঘৰ, ৰাজহুৱা সভা-সমিতিৰ ঘৰ, থিয়েটাৰ ঘৰ ইত্যাদিবোৰত এই গেছ তেনেই ক্ষীণকৈ দিবৰ দিহা কৰা হৈছে। ইয়াৰ দ্বাৰাই আন এজন ব্যাধিগ্ৰস্ত মানুহৰ নিশাহেদি ওলোৱা বীজাণুবোৰৰ বিনাশ সাধন হব, তেতিয়া আৰু আন মানুহৰ গাত সি সোমাব নোৱাৰে।

এই গেছ আৰু যুদ্ধৰ সময়ৰ আন গেছৰ কেনেকৈ ডাক্তৰি চিকিৎসাত ব্যৱহাৰ কৰিব পাৰি তাৰ বিষয়ে গবেষণা চলিব লাগিছে।

## ব্ৰহ্মদেশত প্ৰবুদ্ধ শিশু

ব্ৰহ্মদেশত মণ্টুন চাইন্ নামৰ এটি পাঁচ বছৰীয়া লৰাৰ অসাধাৰণ প্ৰতিভাৰ পৰিচয় পোৱা গৈছে। তাৰ বোলে ৫বছৰ বয়সৰ পৰাই অদ্ভুত বক্তৃতা শক্তিৰ বিকাশ হৈছে, আৰু সেই সময়ৰে পৰা লৰাটিয়ে বোলে জনসাধাৰণক ধৰ্ম্মৰ বিষয়ে উপদেশ দিবলৈ আৰম্ভ কৰিছে। তাৰ আকৃতি প্ৰকৃতি সাধাৰণ লৰাৰ দৰে, অসাধাৰণ একো নাই। কিন্তু আশ্চৰ্য্যৰ বিষয় যে সি ধেমালি কৰি থাকোতে থাকোতে হঠাৎ ইচ্ছা হলেই গভীৰ জ্ঞানপূৰ্ণ উপদেশ দিবলৈ ধৰে। তাৰ বাগ্মিতা বৰ আচৰিত; ভাষাত কোনো প্ৰকাৰ খোকোজা বা অসামঞ্জস্য নাই। আৰু আশ্চৰ্য্যৰ বিষয় যে লেখা-পঢ়া নিশিকাকৈয়ো এই লৰাটিয়ে বৰ্ম্মী আৰু পালি ভাষাৰ পুথি অনায়াসে পঢ়িব পাৰে, আৰু সুললিত ছন্দেৰে আবৃত্তি কৰিব পাৰে। বক্তৃতাৰ সময়ত তাৰ লৰালি ভাব নাথাকে; তাৰ মুখ তেতিয়া জ্যোতিষ্মান হৈ পৰে।



যুদ্ধত পইজন্ গেছৰ আক্ৰমণ

তাৰ উপদেশ বাণীৰ মৰ্ম্ম—"অধৰ্ম্মাচৰণৰ দ্বাৰাই দেশৰ সমুহ সৰ্ব্বনাশ হয়; ধৰ্ম্মইহে প্ৰকৃত পথ; সেইকাৰণে সদায় ধৰ্ম্ম পথত থাকিবা। মণিকাঞ্চন আদি পাৰ্থিব বস্তু, তাত প্ৰকৃত সুখ নাই। ধৰ্ম্মই প্ৰকৃত শান্তি, ধৰ্ম্মই প্ৰকৃত শক্তি।"

এই লৰাটিৰ বিষয়ে নানা জনৰব। কোনোৱে কোনোৱে এওঁক বুদ্ধদেৱ বুলি অনুমান কৰিছে। দিনে হেজাৰে হেজাৰে মানুহ তেওঁক চাবলৈ গোট খাইছে।

## তিৰুতাৰ সন্মান

কুমাৰী শ্ৰীশৈলবালা দ.স অলপ দিনৰ আগতে পাটনাৰ অবৈতনিক মেজিষ্ট্ৰেট নিযুক্ত হৈছে। সম্প্ৰতি তেওঁক পাটনা মিউনিছিপেল বৰ্ডৰ সদস্য মনোনীত কৰা হৈছে। মহিলাক সন্মান দান কৰা হিছাপে পাটনা ভাৰতৰ শীৰ্ষ-স্থানীয়। মহিলা উকিল, বিশ্ববিদ্যালয়ৰ মহিলা সদস্য, ছিণ্ডিকেটৰ মহিলা সদস্য, ব্যৱস্থাপক সভাৰ মহিলা ছেক্ৰেটেৰী, অবৈতনিক মহিলা মেজিষ্ট্ৰেট আৰু মিউনিছিপালিটিৰ মহিলা কমিশ্যনাৰে বৰ্ত্তমান পাটনাৰ কাৰ্য্য চলাব লাগিছে।

বোম্বাই বিশ্ববিদ্যালয়ৰ ব্যৱসায়-নীতিৰ ( Bachelor of Commerce) পৰীক্ষাত উত্তীৰ্ণ হৈ কুমাৰী যাছ্‌মিন ছাৰ্ডেয়ে B. Com. ডিগ্ৰী লাভ কৰিছে ( বেঙ্কিং তেওঁৰ পাঠ্য বিষয় আছিল )। ভাৰতীয় মহিলাসকলৰ ভিতৰত এওঁৱেই প্ৰথমে এই ডিগ্ৰী লাভ কৰিছে।

## আফগনিস্থানত স্ত্ৰী-শিক্ষা

ইমান দিন আফগনিস্থানত স্ত্ৰী-শিক্ষাৰ কোনো ব্যৱস্থা নাছিল। দুবছৰ হৈছে এই ৰাজ্যত এটি বালিকা বিদ্যালয় স্থাপিত হৈছে। বিদ্যালয়ত পৰ্দ্দা-প্ৰথা সম্পূৰ্ণ ৰূপে পালিত হয়, আৰু বিদ্যালয়টো বহু প্ৰহৰীৰে সুৰক্ষিত। বৰ্ত্তমান ছাত্ৰীৰ সংখ্যা ৩৫০। আমীৰ বংশৰ আৰু সম্ভ্ৰান্ত পৰিয়ালৰ ছোৱালীবোৰে এই বিদ্যালয়ত শিক্ষা কৰে। বিদ্যালয়ৰ নিয়ম অনুসাৰে ৭ বছৰৰ পৰা ১২ বছৰলৈকে স্কুলত পঢ়িব পাৰে। এই বিদ্যালয়ৰ শিক্ষা-কাৰ্য্য ছজনী শিক্ষিতা মুছলমান তিৰুতা শিক্ষয়িত্ৰীৰ দ্বাৰাই হয়। তেওঁলোকে ভাৰতত শিক্ষা লাভ কৰিছিল। সহজ গণিত, ভূগোল, বুৰঞ্জী, চিত্ৰবিদ্যা, আৰু সিয়া-কাম ইত্যাদি শিক্ষা দিয়া হয়।

## মানুহ-ইঁহুৰা গছ

আৰব দেশৰ এজন প্ৰকৃতি-তত্বজ্ঞই এবিধ গছ আবিষ্কাৰ কৰিছে। সেই গছৰ গুটি খালেই মানুহৰ হাঁহি হাঁহি পেটৰ নাৰি ছিগিবৰ উপক্ৰম হয়। সেই ঠাইৰ অধিবাসীয়ে সেই গছৰ গুটি শুকুৱাই গুৰি কৰি খয় আৰু শত্ৰুক খুৱাই নিজৰ কাম সমাধা কৰে। এই গুৰি খালে মানুহৰ গভীৰ টোপনি আহে, আৰু সাৰ পোৱাৰ পাছত আগৰ কথা একোকে মনত নাথাকে।

## দুই কোটি বছৰৰ পিছৰ মানুহ

আমেৰিকাৰ ছিকাগো বিশ্ববিস্থালয়ৰ অধ্যাপক থাৰণ্ডছনে কয়,—আমি মানৱ জাতিয়ে ক্ৰমোন্নতিক্ৰমে এক অনন্ত উন্নতিৰ ফালে অগ্ৰসৰ হব লাগিছো। ইয়াৰ শেষ কত, আৰু আমি আমাৰ আকাঙ্খাৰ চৰম সীমাত উপস্থিত হব পাৰিম নে নোৱাৰো কোনে জানে? আমি সদায় আমাৰ পাৰিপাৰ্শ্বিক অৱস্থাৰে সৈতে সামঞ্জস্য ৰক্ষা কৰিবলৈ শিকিছো আৰু লগে আমাৰ বুদ্ধিবৃত্তি আৰু মস্তিষ্ক বৃদ্ধি হব লাগিছে। এই মস্তিষ্ক বৃদ্ধিৰ ফলত আমাৰ লাওখোলা আৰু চকু লাহে লাহে ডাঙৰ হৈ থাকিব। শেহত বৰ ডাঙৰ হব, তথাপিও আমি বিত চকু ব্যৱহাৰ কৰিব লাগিব। কাৰণ মস্তিষ্কৰ বৃদ্ধিৰ লগে লগে আমাৰ তীক্ষ্ণ দৃষ্টিশক্তি হ্ৰাস হবলৈ ধৰিছে আৰু ঘ্ৰাণ-শক্তি লুপ্ত হৈ যাবলৈ ধৰিছে। লগে লগে আমাৰ কোনো কোনো অঙ্গ ক্ষীণ হৈ হৈ একেবাৰে লুপ্ত হৈ যাব। মানুহৰ সামাজিক অৱস্থা তেতিয়া তেনেই আন হবগৈ। বিজ্ঞানৰ বলত মানুহে সকলো কাম সুসম্পন্ন কৰিব। কোনোবিধ পৰিশ্ৰম আৰু অঙ্গ-সঞ্চালনৰ প্ৰয়োজন নহব। ফলত মানুহৰ মাংসপেশীবোৰ ক্ষীণ আৰু অকৰ্ম্মণ্য হৈ যাব। তেওঁৰ মতে, দুই কোটি বছৰ পাছত মানুহৰ তেনেই পাতল



ক্ষীণ দেহৰ ওপৰত বৰ ডাঙৰ মূৰ থাকিব। বৰ ডাঙৰ ডাঙৰ দুটা চকু, সৰু সৰু হাত ভৰি, হয়তো ভৰিৰ গেৰোৱা আঙুলীৰ সলনি গৰুৰ খুৰাৰ দৰে হবগৈ। মানুহৰ ভবিষ্যত সঁচাকৈয়ে লোভনীয়?

## তিৰুতাৰ সম্বন্ধে নেপলিয়ানৰ অভিমত

১। "তিৰুতা মাত্ৰকেই মই বৰ সন্মানৰ চকুৰে চাওঁ। কোনো বিষয়ত তিৰুতাৰ অভিজ্ঞতা মুনিহতকৈও মূল্যবান। অভিজ্ঞ আৰু চৰিত্ৰৱতী তিৰুতাৰ পৰামৰ্শ আগ্ৰহে শিৰোধাৰ্য্য কৰিবলৈ মই পুৰুষ মাত্ৰকেই পৰামৰ্শ দিছো।

২। অভিজ্ঞ তিৰুতাসকল সভা-সমিতি প্ৰভৃতিত উপস্থিত নাথাকিলে কোনো কামেই সুশৃঙ্খল আৰু সুচাৰুভাৱে সম্পাদিত নহয়।

৩। লৰা-ছোৱালীৰ চৰিত্ৰৰ ওপৰত মাকৰ প্ৰভাৱ অপৰিসীম। সুসন্তান দেখিলেই মাকৰ চৰিত্ৰ-প্ৰভাৱৰ কথা মনত খেলায়। আদৰ্শ জননী সংসাৰৰ উজ্জ্বল ৰত্ন-প্ৰদীপ, সমাজৰ গৌৰৱ-মণি।

৪। যদি ত্যাগ-শিক্ষা কৰিব খোজা, তেন্তে ভাল মাকৰ ওচৰত শিক্ষা কৰা। ভাল মাক নীৰৱ কৰ্ম্মী; তেওঁ আড়ম্বৰ ভাল নাপায়। নীৰৱে কাম কৰে। তেওঁৰ কৰ্ম্মৰ সুফল সন্তানৰ মাজেদি প্ৰতিফলিত হয় আৰু মানৱ জাতিয়ে তাকে বংশ পৰম্পৰাক্ৰমে ভোগ কৰে।

---

# নাটঘৰ

## টোকা

## বিয়াৰ উপহাৰ

মেৰী পিকফৰ্ড আৰু ডগলাছ ফেয়াৰ বেঙ্কছৰ বিবাহিত জীৱনৰ পাচ বছৰ অতিবাহিত হৈছে, এই কাৰণে দুয়ো দুয়োকে অদ্ভুত উপহাৰ দিছে। পিৰিয়েকে দিছে এটা কাঠৰ "ডল", আৰু বৈণীয়েকে এটা কাঠৰ বাটি। এই উপলক্ষত যি উৎসৱ হৈছিল তাত শ্ৰীযুত ফেয়াৰ বেঙ্কে সেই কাঠৰ বাটিটো টুপিৰ পৰিবৰ্ত্তে মূৰত পিন্ধি আনন্দ প্ৰকাশ কৰিছিল।

## প্ৰথম ফিলম্

প্ৰথম বায়স্কপৰ ফিল্ম ওলাই ১৯০৮ খৃষ্টাব্দৰ লছ এঞ্জেলছত, আৰু সি দুদিনত শেষ হৈছিল। তাৰ শ্ৰেষ্ঠ ভাও লৈছিল। মিঃ হোবাৰ্ট বছৱাৰ্থে।

## কলিকতাৰ মনোমোহন নাট্য মন্দিৰত 'সীতা'ৰ এশ এৰাতি অভিনয় উৎসৱ

যোৱা ২১ আহাৰ দেওবাৰে সীতা নাটকৰ এশ এৰাতি অভিনয়ৰ উৎসৱ হয়। সেই দিনা শ্ৰীযুত শিশিৰ কুমাৰ ভাদুৰীয়ে তাত কথা-প্ৰসঙ্গত কৈছিল, "মোৰ স্বজাতিৰ নামত মানুহে যি বদনামেই নিদিয়ক, তেওঁলোকে যে শিল্প কলাৰ মোল নুবুজে বা আদৰ নকৰে এই অপবাদ তেওঁলোকক কোনেও দিব নোৱাৰে।"

"সীতা" নাটকে বঙ্গদেশৰ নাট্যজগতত এক নতুন যুগৰ সূচনা কৰিছে। ভাৰতীয় অভিনয়-পদ্ধতি নৃত্য-ভঙ্গী দৃশ্য-পট আদি পুনৰ প্ৰচাৰত এই নাট্য-মন্দিৰ আগৰণুৱা বুলি কলে মিছা কোৱা নহয়।

## কামৰূপ নাট্য-সমিতি

আমি শুনি সুখী হৈছো যে কামৰূপ নাট্য সমিতিয়ে তেখেতসকলৰ নাটশাল নতুন কৰিবলৈ বিশেষ উদ্যমেৰে লাগিছে। কামত তেওঁলোক যথেষ্ট আগবাঢ়িছে। ডেকাসকলৰ উদ্যম প্ৰশংসনীয়। আমি আশা কৰো, নাটঘৰটি যেন এটি অসমীয়া নাটশালৰ আদৰ্শ স্বৰূপ হয়; অন্ততঃ দৃশ্যপটৰ ফালেদি যেন ই নতুন বাট দেখুৱাব পাৰে। আমি গুৱাহাটীৰ সকলোৰে এই কামত সহানুভূতি দেখুৱাব বুলি

আশা কৰিলো। তাৰ উপৰি আমি শুনি বৰ ৰং পাইছো যে গোলাঘাটৰ শ্ৰীযুত মহেন্দ্ৰনাথ বৰুৱা ডাঙৰীয়াই তেখেতৰ স্বনামধন্য পিতৃদেৱ ৰায় ঘনশ্যাম বৰুৱা বাহাদুৰৰ নামে Proscenium টোৰ খৰচ ৫০০৲ টকা দান কৰিছে।

## ফিল্মত কি দেখুৱা উচিত

প্ৰসিদ্ধ ফিল্ম-অভিনেতা মিঃ মিল্টন ছিলছে কয়—হত্যা, মটৰ দুৰ্ঘটনা, আত্মহত্যা, গৃহ-বিবাদ, মৃত্যু ইত্যাদিবোৰ বাস্তৱ জীৱনত অলেখলেখ। সেইবোৰ আমাৰ দেখুৱাৰ সকাম নাই। তাক ফিল্ম জগতৰপৰা দূৰ কৰি দিয়া। ফিল্মত কেৱল দেখুৱাব লাগিব প্ৰেমৰ গৌৰৱময় ইতিহাস।

## দৰমহা বঢ়োৱাৰ ৰহস্য

সুবিখ্যাত অভিনেতা মিঃ কনৰে টিয়াৰ্লে’ৰ প্ৰথমতে কেনেকৈ দৰমহা বাঢ়িল, তেওঁ সেই কথা অলপতে কৈছে। কোনো এখন বিয়োগান্ত চিত্ৰনাট্যৰ শেষ দৃশ্যৰ অভিনয়ত তেখেত মৰিব লগীয়াত পৰে। পিছে অভিনয় কৰোতে তেখেতে মৃত্যুৰ আগতে যন্ত্ৰণা প্ৰকাশ কৰাৰ অভিনয় নকৰি হাস্যহে প্ৰকাশ কৰে। ফিল্মৰ কৰ্তৃপক্ষই তেখেতক ভৎসনা কৰি এই কথাৰ কৈফিয়ৎ খোজাত তেওঁ উত্তৰ কৰিলে যে তেওঁৰ দৰে অলপীয়া দৰমহাৰ মানুহে হাঁহি হাঁহি মৃত্যুক বৰণ কৰে। এই উত্তৰৰ ফলত তেখেতৰ দৰমহা বঢ়াই দিয়া হয়।

## অভিনয় কৰোতে প্ৰাণ-হানি

"The Great Circus Mystery" নামেৰে ফিল্মৰ এটা মটৰ দুৰ্ঘটনাৰ দৃশ্যত অভিনয় কৰিবলৈ যাওঁতে বিখ্যাত অভিনেতা মিঃ ফ্ৰাঙ্ক টালিৰ মৃত্যু হৈছে, আৰু মিঃ টোনি ব্ৰ্যাক বিশেষৰূপে আহত হৈছে।

## সৰাতকৈ ডাঙৰ চিত্ৰনাট্যসঙ্ঘ

আমেৰিকাৰ চিত্ৰনাট্যসঙ্ঘৰ ভিতৰত "মেট্ৰো-গোল্ডুইন মেয়ৰ" নামৰ সঙ্ঘই সকলোতকৈ ডাঙৰ। ইয়াত প্ৰতি সপ্তাহে প্ৰায় পাঁচ হাজাৰ মানুহে কাম কৰে।

## মজাৰ গল্প

এগৰাকী বিখ্যাত অভিনেত্ৰীয়ে এটা বেছ মজাৰ গল্প কৈছিল। তেওঁৰ কোনোবা এজন পুৰুষ বন্ধুৱে তেওঁৰ কোনোবা এজন ভদ্ৰলোকক ৰাতি নিমন্ত্ৰণ খুৱাইছিল। পাছ দিনা পুনৰ দুয়োৰো দেখা-দেখি হোৱাত ভোজনতৃপ্ত ভদ্ৰলোকজনে কলে, "কালি তোমাৰ তাত গৈ বৰ আনন্দ লাভ কৰিছিলো।"

বন্ধুজনে কলে—শুনি সুখী হলো।

ভদ্ৰলোকজনে কলে—তোমাৰ তিকতাজনী বৰ সুন্দৰী। বাৰু তেওঁ আন কাৰোবাৰ লগতে কথা পাতিলে বা আলাপ কৰিলে তোমাৰ হিংসা নহয়নে?

বন্ধুজনে কলে—নিশ্চয় হয়। সেই কাৰণেই মই কুৎসিত আৰু 'আহম্মক' মানুহৰ বাহিৰে আনক কাকো নিমন্ত্ৰণ নকৰো। * * *


যশস্বিনী অভিনেত্ৰী মেমাৰে এটা মজাৰ গল্প কৈছিল।—তেওঁ এদিন বাটেদি যাওঁতে যাওঁতে শুনিলে, কোনো এখন পোছাকৰ দোকানত এজন ভদ্ৰলোকে তেওঁৰ ঘৈণীয়েকক কৈছে, "৩৫ ডলাৰৰ এটা টুপি কিনা অনাৱশ্যক দিগদাৰি।" ঘৈণীয়েকে কলে, "মোৰো সেয়ে মত; কিন্তু তোমাৰ যি সুন্দৰ চেহেৰা আৰু সুন্দৰ পোছাক, মইতো তাৰ যোগ্য পোছাক পিন্ধিব লাগিব; নহলে তোমাৰে লগতে যে মোক শুৱাব।"

কোৱা বাহুল্য যে ৩৫ ডলাৰ দি সেই টুপীটো কিনা হল।

---

## শোকৰ বাতৰি

যোৱা ৬ আগষ্ট বৃহস্পতিবাৰে ছাৰ সুৰেন্দ্ৰনাথ বানাৰ্জী স্বৰ্গী হল।



সুপ্ত বালক

New Press, Gauhati.